বিষয়

# ইতিহাস/ঐতিহ্য

# ঐতিহাসিক মায়ং ৰাজ্যৰ বুৰঞ্জী ঃ এটি অৱলোকন

**স্বৰ্ণলতা হাজৰিকা**
**শিক্ষয়িত্ৰী, মায়ং**

মৰিগাঁও জিলাৰ একেবাৰে পশ্চিম প্ৰান্তত উত্তৰে মহাবাহু ব্ৰহ্মপুত্ৰ নদ আৰু দক্ষিণে কলং-কপিলীৰ সন্মিলিত জলধাৰা, পুবে প্ৰাচীন গোভা আৰু কুমৈ ৰাজ্য আৰু পশ্চিমে মহাবাহু ব্ৰহ্মপুত্ৰৰে আবৰি ৰখা পুত ভূমি মায়ং। মায়ঙৰেই দক্ষিণ-পশ্চিম চুকত অসমৰ ইতিহাসত আহোম সেনা আৰু মোগল সেনাৰ মাজত লগা প্ৰায় তেৰখন ৰণৰ প্ৰত্যক্ষ কিম্বা পৰোক্ষ সাক্ষী, শৰাইঘাটৰ ৰণ কৌশল ৰচনাৰ স্থান কাজলিচকীতেই কলং-কপিলীৰ সন্মিলিত জলধাৰাই মহাবাহুৰ বুকুত আশ্ৰয় লৈ নিজকে ধন্য মানিছে। তদুপৰি বিশ্বৰ অভয়াৰণ্য সমূহৰ ভিতৰত এশিঙীয়া গঁড়ৰ সৰ্বঘন বসতিপূৰ্ণ অভয়াৰণ্য পবিতৰা (মায়ঙীয়া ৰাইজৰ বিপুল দাবিত সৃষ্টি হোৱা) আৰু নানা বিল-খাল, জান-জুৰি, পাহাৰ, কৃষি ভূমি আৰু নানা জনগোষ্ঠীয় সাংস্কৃতিক উপাদানেৰে পৰিপূৰ্ণ মায়ং ভূখণ্ডই কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ সঠিক পৃষ্ঠপোষকতা পালে বিশ্ব পৰ্যটনৰ এক আকৰ্ষণীয় ক্ষেত্ৰ ৰূপে যে পৰিগণিত হ'ব সি নিশ্চিত।

মায়ং। বুৰঞ্জী উপেক্ষিত মায়ং। তন্ত্ৰ-মন্ত্ৰ, যাদু-কলাৰ পৃষ্ঠ ভূমি মায়ং। কেৱল তন্ত্ৰ-মন্ত্ৰ, যাদু কলাৰ বাবেই সুদূৰ অতীতৰে পৰা এই ভূখণ্ডই বিশ্ব সংহিতাত 'ভয়ংকৰ দেশ' এই বিশেষণেৰে বিভূষিত হৈ আহিছে। এনেকি মায়ং এই নামটিৰ উৎপত্তি সম্পৰ্কে প্ৰত্নতাত্বিক ৰাজমোহন নাথ দেৰে দি যোৱা ঐতিহাসিক মন্তব্যত এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। তেওঁ উল্লেখ কৰিছে, "Ramapala, the king of Bengala, took advantage of this fifth columunists and a weak moment of the king of Kamarupa when after Dharmapala had renouned the world and Jayapala came to the throne, he sent his general Mayan with a strong army to invade Kamarupa. Poor Jayapala is easily outsted and Mayan established a town at Kajali-Mukh east of Guahati and named it Mayangarh which was placed by his Buddhist Tantric emmissaries. The place is now called Mayang and still looked upon by the Assamese people with a disdainful awe as a centre of denderous witch craft." কিন্তু তন্ত্ৰ-মন্ত্ৰ বা যাদু-কলাই মায়ঙৰ একমাত্ৰ পৰিচয় নে? মায়ঙৰ ঐতিহ্য সম্পৰ্কে অসম বুৰঞ্জী একপ্ৰকাৰ নিমাত বুলি ক'লে অত্যুক্তি কৰা নহ'ব। কাচিৎ কেতিয়াবা চেগা-চোৰোগাকৈ দুই এখন বুৰঞ্জীত উল্লেখ থাকিলেও সি মায়ঙৰ অতীত ঐতিহ্য, সভ্যতা-সংস্কৃতি, ৰাজনৈতিক প্ৰেক্ষাপটক উত্তৰ পুৰুষৰ হাতত দাঙি ধৰিবলৈ সক্ষম নহয়। সেয়ে মায়ঙৰ ঐতিহ্য সম্পৰ্কে বিচাৰ কৰিবলৈ গ'লেই আশ্ৰয় ল'ব লগাত পৰে কিংবদন্তি, ৰূপকথা, লোক-কথা, লোক-গীত, ফকৰা-যোজনা, সাধুকথা আদিৰ লগতে মায়ং ৰাজবংশাৱলীৰ। ইয়াৰ বাহিৰেও কিছু কথা কয় ইয়াৰ চাৰিওফালে সিঁচৰতি হৈ থকা পোৰা মাটিৰ ভাস্কৰ্য, শৈল ভাস্কৰ্য, শিলালিপি, স্থাপত্য (গুহা-গহ্বৰ), প্ৰাচীন যন্ত্ৰ (প্ৰতীক) সমূহৰ লগতে স্থানীয়ভাৱে পালন পূজন কৰি অহা পুত স্থান সমূহৰ অৱস্থিতি আৰু স্থানীয় গাঁও-চুবুৰী, লোকস্থান সমূহৰ নামৰ লগত জৰিত হৈ থকা লোককথা সমূহে। এই সমূহৰ পৰা এটা কথা প্ৰতীয়মান হয় যে, মায়ং যিহেতু অতীতৰ কামপীঠৰ অন্তৰ্গত সেয়ে এই ভূ-খণ্ডত শাক্ত আৰু

শৈৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰচলন আছিল। ইয়াৰ লগে লগে গণপত্য পূজা পদ্ধতিয়েও যে বিস্তাৰ লভিছিল ইয়াৰ চাৰিওফালে সিঁচৰতি হৈ থকা গণদেবতাৰ শৈল মূৰ্তি সমূহৰ অৱস্থানে সেই কথাৰ স্বাক্ষৰ বহন কৰে।

মায়ং ভূ-খণ্ড পূৰ্বে কি নামেৰে পৰিচিত আছিল কোন জনপদে ইয়াৰ প্ৰাচীন সভ্যতাৰ ভেটিটো নিৰ্মাণ কৰিছিল সেই সম্পৰ্কে কোনো লিখিত ইতিহাস পোৱা নাযায় যদিও ইয়াৰ চাৰিওফালে সিঁচৰতি হৈ থকা স্থাপত্য-ভাস্কৰ্যৰাজি তথা প্ৰচলিত লোকবিশ্বাস, পৰম্পৰাগতভাৱে পালিত হৈ অহা পুতস্থান সমূহৰ অৱস্থানৰ পৰা অনুমান কৰিব পাৰি যে এই ৰাজ্যৰ প্ৰাচীন সভ্যতাক গঢ় দিছিল মংগোলয়ড জনগোষ্ঠীৰ কোনো এটি শাখাই। মায়ং ৰাজবংশাৱলীমতে 'মায়ং' এই নাম পায় ১৬ শতিকাৰ পৰাহে। ৰাজবংশাৱলীয়ে দাবি কৰা অনুযায়ী ১৫৪৬ শকত শূইনত্ব সিংহই ৰাজপাট গ্ৰহণ কৰাৰ পিচৰ পৰাহে 'মায়ং' নামৰ উৎপত্তি হয়। মায়ং ৰাজবংশৱলীত উল্লেখ থকা মতে কছাৰী ৰজা ডেটচুং বা শত্ৰু দমনৰ ৬ ষ্ঠ তথা কণিষ্ঠ ভাতৃ শূইনত্ব সিংহই গৃহকন্দলত অতীষ্ঠ হৈ কেইজনমান বিশ্বস্ত অনুচৰ সহ কছাৰী ৰাজ্যৰ ৰাজধানী মাইবং ত্যাগ কৰি প্ৰথমে খাগৰিজান(নগাঁও)ত কিছুদিন থাকি তাৰ পৰা এই ভূখণ্ড পায়হি। কিছুদিন থকাৰ পিচত অপুত্ৰক জয়সিংহৰ কন্যা ফুলেশ্বৰীক বিয়া কৰাই জয়সিংহৰ পোষ্যপুত্ৰ ৰূপে এই ৰাজ্যৰ ৰাজপাটত অধিষ্ঠিত হয়। ৰাজকুমাৰ শূইনত্ব সিংহ মাইবঙৰ পৰা অহা কাৰণেই মাইবং শকৰ অপভ্ৰংশ ৰূপ মায়ং হয়। আনহাতে প্ৰত্নতাত্বিক ৰাজমোহন নাথে দাঙি ধৰাৰ দৰে ধৰ্মপালৰ সেনাপতি মায়নে বৌদ্ধ তান্ত্ৰিকৰ দ্বাৰা গোপনে এই ৰাজ্যখন প্ৰতিষ্ঠা কৰা হেতু 'মায়ন'নামৰ পৰা মায়ং নাম হোৱা তত্বৰো ঐতিহাসিক সত্যতাক নুই কৰিব নোৱাৰি। ইয়াৰ উপৰিও মায়ং নামৰ উৎপত্তি সম্পৰ্কে আন আন মতবাদকো পোৱা যায়। যথা মায়া (লীলা) শব্দৰ পৰা মায়ং নাম হয় বুলি সনাতনপন্থীসকলে অভিমত প্ৰকাশ কৰে। তেওঁলোকে বিশ্বাস কৰে যে, বুঢ়ামায়ঙৰ বৰঘাটৰ ওপৰত (মায়ং পাহাৰত) সতীদেৱীৰ জানু অংগ পতিত হৈছিল। সেয়ে এই ভূখণ্ড দেৱীৰ অতিকে প্ৰিয়। প্ৰতি বছৰৰ ৬ ব'হাগৰ দিনা দেৱীয়ে ইয়ালৈ লীলা বা মায়া কৰিবলৈ আহে। সেইদিনা উক্ত স্থানত তেত্ৰিশকোটি দেৱতাৰ মিলন ঘটে। মায়ঙৰ পঞ্চগোসাঁইকো সেইদিনা উক্ত স্থানলৈ নিয়াৰ পৰম্পৰা আজিও অব্যাহত আছে। দেৱী দেহৰ অংগ পৰাৰ বাবেই মাৰ অংগৰ পৰা কোমল ৰূপত 'মায়ং' হয়। তিৱা জনগোষ্ঠীৰ বিশ্বাসমতে 'মিয়ং' শব্দৰ পৰা মায়ং হয়। মিয়ুং মানে হাতী। অতীততে ইয়াত বহুত বনৰীয়া হাতী আছিল। এনেকি স্বৰ্গদেৱ প্ৰতাপ সিংহক মায়ং ৰজা শৰশ্চ চন্দ্ৰ সিংহই বনৰীয়া হাতী ধৰি উপহাৰ দিয়াৰ ৰোমাঞ্চকৰ কাহিনীও পোৱা যায়। যাৰ হাতী ধৰিবলৈ গড় মৰাৰ কাৰণেই হাতীগড় নাম আজিও বৰ্তমান। গতিকে মিয়ং শব্দৰ পৰাই মায়ং হয় বুলি তেওঁলোকে বিশ্বাস কৰে। একেদৰে কছাৰী ভাষাৰ 'মাইবং' শব্দৰ পৰা মায়ং হয় বুলিও প্ৰবাদ আছে। ইয়াৰ অৰ্থ ধান-চাউল। উৰ্বৰা মাটি হোৱাৰ বাবে ইয়াত প্ৰচুৰ ধানৰ উৎপাদন হয়। গতিকে প্ৰচুৰ ধান উৎপন্ন হোৱা হেতু মায়ং নাম হয়। ভাষাতাত্বিক দিশেৰে বিচাৰ কৰিলে 'মায়ং' শব্দই মণিপুৰী মৈতেয়ী ভাষাত বাহিৰৰ পৰা অহা লোক (immigrant)। এই ৰাজ্যৰ আদি পুৰুষ শূইনত্ব সিংহ মাইবঙৰ পৰা অহা মানে বাহিৰৰ পৰা অহা লোক হোৱাৰ বাবে তেওঁলোকে বাস কৰা ঠাইখণ্ডই মায়ং নাম পায়। আন এক প্ৰবাদ মতে আকৌ আৰিমত্তৰ পুত্ৰ মায়ামত্তই কোনো ৰাজদ্ৰোহত দ্ৰোহিতহৈ নিজ ৰাজ্যৰ পৰা বহিষ্কৃত হৈ এই ভূখণ্ডলৈ আহি বাংঠে ভেটিত কিছু দিন থকাৰ পিচত নিজকে ৰজা বুলি ঘোষণা কৰে। গতিকে মায়ামত্তই প্ৰতিষ্ঠা কৰা বাবেই মায়ং নাম হোৱা বুলিও জনপ্ৰবাদে দাবি কৰে। এই ক্ষেত্ৰত ৰাজবংশাৱলীয়ে দিয়া অভিমতটোকেই সৰহ সংখ্যক লোকে বিশ্বাস কৰে।

শূইনত্ব সিংহকেই মায়ং ৰাজ্যৰ আদি পুৰুষ বুলি ৰাজবংশাৱলীয়ে দাবি কৰিলেও কিংবদন্তিয়ে মায়ামত্তৰ পৰা মায়ং হোৱা বুলিহে কয়। ই ক্ষেত্ৰত মনকৰিবলগীয়া যে শূইনত্ব সিংহই অপুত্ৰক জয়সিংহৰ কন্যা ফুলেশ্বৰীক বিয়া কৰাই এই ৰাজ্যৰ ৰাজসিংহাসনত অভিষিক্ত হয়। গতিকে ভাবিবলৈ স্থল আছে যে এইজনা অপুত্ৰক জয়সিংহই মায়ামত্তৰ বংশধৰ আছিল। যুক্তিৰ খাতিৰত ক'ব পাৰি যে, মায়ং ৰাজবংশই যোৱা দশক মানৰ পূৰ্বলৈকে আৰিমাছ নাখাইছিল, আৰিমত্তৰ বংশধৰ বুলি।

সি যি কি নহওক, যি আদিম অধিবাসীয়েই ইয়াৰ সভ্যতাক গঢ় নিদি অথবা ইয়াৰ আদিম পৰিচয় যিয়েই নাথাকক লাগিলে বৰ্তমান এই ভূখণ্ডই মায়ং নামেৰে নিজৰ পৰিচয় দি আহিছে। গৌৰৱৰ বিষয় যে আজিৰ এই একবিংশ শতিকাৰ গণতান্ত্ৰিক যুগতো মায়ঙে অতীতৰ ৰাজকীয় প্ৰথাৰ পৰম্পৰাক স-সন্মানে ৰক্ষা কৰি আছে। আজিও মায়ঙত পৰম্পৰাক বহন কৰা ৰজা আছে আৰু ডিমাছা কছাৰী বংশৰ (বৰ্তমানকোচ) যোগ্য উত্তৰাধিকাৰী ৪০ তম ৰজা তৰণী কান্ত সিংহই ৰাজপাট

অলংকৃত কৰি ৰাখিছে।

আদিৰজা শূইনত সিংহ আৰু ৰাণী ফুলেশ্বৰীৰ তিনি পুত্ৰ ক্ৰমে মুহিং সিংহ, মণিৰাম সিংহ আৰু শৰশ্চ চন্দ্ৰ সিংহ। পিতৃৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰী সূত্ৰে মুহিং সিংহই ৰাজপাট গ্ৰহণ কৰে যদিও অকৰ্মণ্যতাৰ দোষত বাংঠে, ৰাজবিষয়া বৰ্গই তেওঁক ৰজা ভাঙি মণিৰাম সিংহক ৰজা পাতে। কিয়নো উপৰি পুৰুষ ডিমাছা কছাৰীবংশৰ ৰীতি অনুযায়ী পুত্ৰ-পৌত্ৰাদিক্ৰমে ৰজা নহৈ যোগ্যতা অনুযায়ী বংশৰ ভাতৃ-ভ্ৰাতাদিয়েও ৰাজপাট গ্ৰহণ কৰিব পাৰে। শূইনত্ব সিংহ ৰজাৰ তিনিপুত্ৰৰ পৰাই পৰৱৰ্তী কালত ৰাজ বংশটো তিনিটা ফৈদত বিভক্ত হয়। মুহিং সিংহৰ চাৰি পুত্ৰৰ পৰা চাৰি ভাগী, মণিৰাম সিংহৰ ন-জন পুত্ৰৰ পৰা নভাগী আৰু শৰশ্চ চন্দ্ৰ সিংহৰ চৈধ্যজন পুত্ৰৰ পৰা চৈধ্যভাগী ৰূপে তিনি বংশৰ উৎপত্তি হয়।

প্ৰাচীন মায়ং ৰাজ্যৰ দশমজন ৰজা আছিল শৰশ্চ চন্দ্ৰ সিংহ। তেওঁ ৬২ বছৰ বয়সত (১৫৯৫ শকৰ পৰা ১৬২৫ শকলৈ) ৰাজপাট গ্ৰহণ কৰে। মায়ং ৰাজ্যৰ ইতিহাসত এইজনা ৰজায়েই সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ৰজাৰূপে পৰিগণিত হয়। তেওঁ অতি বিদ্যুৎসাহী, প্ৰজাৰক্ষক, দূৰদৰ্শী আৰু প্ৰতাপী পুৰুষ আছিল। মুহিং সিংহৰ ৰাজত্ব কালতেই দুজন ডেকা ৰজা পদৰ সৃষ্টি হয় আৰু শৰশ্চ চন্দ্ৰ সিংহৰ ৰাজত্ব কালত তেওঁৰেই বৰপুত্ৰ প্ৰেম চন্দ্ৰ সিংহক সৰুৰজা পাতি নিজে বৰৰজা হৈ ৰাজকাৰ্য পৰিচালনা কৰি থাকে। ৰাজপাট গ্ৰহণ কৰিয়েই শৰশ্চ চন্দ্ৰ সিংহই সৰু ৰজা প্ৰেমচন্দ্ৰ সিংহ আৰু কেইজনমান বিশ্বস্ত বিষয়াক লগত লৈ তীৰ্থ ভ্ৰমণলৈ যায়। উভটি অহাৰ পথত তেওঁলোকে নৱদ্বীপৰ পৰা গোপাল, বাসুদেৱ বংশীগোপাল আদি কৰি দহজনা গোসাঁই মূৰ্তি আনি ৰাজদৰবাৰক আমন্ত্ৰণ জনালে। দৰবাৰৰ সিদ্ধান্ত অনুযায়ী প্ৰতিবছৰে চতুৰ্থ বহাগৰ পৰা ষষ্ঠ বহাগলৈ গোসাঁই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱ ৰূপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুযায়ী ৩৪৯ বছৰ ধৰি মায়ঙীয়া ৰাইজে ৰাজ পৃষ্ঠপোষকতাত এই উৎসৱটি উলহ-মালহেৰে পালন কৰি আহিছে কোনো বছৰে পতিত নপৰাকৈ।

ৰজা শৰশ্চ চন্দ্ৰ সিংহৰ ৰাজত্ব কালতে ৰাজবংশৰ তিনিওটা (পূৰ্বে উল্লেখ কৰা) ফৈদে আলোচনা মৰ্মে পূৰ্বৰ কছাৰী ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰে আৰু বৈষ্ণৱ গুৰুৰ ওচৰত শৰণ-ভজন লৈ কোচ হয়। প্ৰতিটো ফৈদে নিজা সুবিধা অনুযায়ী পৃথকে পৃথকে সত্ৰত শৰণ লয়। মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত আৰু প্ৰচাৰিত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে মায়ং ৰাজ্য তথা ৰাজবংশকো প্লাৱিত নকৰাকৈ নাথাকিল।

এইজনা ৰজাৰ ৰাজত্ব কালতেই ৰাজ্যৰ সীমা নিৰ্ধাৰিত হয়। ইয়াৰ পূৰ্বলৈকে ৰাজ্যসমূহৰ তেনে কোনো নিৰ্দিষ্ট সীমা নাছিল। উল্লেখ্য যে আহোমসকল আহি 'সাতৰজা মাৰি এক ৰাজ কৰা'ৰ পূৰ্বলৈকে ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত কছাৰী, বড়ো, ৰাভা, হীৰা, চুতীয়া, কোচ, ভূঞা সকলে একোখন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত ৰাজত্ব কৰিছিল। এই ৰাজ্য সমূহৰ নিৰ্দিষ্ট কোনো সীমা নাছিল। ৮/১০ খন গাঁও মিলিও একোখন ৰাজ্য হৈছিল। স্বাভাবিকতে সমাজৰ মুৰব্বীজনেই ৰজা হৈছিল। তেনে কেইবাখনো ক্ষুদ্ৰ ৰাজ্য মিলিত একোখন ডাঙৰ ৰাজ্য হৈছিল আৰু অধিক ক্ষমতাশালী ৰজাজনেই ক্ষুদ্ৰ ৰাজ্যসমূহক লৈ এখন বৃহৎ ৰাজ্য গঢ়ি তুলিছিল। মায়ঙো তেনে এখন ডাঙৰ ৰাজ্য আছিল। কাজলি, মালয়বাৰী, মনহা, ৰজাকুছি, পাভকাটি, ঘগুৱা, বহা আদি কেইবাখনো ক্ষুদ্ৰ ৰাজ্য মিলি মায়ং ৰাজ্যখন গঢ় লৈ উঠিছিল। এনেকি মৰিগাঁৱৰ সাতো ৰজা পাঁচো ৰজাও মায়ং ৰজা বলি নাৰায়ণ সিংহই (১৭১১-১৭১৮ শক) স্থাপন কৰাৰ কথা মায়ং ৰাজবংশাবলীত উল্লেখ পোৱা যয় (দ্ৰষ্টব্য ঃ মায়ঙৰ ইতিহাস ৭৯-৮০ পৃঃ লোকেন্দ্ৰ হাজৰিকা)। মায়ং ৰাজ্যৰো তেনে কোনো নিৰ্দিষ্ট সীমা নাছিল। ফলত চুবুৰীয়া ডিমৰুৱা ৰজা প্ৰভাকৰ সিংহই মায়ং ৰাজ্যৰ মধ্যত (বৰ্তমান পবিতৰা বনাঞ্চলিক কাৰ্যালয়ৰ ওচৰত) যুগল মূৰ্তি সম্বলিত শিলৰ খুটি মাৰি ডিমৰুৱাৰ সীমা বুলি ঘোষনা কৰি থৈ গ'ল। প্ৰভাকৰ সিংহৰ এনে প্ৰতাপত শৰশ্চ চন্দ্ৰ সিংহ বাৰুকৈয়ে অসন্তুষ্ট হ'ল। সেয়ে ফাগুন মাহত যেতিয়া প্ৰভাকৰ সিংহই সৈন্য সামন্তৰে গৈ উক্ত স্থানত দৌল উৎসৱ পালনৰ যো জা কৰিলে, তেতিয়া বৰ ৰজাৰ নিৰ্দেশত সৰু ৰজা প্ৰেমচন্দ্ৰ সিংহৰ নেতৃত্বত এটা দলে গৈ প্ৰভাকৰ সিংহক ৰণ কৰি খেদি কলংপাৰ কৰি পঠিয়ালে। তাৰ পিচত মায়ঙৰ চাৰিওদিশে ওখ টিপ মাৰি ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰে।

আহোম স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্ব কালত (১৬০৩-১৬৪২ খৃঃ) মধ্য অসমত তিনিটা চকী স্থাপন কৰিছিল— ৰহা, জাগী আৰু কাজলি চকী। ১৫২৭ শক (১৬০৫ খৃঃ)ত কাজলি চকী স্থাপন কৰি ইয়াৰ গুৰুত্ব উপলব্ধি কৰি বৰগোঁহাঞি আৰু বুঢ়াগোঁহাঞিৰ পক্ষৰ দুজনকৈ কাজলি খোৱা গোঁহাঞি নিয়োগ কৰিছিল। তাৰোপৰি ব্ৰহ্মপুত্ৰৰ পৰা হ'ব পৰা মোগলৰ আক্ৰমণৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিবলৈ মায়ং পাহাৰৰ ওপৰত এটা প্ৰকাণ্ড চোৰাংচোৱা সৈন্য থকা গুহাও নিৰ্মাণ কৰাই দিছিল। এই গুহাৰ পৰা ব্ৰহ্মপুত্ৰ আৰু কলং নৈৰ পাৰত গড় বন্ধাই দিছিল। এই কাজলি পাহাৰৰ চূড়াত বহিয়েই লাচিত বৰফুকন আৰু আতন

বুঢ়াগোহাঞিয়ে শৰাইঘাটৰ ৰণৰ ৰণ কৌশল ৰচনা কৰিছিল। কাজলি খোৱা গোহাঞিয়ে ১০০০ পাইক পাইছিল স্বৰ্গদেৱৰ পৰা।

অসমৰ অন্যতম বীৰ কিংবদন্তিৰ নায়ক জোঙাল বলহুৰ মৃত্যু স্থান আছিল মায়ঙৰ কাজলি চকী। কলঙৰ বুকুত জোঙাল বলহুৱে জিৰণি লোৱা শিলাখণ্ড, গৰুবন্ধা আৰু ধামখুন্দাত থকা শিলৰ ডেটা (ডিঙৰী পতা) ই এই কথাৰ সত্যতাক উনুকিয়াই আছে। একেদৰে ভাৰতৰ স্বাধীনতা আন্দোলনতো মায়ং অঞ্চলৰ ভূমিকাও লেখত লবলগীয়া। মায়ঙৰ মহদানন্দ দেৱগোস্বামীৰ নেতৃত্বত লয়ৰাম মেধিকে ধৰি এটা দলে মায়ঙৰ পৰা গৈ পাণবাৰীত বৃটিছ সেনা বাহিনীৰ ৰে'ল বগৰাই কাললৈ খিতাপ ৰাখি থৈ গ'ল। ইয়াৰ বাহিৰেও যদি আমি পিচলৈ উভটি চাওঁ, দেখিবলৈ পোৱা যায় যে প্ৰাগ্ঐতিহাসিক কালৰে পৰা মায়ং এই ভূখণ্ড যে প্ৰখ্যাত আছিল সেই কথাৰ স্বাক্ষৰ বহন কৰে, ইয়াৰ চাৰিওফালে সিঁচৰতি হৈ থকা স্থাপত্য-ভাস্কৰ্যৰাজি তথা পৰম্পৰাগতভাৱে পালন-পূজন কৰি অহা থান মোকাম সমূহে। এছিয়াৰ ভিতৰতেই আটাইতকৈ দীঘল শিলালিপি বুঢ়ামায়ঙত অৱস্থিত (লোকেন্দ্ৰ হাজৰিকাৰ দ্বাৰা উদ্ধাৰ কৰা), কাছশিলা পাহাৰত থকা তীব্ৰতীয় তান্ত্ৰিক শিলালিপি (লোকেন্দ্ৰ হাজৰিকাই উদ্ধাৰ কৰা) দুখণ্ডৰ পাঠোদ্ধাৰ হ'লে আৰু বহু প্ৰাচীন সভ্যতা পোহৰলৈ আহিব। ঘৰে ঘৰে সঞ্চিত হৈ থকা সাঁচিপাত, তুলাপাত, কাগজ পাত আদিত লিখা তন্ত্ৰ-মন্ত্ৰৰ পুথিসমূহ, মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ সংগৃহীত সাঁচিপাতৰ পুথিকে আদি কৰি বিভিন্ন সামগ্ৰীসমূহৰ সঠিক মূল্যায়ণ আৰু উপস্থাপনৰ ব্যৱস্থা কৰিব পাৰিলেও এই সমূহে মায়ঙৰ লগতে অসমৰ ঐতিহ্য, সাহিত্য-সংস্কৃতি আদি সম্পৰ্কে বহু দিশ পোহৰলৈ আহিব। সুদূৰ অতীতৰে পৰা ইয়াৰ জনগোষ্ঠীৰ গাঁঠনি, আৰ্থসামাজিক দিশ, কৃষিপদ্ধতি, কৃষিৰ সঁজুলি, পৰিৱেশ্য কলা, সাংস্কৃতিক উপাদান এই সমূহো একো একোটা গৱেষণাৰ বিষয় হৈ আছে। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য, পৰ্যটনৰ বিপুল সম্ভাৱনা থকা মায়ঙৰ যদিহে চৰকাৰ বা আন সংগঠনে পৰ্যটন ক্ষেত্ৰ ৰূপে গঢ়ি তুলিব পাৰে তেন্তে ইয়াত এটা পৰ্যটন উদ্যোগে গা কৰি উঠাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত আমি আশাবাদী। ◆◆

# ঐতিহাসিক পটভূমিত কাজলি চকী

লোকেন্দ্ৰ হাজৰিকা
লোক গৱেষক, মায়ং

অসমৰ ইতিহাসত কাজলি চকীৰ ভূমিকা অলেখ। এক কথাত কাজলি চকীৰ বিষয়ে আলোচনা নকৰিলে যেন অসমৰ ইতিহাসেই অসম্পূৰ্ণ হৈ ৰ'ব। গুৱাহাটী মহানগৰীৰ পূৱত আৰু মৰিগাঁৱৰ একেবাৰে পশ্চিম প্ৰান্তত এফালে মহাবাহু ব্ৰহ্মপুত্ৰ আৰু আনফালে কলং-কপিলী আৰু ডিগাৰুৰ সন্মিলিত ত্ৰিধাৰা জলৰাশিয়ে অৰ্দ্ধাকৃতিৰ জোনটিৰ আকাৰ লৈ পাহাৰ-পৰ্বতে আবৰি ৰখা ভূ-খণ্ডৰ নামেই হ'ল কাজলি চকী, য'ত এই ত্ৰিধাৰা জলৰাশিয়ে আশ্ৰয় লৈছেহি ত্ৰিবেণী সংগম হৈ মহাবাহুৰ বিশাল বুকুত। প্ৰাচীন মায়ং ৰাজ্যৰ সীমান্তত সীমান্ত প্ৰহৰীৰ ভূমিকা পালন কৰি থকা কাজলি চকীৰ আছে বহু লিখিত-অলিখিত বৰ্ণিল ইতিহাস। এই কথাৰ স্বাক্ষৰ বহন কৰে ইয়াৰ চাৰিওফালে সিঁচৰতি হৈ থকা প্ৰত্নতাত্ত্বিক সমলসমূহে আৰু পৰম্পৰা গতিত চলি অহা লোককথা সমূহে। লগতে সুদূৰ অতীতৰে পৰা পালন কৰি অহা থান-মোকাম, মঠ-মন্দিৰ আদিৰ অৱস্থিতিয়েও বহু কথা কয়।

কাজলি চকীত প্ৰাপ্ত প্ৰত্নতাত্ত্বিক সমলসমূহৰ ভিতৰত নৰসিংহ মন্দিৰৰ ভগ্নাৱশেষ (বৰ্তমান চন্দ্ৰপুৰ তাপবিদ্যুৎ প্ৰকল্পৰ কাষত), কাজলি ঘাটত প্ৰাপ্ত অষ্ট দল পদ্ম, গোবৰ্দ্ধনৰ শ্ৰীগণেশ মূৰ্তি আদিয়ে প্ৰায় ৮ম-৯ম শতিকাৰ কথা মনত পেলাই দিয়ে। কিয়নো এই ভগ্নাৱশেষমূহৰ নিৰ্মাণৰ কৌশল আৰু সময় প্ৰায় ৮ম-৯ম শতিকাৰ বুলি অনুমান কৰিব পাৰি। এইসমূহৰ অৱস্থিতিয়ে ৮ম-৯ম শতিকাত যে এই অঞ্চলত বৌদ্ধ তন্ত্ৰ আৰু শাক্ত তন্ত্ৰৰ বহুল প্ৰচাৰ আছিল সেই কথাকেই সূচায়। নৰসিংহ মন্দিৰৰ ভগ্নাৱশেষসমূহৰ অৱস্থিতিয়ে প্ৰমাণ দাঙি ধৰিব বিচাৰে যে ইয়াত সেই সময়ত এটা প্ৰকাণ্ড মন্দিৰ আছিল আৰু এই মন্দিৰত বিষ্ণুৰ অন্যতম অৱতাৰ নৰসিংহদেৱৰ বহুল পূজা-অৰ্চনা হৈছিল। কালক্ৰমত এই মন্দিৰটো কোনো কাৰণবশতঃ ধ্বংসপ্ৰাপ্ত হয়। প্ৰবাদমতে ঊনবিংশ শতিকাত চূণচালি, চন্দ্ৰপুৰ অঞ্চলত চাহপাতৰ খেতি কৰিবলৈ অহা এগৰাকী চাহ বাগিচাৰ মালিকে মন্দিৰৰ ভগ্নাৱশেষসমূহ কলং পাৰ কৰি লৈ যায়। কিন্তু বৰ্তমান যি ঠাইত আছে সেই ঠাইখিনি পোৱাৰ পিছত কোনো অদৃশ্য শক্তিৰ প্ৰভাৱত আৰু লৰাব নোৱাৰা হৈ পৰাত উক্ত স্থানতেই স্থাপন কৰিবলৈ বাধ্য হৈ পৰিল। তাৰ কিছুদিনৰ পিছতে বাগিচাৰ গৰাকীজনৰ মৃত্যু হ'ল। স্থানীয় বৰ্ষীয়ান লোকৰ পৰা জানিব পৰামতে উক্ত গৰাকীজনৰ গোটেই বংশটোৱেই

*নৰসিংহ মন্দিৰৰ ভগ্নাৱশেষসমূহৰ অৱস্থিতিয়ে প্ৰমাণ দাঙি ধৰিব বিচাৰে যে ইয়াত সেই সময়ত এটা প্ৰকাণ্ড মন্দিৰ আছিল আৰু এই মন্দিৰত বিষ্ণুৰ অন্যতম অৱতাৰ নৰসিংহদেৱৰ বহুল পূজা-অৰ্চনা হৈছিল। কালক্ৰমত এই মন্দিৰটো কোনো কাৰণবশতঃ ধ্বংসপ্ৰাপ্ত হয়। প্ৰবাদমতে ঊনবিংশ শতিকাত চূণচালি, চন্দ্ৰপুৰ অঞ্চলত চাহপাতৰ খেতি কৰিবলৈ অহা এগৰাকী চাহ বাগিচাৰ মালিকে মন্দিৰৰ ভগ্নাৱশেষসমূহ কলং পাৰ কৰি লৈ যায়। কিন্তু বৰ্তমান যি ঠাইত আছে সেই ঠাইখিনি পোৱাৰ পিছত কোনো অদৃশ্য শক্তিৰ প্ৰভাৱত আৰু লৰাব নোৱাৰা হৈ পৰাত উক্ত স্থানতেই স্থাপন কৰিবলৈ বাধ্য হৈ পৰিল।*

> "মোগলৰ সোতৰবাৰ অসম আক্ৰমণৰ প্ৰায় তেৰবাৰৰ লগতেই প্ৰত্যক্ষভাৱেই হওক নাইবা পৰোক্ষভাৱেই হওক কাজলি চকী জড়িত হৈ আছিল। অসমৰ দুৱাৰমুখ (Gate way of Assam) গুৱাহাটী যেতিয়াই ৰণত পৰে তেতিয়াই কাজলি চকী হৈ পৰে অসমৰ দুৱাৰমুখস্বৰূপ। ইয়াক মোগলে বুলিছিল থানা আৰু আহোমে বুলিছল চকী। নামনি অসমত আহোম স্বৰ্গদেউ চুচেংফা বা প্ৰতাপ সিংহই (১৬০৩-১৬৪০ খ্ৰীঃ) তিনিটা প্ৰধান স্থান নিৰ্বাচন কৰি লৈছিল আৰু উক্ত তিনিস্থানত তিনিটা চকী স্থাপন কৰিছিল। সেইকেইটা হ'ল ক্ৰমে ৰহা, জাগী আৰু কাজলি চকী।"

নাশ হয়। এই ভগ্নাৱশেষসমূহত সৰু সৰু গাঁত আছে আৰু তাত লোৰ টুকুৰা সোমাই আছে। এক শিলাখণ্ড উৰন্ত অশ্বসদৃশ। এইসমূহ মন্দিৰৰ ভগ্নাৱশেষ তথা কোনো পাৰিষদৰ প্ৰতীক বুলি অনুমান কৰিব পৰা যায়। এই নৰসিংহ থানক লৈ স্থানীয় ৰাইজৰ মাজত বহু কিংবদন্তি আজিও প্ৰচলিত হৈ আছে। নৰসিংহ থানৰ কাষতেই (কলং-কপিলী আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলীত) বিষ্ণু মন্দিৰ অৱস্থিত। এই বিষ্ণু মন্দিৰটো অৰ্বাচীন। স্থানীয় লোকসমাজৰ পৰা পোৱা তথ্য অনুযায়ী আধ্যাত্মিক তথা অলৌকিক গুণসমৃদ্ধ সাধু বাবা নামৰ সন্যাসী এজনে এই মন্দিৰটো স্থাপন কৰিছিল। বৰ্তমানো স্থানীয় লোকসমাজে গভীৰ আস্থা আৰু প্ৰত্যয়েৰে ইয়াত নাম-প্ৰসংগ, বাৰ্ষিক এক নাম আদি পালন কৰি থকাটো লক্ষণীয় বিষয়।

কাজলিৰ নিকটৱৰ্তী গোবৰ্দ্ধন পাহাৰৰ নামনিত শ্ৰীগণেশ মন্দিৰ তথা গণেশ মূৰ্তিটোৰ নিৰ্মাণৰ সময় আনুমানিক ৮ম-৯ম শতিকা। ইয়াত দ্বিভূজী গণেশ মূৰ্তি (শিলৰ) আছে। বাৰ্ষিক সেৱা-পূজা আজিও অব্যাহত। কাজলিৰ নিকটৱৰ্তী ঘোঁৰামাৰা জান-পাৰৰ লগত স্থানীয় লোকৰ বহু অলৌকিক বিশ্বাস জড়িত হৈ আছে। কাজলি চকী প্ৰাচীন কামৰূপৰ চাৰি পীঠৰ অন্যতম কামপীঠৰ অন্তৰ্গত। কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, হৰগৌৰী সংবাদ আদি কামৰূপত ৰচিত প্ৰাচীন কাব্যসমূহত এই সম্পৰ্কে উল্লেখ আছে। হৰগৌৰী সংবাদ কাব্যত কামপীঠৰ চাৰিসীমাৰ বিষয়েও উল্লেখ পোৱা যায়। কামাখ্যা পীঠৰ ১০০ যোজনকৈ চাৰিওফালে (পূব, পশ্চিম, উত্তৰ, দক্ষিণ দিশে) কামাখ্যা পীঠ বিস্তৃত। মায়ং তথা মায়ঙৰ অন্তৰ্গত কাজলিমুখো প্ৰাচীন কামপীঠৰ অন্তৰ্গত। অসম বা প্ৰাচীন কামৰূপ আছিল তন্ত্ৰ-মন্ত্ৰৰ পৃষ্ঠভূমি। কামাখ্যাপীঠ (নীলাচলস্থিত) মূল কেন্দ্ৰ। ৮ম-৯ম শতিকাত কামৰূপৰ এই কামাখ্যাপীঠক কেন্দ্ৰ কৰিয়েই সবাতোকৈ অধিক তন্ত্ৰ-মন্ত্ৰ ৰচিত হৈছিল। এই সময়ত হিন্দু তন্ত্ৰ আৰু বৌদ্ধ তন্ত্ৰৰ সাধকসকলৰ কামাখ্যাপীঠলৈ তন্ত্ৰ সাধনাৰ অৰ্থে আগমন ঘটিছিল। তেওঁলোকে কামপীঠক কেন্দ্ৰ কৰি ইয়াৰ চাৰিওফালে সিঁচৰতি হৈ পৰিছিল সাধনাৰ বাবে উপযুক্ত আৰু গোপন ঠাই বিচাৰি। মায়ং আছিল এই সাধকসকলৰ বাবে অতি উপযুক্ত স্থান। সেয়ে সাধকসকলে পাহাৰ-পৰ্বত, গুহা-গহ্বৰ আদিৰ দৰে একো একোটুকুৰা উপযুক্ত ঠাই নিৰ্বাচন কৰি লৈ তাতেই শিলাখণ্ড বা তেনে অন্য কোনো ঠাইত দেৱীৰ কোনো প্ৰতীকচিহ্ন অংকণ কৰি লৈ মন্ত্ৰ শব্দৰ দ্বাৰা উক্ত প্ৰতীকত দেৱীৰ প্ৰাণ প্ৰতিষ্ঠা কৰি লৈ গভীৰ তন্ত্ৰ সাধনাত নিমগ্ন হৈ পৰিছিল। কালিকা পুৰাণতো উল্লেখ আছে 'অনত্ৰা বিৰলা দেৱী, কামৰূপে গৃহে গৃহে।' কামৰূপৰ সৰ্বস্থানতেই দেৱী বিদ্যমান। এই প্ৰতীকচিহ্নসমূহ আছিল মুখ্যতঃ বৌদ্ধ তন্ত্ৰৰ লোকসকলৰ বাবে অষ্টদল পদ্ম, অষ্টভূজী যন্ত্ৰ, ত্ৰিকোণ, বৃত্ত, অৰ্দ্ধবৃত্ত, দেৱীৰ মূৰ্তি, যোনিপীঠ, শিৱলিংগ আদি। প্ৰাচীন মায়ং ৰাজ্যৰ অন্তৰ্গত কাজলিমুখত প্ৰাপ্ত অষ্টদল পদ্ম, নিকটৱৰ্তী চনকাত থকা অষ্টভূজী যন্ত্ৰ, সূৰ্যচক্ৰ, নৰসিংহ থানত থকা ভগ্নাৱশেষ আদিয়েও কাজলিমুখ যে এসময়ত হিন্দুতন্ত্ৰ আৰু বৌদ্ধতন্ত্ৰৰ সাধনাৰ স্থান আছিল সেই কথাকেই সূচায়। একেদৰে কাজলিৰ নিকটৱৰ্তী তাঁতীমাৰা, হাতীশিলাত থকা অষ্টভূজী চক্ৰ আৰু এই লেখকৰ দ্বাৰা উদ্ধাৰ কৰা তীৱ্ৰতীয় তান্ত্ৰিক লিপি আৰু চপাইদাঙত থকা সূৰ্যৰ প্ৰতীক, যোনিকুণ্ড, অৰ্দ্ধবৃত্ত, বৃত্ত (এই লেখকৰ দ্বাৰা উদ্ধাৰ) আদিৰ অৱস্থিতিয়েও তন্ত্ৰ সাধনাৰ বহুল প্ৰচাৰৰ কথা সূচায়। চপাইদাঙত ময়ূৰৰ প্ৰতীক আৰু তান্ত্ৰিক লিপিৰো অৱস্থিতি পোৱা হৈছিল। গণেশ মূৰ্তিসমূহেও তন্ত্ৰ সাধনাৰ কথাকেই সূচায়।

কাজলি চকী অসম বুৰঞ্জীৰ এক উল্লেখযোগ্য ঠিকনা।

মোগলৰ সোতৰবাৰ অসম আক্ৰমণৰ প্ৰায় তেৰবাৰৰ লগতেই প্ৰত্যক্ষভাৱেই হওক নাইবা পৰোক্ষভাৱেই হওক কাজলি চকী জড়িত হৈ আছিল। অসমৰ দুবাৰমুখ (Gate way of Assam) গুৱাহাটী যেতিয়াই ৰণত পৰে তেতিয়াই কাজলি চকী হৈ পৰে অসমৰ দুৱাৰমুখস্বৰূপ। ইয়াক মোগলে বুলিছিল থানা আৰু আহোমে বুলিছল চকী। নামনি অসমত আহোম স্বৰ্গদেউ চুচেংফা বা প্ৰতাপ সিংহই (১৬০৩-১৬৪০ খ্ৰীঃ) তিনিটা প্ৰধান স্থান নিৰ্বাচন কৰি লৈছিল আৰু উক্ত তিনিস্থানত তিনিটা চকী স্থাপন কৰিছিল। সেইকেইটা হ'ল ক্ৰমে ৰহা, জাগী আৰু কাজলি চকী। ৰহাৰ দায়িত্ব দিছিল ৰহীয়াল বৰুৱাক, জাগী চকীৰ দায়িত্ব অৰ্পণ কৰিছিল জাগীয়ালগোহাঞিৰ ওপৰত। কাজলিচকী স্থাপন কৰিছিল ১৫২৭ শকত (১৬০৫ খ্ৰীঃ)। কাজলি চকীৰ গুৰুত্ব যেন আছিল সবাতোকৈ অধিক। কিয়নো, ওপৰত কৈ অহা হৈছে যে, গুৱাহাটী ৰণত পৰিলেই বাঁহবাৰী আৰু কাজলি চকীয়েই অসম ৰক্ষাৰ প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। কাৰণ কাজলি চকী ৰণত পৰিলেই শত্ৰুৰ পক্ষে গড়গাঁও পাবলৈ বেছি কঠিন নাছিল। মাজত কলিয়াবৰ আছে যদিও কলিয়াবৰৰ ভূমিকা আছিল দুৰ্বল। আকৌ ব্ৰহ্মপুত্ৰৰে এফালে যেনেকৈ মোগলৰ আক্ৰমণৰ প্ৰতি আশংকা থাকে তাৰ বিপৰীতে উত্তৰে দৰঙৰ কোচসকলৰ প্ৰতিও ভয়ৰ কাৰণ নোহোৱা নহয়। তাৰ বাহিৰেও জয়ন্তীয়া, পাণবাৰী, মায়ং, ডিমৰুৱা, গোভা, ৰাণী আদি দাঁতিঅলীয়া ৰাজ্যসমূহৰ পৰাও কোনো কাৰণত বিদ্ৰোহ হোৱাৰ সম্ভাৱনাৰ প্ৰতিও সদাসতৰ্ক হৈ থাকিবলগাত পৰে। সেয়ে হয়তো কাজলি চকীৰ এই গুৰুত্ব উপলব্ধি কৰিয়েই স্বৰ্গদেউ চুচেংফা বা প্ৰতাপ সিংহই দুজনকৈ কাজলিখোৱা গোহাঞিৰ ওপৰত কাজলি চকীৰ দায়িত্ব অৰ্পণ কৰিছিল। তেওঁলোকৰ এজন আছিল বৰগোহাঞিপক্ষৰ আৰু আনজন আছিল বুঢ়াগোহাঞিৰ পক্ষৰ। তেওঁলোকক ১০০০ পাইকো দিয়া হৈছিল।

স্বৰ্গদেউ প্ৰতাপ সিংহই কাজলি চকীৰ নিকটৱৰ্তী হাতীবগৰাত (অন্য নাম শগুণপৰী) মায়ং পাহাৰৰ ওপৰত ব্ৰহ্মপুত্ৰৰ নিচেই কাষতে প্ৰায় ২০০-১৫০ জন সৈন্য থাকিব পৰাকৈ এটা গোপন ছাউনী নিৰ্মাণ কৰাই দিছিল। এই গুহাসদৃশ গোপন ছাউনীটো মায়ং পাহাৰৰ নাতি উচ্চতাত, ব্ৰহ্মপুত্ৰৰ পাৰত এনে ঠাইত নিৰ্মাণ কৰা হৈছিল, যি স্থানৰ পৰা ব্ৰহ্মপুত্ৰৰে হ'ব পৰা মোগল বা কোচ সাম্ৰাজ্যৰ আক্ৰমণৰ সদাসতৰ্ক দৃষ্টি ৰাখিব পাৰে। তাৰোপৰি এই গোপন সেনা ছাউনীটোৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে একেবাৰে ত্ৰিবেণী সংগম (কলং-কপিলী-ব্ৰহ্মপুত্ৰৰ সংগমস্থল)পৰ্যন্ত, বিষ্ণু পাহাৰলৈকে এটা গড় আৰু সেই গড়ৰ পৰা সংযোগ কৰি কলঙৰ পাৰে পাৰে গোবৰ্দ্ধন পাহাৰলৈকে আন এটা গড় নিৰ্মাণ কৰাই দিছিল। বিষ্ণু পাহাৰ আছিল মুখ্য স্থান য'ত অস্ত্ৰভাণ্ডাৰ গোপনে ৰখা হৈছিল আৰু তাৰ পৰা শত্ৰুক সহজে বাধা দিব পাৰিছিল। একেদৰে কলঙৰ দক্ষিণ পাৰেও ত্ৰিবেণী সংগমস্থলৰ পৰা ডিগাৰু নৈৰ পাৰলৈকে এটা আৰু সংগমস্থলৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে তাঁতীমাৰালৈকে এটা গড় নিৰ্মাণ কৰাই দিছিল। এই গড়কেইটাই ব্ৰহ্মপুত্ৰৰ পৰা হোৱা আক্ৰমণক বাধা দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

কাজলি চকী প্ৰধানতঃ এটা দুৰ্গ আছিল। সেয়ে ইয়াক আক্ৰমণ কৰিবলৈ শত্ৰুপক্ষৰ চোকা দৃষ্টি আছিল। কিয়নো কাজলি দুৰ্গ অধিকাৰ কৰিব পৰা মানে গোটেই নামনি অসমেই হস্তগত কৰিব পৰা হয়। গতিকে আহোম স্বৰ্গদেউসকলে কাজলি চকীক এটা দুৰ্ভেদ্য দুৰ্গৰূপে যে গঠন কৰিছিল তাৰ স্বাক্ষৰ বহন কৰে কাজলিৰ চাৰিওফালে থকা সৰু-বৰ গড় আৰু খাঁৰৈসমূহৰ অৱস্থিতিয়ে। এই গড়সমূহত আকৌ কাঁইটীয়া বাঁহ ৰুই দিছিল যাতে শত্ৰুৱে কেনেবাকৈ খাঁৰৈ পাৰ হৈ আহিব পাৰিলেও কাঁইটীয়া বাঁহসমূহে বাধা দিব পাৰে। কিন্তু চৰকাৰৰ পুৰাতত্ব বিভাগৰ অমনোযোগিতা আৰু অদূৰদৰ্শিতাৰ পৰিপ্ৰেক্ষিতত এই গড় আৰু খাঁৰৈৰ দৰে আপুৰুগীয়া প্ৰত্নতাত্বিক সম্পদসমূহ আজি ধ্বংসৰ গৰাহত নিঃশেষপ্ৰায়। যোৱা ২০০৯ চনত এই লেখকে ড° উপল নাথক লগত লৈ স্থানীয় এটা স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত 'মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ'ৰ (এই সংগ্ৰহালয়ৰ জন্মদাতা লোকেন্দ্ৰ হাজৰিকা) জৰিয়তে কাজলি গড়ত (বিষ্ণু মন্দিৰৰ নামনিত) এটা বৃহৎ গোলাভাণ্ডাৰ মাটিৰ তলৰ পৰা উদ্ধাৰ কৰিছিলোঁ। গোলাভাণ্ডাৰটো উদ্ধাৰ হোৱাৰ পৰা ঐতিহাসিক শৰাইঘাটৰ ৰণৰ সময়ত আৰু মোগল আৰু আহোমৰ বিভিন্ন সময়ত হোৱা ৰণৰ সময়ত যে কাজলি চকীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল সেই কথাৰ প্ৰমাণ দাঙি ধৰে। তাৰোপৰি গোলাভাণ্ডাৰৰ পৰা প্ৰায় ২০০ মিটাৰ নিলগত ২০০৯ চনত এই লেখকে মাটিৰ তলৰ পৰা উদ্ধাৰ কৰিছিলোঁ মোগলৰ বুলি অনুমান কৰা এটা খাজি মাৰা হাতবন্দুক, এখন প্ৰকাণ্ড দাৰ (অস্ত্ৰ) ভগ্নাৱশেষ আৰু বৰতোপ (সৰু) স্থাপন কৰা 'ষ্টেণ্ড'সদৃশ লোৰ দ্বাৰা তৈয়াৰী সামগ্ৰী। একেদৰে কাজলি

চকীৰ বিভিন্ন স্থানত কেইবাপাতো ধনু-কাঁড়, যাঠি, তৰোৱাল আদি যুদ্ধাস্ত্ৰৰ ভগ্নাৱশেষ পোৱা গৈছে। এই ভাস্কৰ্য তথা ৰণৰ সঁজুলি উদ্ধাৰ হোৱা কথাৰ পৰা এই কথা সহজেই অনুমান কৰিব পাৰি যে মধ্যযুগত কাজলি চকী আছিল এটা প্ৰধান চকী। ইয়াৰ চাৰিওফালে থকা সৰু-বৰ গড় আৰু কাঁইটীয়া বাঁহ, আৱিষ্কৃত বৃহৎ গোলাভাণ্ডাৰ আদিৰ লগতে হাতীবগৰা, চনকাৰ মধ্যস্থত পাহাৰৰ ওপৰত আৰু ব্ৰহ্মপুত্ৰৰ প্ৰায় গাতে লাগি থকা সৈন্যৰ গোপন পহৰা চকী (বৰ্তমান স্থানীয় লোকে এই গুহাটোক 'বৈৰাগী থান' নামেৰে বিভূষিত কৰিছে) আদিৰ অৱস্থিতিৰ পৰা প্ৰতীয়মান হয় যে আহোম ৰাজত্বকালত কাজলি চকীক এটা দুৰ্ভেদ্য দুৰ্গৰূপে গঢ়ি তুলিছিল।

আহোমসকল অসমলৈ অহাৰ (১২২৮ খ্ৰীঃ) পূৰ্বে উজনিৰ পৰা নামনিলৈ কছাৰীসকলে অসম ভূ-খণ্ডত ৰাজত্ব কৰিছিল। এইসমূহ একো একোখন ক্ষুদ্ৰ ৰাজ্য আছিল। চাৰি-ছয়খন গাঁও মিলিও একোখন ৰাজ্য গঠিত হৈছিল আৰু তাৰে কোনো এক ক্ষমতাশালী লোকেই নিজৰ প্ৰভুত্বৰে স্বাভাৱিকতেই ৰজাৰূপে বিবেচিত হৈছিল আৰু জনসাধাৰণৰ ওপৰত কৰ্তৃত্ব খটুৱাইছিল। এনেধৰণৰ ক্ষুদ্ৰ ৰাজ্যসমূহক 'পোৱালি ৰজা' বুলি অভিহিত কৰিছিল। আকৌ তেনে কেইবাখনো পোৱালি ৰজা মিলি একোখন ডাঙৰ ৰাজ্য গঠিত হৈছিল। এই পোৱালি ৰজাসমূহৰ পৰাই আটাইতকৈ ক্ষমতাশালী ৰজাজনেই ডাঙৰ ৰজাৰূপে একোখন ডাঙৰ ৰাজ্যৰ অধিপতি হৈছিল। তেনেকৈয়ে মায়ং এখন ডাঙৰ ৰাজ্য বা ৰজা আছিল। কাজলি মায়ং ৰাজ্যৰ তলতীয়া এখন সৰু ৰাজ্য বা ৰজা আছিল। ধৰ্মসিংহ নামৰ এজন কছাৰী বংশৰ লোকে (পোৱালি ৰজাই) কাজলি ৰাজ্যখন মায়ং ৰাজ্যৰ অধীনত পৰিচালনা কৰিছিল। কাজলিত এখন গোপন ৰাজ্য প্ৰতিষ্ঠা কৰা সম্পৰ্কে প্ৰত্নতাত্বিক ৰাজমোহন নামে আগবঢ়োৱা ঐতিহাসিক তথ্যও প্ৰণিধানযোগ্য। তেওঁ আগবঢ়াইছিল— "Ramapala, the King of Bengal took adventage of this fifth colummists and a weak moment of the King of Kamrupa when after Dharmapala had renowned the wold and Jayapala came to the thrown he sent his general Mayan with a strong army to invade Kamarupa. Poor Jayapala was easily outstade and Mayan established a town of Kajali-Mukh east of Guwahati and named it Mayangarh which was place called Mayang and is still looked by the Assamese people with a disdainful awe as a centre of dengerous witchcraft." অৱশ্যে জয়পালৰ সেনাপতি মায়নে কাজলিমুখত বৌদ্ধ তান্ত্ৰিকৰ দ্বাৰা প্ৰতিষ্ঠা কৰা ৰাজ্যখনক মায়ং নামেৰেহে অভিহিত কৰিছে। আহোমসকলে ১৩ শতিকাত অসম মুলুকত প্ৰৱেশ কৰি ৰাজ্য বিস্তাৰ কৰিবলৈ 'সাত ৰাজ মাৰি এক ৰাজ' কৰে। তাৰে পৰিপ্ৰেক্ষিতত কছাৰী ৰজাসকলৰ আধিপত্য কমি আহিবলৈ ধৰে।

পূৰ্বে উল্লেখ কৰা অনুযায়ী আহোমসকল অহাৰ পূৰ্বে উজনিৰ পৰা নামনিলৈ কছাৰীসকলে ৰাজত্ব কৰিছিল। কাজলিৰ পশ্চিমাঞ্চল আছিল কোচ ৰজাৰ অধীনত। ইয়াৰ পূৱ-দক্ষিণে কামৰূপৰ ১৮ ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য ডিমৰুৱা। ডিমৰুৱা দাঁতিঅলীয়া ৰাজ্য। ইয়াৰ লগতে চাৰি মিত্ৰ দাঁতিঅলীয়া ৰাজ্য খণ্ড হ'ল— গোভা, খলা, বেলতলা, কুমৈ ৰাজ্য। ডিমৰুৱাত আদিতে কছাৰী ৰজা আছিল যদিও পিছলৈ কাৰ্বি ৰজা হয়। গোভা আৰু খলা ৰাজ্য তিৱা ৰজাই ৰাজত্ব কৰিছিল। ডিমৰুৱাক ৰজ্জ (১৮) ৰাজ্যৰ ভিতৰতে শ্ৰেষ্ঠ ৰজাৰূপে মৰ্যাদা প্ৰদান কৰি থৈ গৈছে কোচৰজা মহাৰাজ নৰনাৰায়ণৰ ভাতৃ চিলাৰায় দেৱানে। তেওঁ ১৫৬৩ খ্ৰীঃ (১৪৮৫ শক)ত শ্ৰীহট্ট, ত্ৰিপুৰা, কাছাৰ, মণিপুৰ, গাৰো, জয়ন্তীয়া, ডিমৰুৱা আদি ৰাজ্যখণ্ড জয় কৰি সাতদুৱাৰত (নাৰেংগী) বাহৰ পাতি এই ৰাজ্যবোৰৰ পৰা কৰ-ভাৰ লৈছিল। ১৫৬৮ খ্ৰীঃত (১৪৯০ শক) আহোম স্বৰ্গদেউ চুখাম্‌ফাৰ লগত মহাৰাজ নৰনাৰায়ণৰ মিত্ৰতা হয়। চিলাৰায় দেৱানৰ মৃত্যুৰ পিছত মহাৰাজ নৰনাৰায়ণে নিজৰ ৰাজ্যখণ্ডক দুটা ভাগত বিভক্ত কৰি সোণকোষৰ পৰা পূৱৰ খণ্ডটো চিলাৰায় দেৱানৰ পুত্ৰ ৰঘুদেৱক শাসন কৰিবলৈ এৰি দিয়ে। দৰং, কামৰূপ, গোৱালপাৰা, গাৰোপাহাৰ আৰু মৈমনসিং জিলাৰ একাংশ লৈ ৰঘুদেৱৰ নতুন ৰাজ্যখণ্ড গঠিত হয়। ১৫৮৭ খ্ৰীঃত (১৫০৯ শক) মহাৰাজ নৰনাৰায়ণৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণ কোচ সাম্ৰাজ্যৰ অধিপতি হয়। কিন্তু ৰঘুনাৰায়ণে লক্ষ্মীনাৰায়ণৰ একচ্ছত্ৰিতা মানি ল'বলৈ অস্বীকাৰ কৰে। ১৬০৩ খ্ৰীঃ (১৫২৫ শক)ত ৰঘুদেৱৰ পৰলোক হোৱাত পুতেক পৰীক্ষিত নাৰায়ণ কোচ হাজোৰ

ৰাজপাট গ্ৰহণ কৰে। পৰীক্ষিত নাৰায়ণে লক্ষ্মীনাৰায়ণৰ একচ্ছত্ৰিতাক প্ৰকাশ্যে অস্বীকাৰ কৰে। উপায় নাপাই লক্ষ্মীনাৰায়ণে মোগল ফৌজদাৰ মুক্ৰম্ খাঁৰ সামৰিক সাহায্য প্ৰাৰ্থনা কৰিলে। মোগলৰ সহায়ত তেওঁ কোচহাজো অধিকাৰ কৰিলে। পৰীক্ষিতক বন্দী কৰি জাহাংগীৰৰ ওচৰলৈ পঠিয়াই দিলে। জাহাংগীৰে দুয়োভায়েকৰ মাজত মিত-মাত কৰি পঠিয়াই দিলে। কিন্তু উভটি অহাৰ বাটত এলাহাবাদত পৰীক্ষিত নাৰায়ণৰ মৃত্যু হয়। আনফালে পৰীক্ষিত নাৰায়ণৰ ভাতৃ বলীনাৰায়ণে ১৬১৫ খ্ৰীঃত গড়গাঁৱলৈ পলাই গৈ আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ শৰণাপন্ন হয়। বলী নাৰায়ণৰ সাহায্যাৰ্থে প্ৰতাপ সিংহ ˚দেৱে মোগলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এই যুদ্ধ এৰাধৰাকৈ ১৬১৬ খ্ৰীঃ (১৫৪৮ শক)ৰ পৰা ১৬৩৯ খ্ৰীঃ (১৫৭১ শক)পৰ্যন্ত প্ৰায় ২৩ বছৰকাল চলিছিল। অৱশেষত মোগল আৰু আহোমৰ মাজত সন্ধি হয়। এই সন্ধিৰ স্বৰ্তানুসৰি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলি (ৰাজগড়) মোগল আৰু আহোমৰ সীমা নিৰ্দ্ধাৰণ হয়। তেতিয়া প্ৰতাপসিংহ স্বৰ্গদেৱে বলীনাৰায়ণক ধৰ্মনাৰায়ণ নাম দি দৰঙত কৰতলীয়া ৰজা পাতে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বৰনদীৰ পৰা পূৱে ভৰলী আৰু দক্ষিণপাৰে নগাঁৱৰ সাতোৰজা, পাচোৰজাসকল আৰু মায়ং, ধিং, ডিমৰুৱা, গোভা আদি কলঙৰ পশ্চিমাঞ্চলত থকা দাঁতিঅলীয়া ৰাজ্যখণ্ডসমূহো তেওঁক শাসন কৰিবলৈ দিলে।

মিৰজুমলাৰ অসম আক্ৰমণৰ পিছত ঘিলাধাৰীৰ ঘাটত ১৬৬৩ খ্ৰীঃ (১৫৮৫ শক)ত আহোম আৰু মোগলৰ মাজত এখন চুক্তি সম্পাদিত হয়। এই চুক্তি অনুসৰি উত্তৰে দৰং ৰাজ্যখণ্ডকে ধৰি ভৰলীৰ পশ্চিমৰ সমগ্ৰ অঞ্চল (চাৰিদুৱাৰপৰ্যন্ত) আৰু দক্ষিণপাৰে ডিমৰুৱা, বেলতলা, নাককাটি, ৰাণী ৰাজ্য সমন্বিতে দৰঙৰ পশ্চিমৰ সমস্ত ৰাজ্যক্ষেত্ৰ স্বৰ্গদেউ জয়ধ্বজ সিংহই বা চুতাম্লাই (খ্ৰীঃ ১৬৪৮-১৬৬৩) মোগলক সমৰ্পণ কৰে। জয়ধ্বজ সিংহৰ মৃত্যুৰ পিচত চ্যু পুং ম্যুং বা চক্ৰধ্বজ সিংহই (১৬৬৩-১৬৬৯ খ্ৰীঃ) অসমৰ ৰাজপাটত বহে। ৰাজপাটত অধিষ্ঠিত হৈয়েই চক্ৰধ্বজ সিংহই কামৰূপ মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰাৰ মানস কৰে। তেওঁ লাচিত বৰুৱাক বৰফুকন বাব দি আহোমৰ এটা শকত সৈন্যদল লগত দি কামৰূপ দখল কৰিবলৈ পঠাই দিলে। লাচিত বৰফুকনে প্ৰথম যুদ্ধতেই উত্তৰে বাঁহবাৰী দখল কৰি দক্ষিণে কাজলিমুখো মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰে। বাঁহবাৰীত থকা মোগলৰ দুৰ্গ আহোমৰ হাতলৈ আহিল। ১৬৬৭ খ্ৰীঃৰ আগষ্ট মাহত লাচিত বৰফুকনে গুৱাহাটী উদ্ধাৰ কৰিবলৈ যুদ্ধযাত্ৰা কৰিলে। বাঁহবাৰীৰ পিছত কাজলি চকীও উদ্ধাৰ কৰি তাতেই আহোমৰ প্ৰধান ছাউনী স্থাপন কৰে। কাজলি আৰু লতাশিলত গড় মাৰি লাচিত বৰফুকন নেতৃত্বাধীন আহোম সৈন্য দলে গুৱাহাটী অভিমুখে যাত্ৰা কৰে। দুমাহ অৱৰোধ কৰি ৰখাৰ পিছত গুৱাহাটী আৰু পাণ্ডুও মোগলৰ হাতৰ পৰা আহোমৰ অধিকাৰলৈ যায়। এই যুদ্ধত বহু মোগল সৈন্য বন্দী হ'ল, বন্দুক, কামানকে আদি কৰি বহু পৰিমাণৰ যুদ্ধৰ সঁজুলি আহোম সেনাই কাঢ়ি ল'লে।

পুনৰ নৰেশ্বৰ মাহৰ পহিলা ভাগত চৈয়দ চানা আৰু চৈয়দ ফিৰোজৰ অধীনত কিছু যুদ্ধ জাহাজেৰে সৈতে এটা শকত মোগল ফৌজ অসম পায়হি। এই যুঁজতো মোগলৰ পৰাজয় হয়। চৈয়দ চানা আৰু চৈয়দ ফিৰোজক বন্দী কৰি গড়গাঁৱলৈ পঠিয়াই দিলে আৰু বহু সৈন্য বধ কৰিলে। মোগলসকলক মানাহলৈকে হোঁহকাই পঠিয়ালে। উত্তৰ গুৱাহাটীৰ মণি কৰ্ণেশ্বৰৰ ওপৰত থকা কানাই বৰশী শিলত ১৬৬৭ খ্ৰীঃত খোদিত থকামতে আহোমসকলে তাত এটা দুৰ্গ সাজিছিল চৈয়দ চানা আৰু চৈয়দ ফিৰোজৰ মৃত্যুৰ পিছত। এইদৰে শিলঘাটত থকা এটা কামানৰ গাতো সংস্কৃতত খোদিত কৰা আছে যে "১৬৬৭ খ্ৰীঃত চক্ৰধ্বজ সিংহই মুছলমানসকলক পৰাস্ত কৰি এই অস্ত্ৰ পাইছিল। শত্ৰু নিধনকাৰী বুলি ইয়েই তেওঁৰ গৌৰৱ ঘোষণা কৰে।"

মোগলৰ এই পৰাজয়ৰ বাৰ্তা ১৬৬৭ খ্ৰীঃত ডিচেম্বৰ মাহত যেতিয়া ঔৰংগজেৱে পায় তেতিয়া তেওঁ ততালিকে অম্বৰাধিপতি ৰামসিংহক সেনাপতি পাতি বিশাল সৈন্যবাহিনী দি অসম আক্ৰমণ কৰিবলৈ পঠিয়ালে। বংগদেশৰ পৰাও নতুন এটা সৈন্যদল এই সৈন্যবাহিনীৰ লগত যোগদান কৰিলে। পূৰ্বৰ গুৱাহাটীৰ থানাদাৰ ৰছিদ খাঁও ৰামসিংহৰ লগত আহিছিল। মোগলৰ এই দলটোত আছিল ১৮ হেজাৰ অশ্বাৰোহী, ৩০ হেজাৰ পদাতিক, কোচবিহাৰৰ পৰা অহা ১৫ হেজাৰ কাঁড়ী। ৩০ খনমান যুদ্ধ জাহাজেৰে ৰামসিংহৰ নৌবাহিনীটো আছিল দুৰ্বল। কিন্তু স্বৰ্গদেউৰ আজ্ঞা পাই ইচ্ছাৰ বিপৰীতে আলবৈত মোগলৰ সৈতে আহোম সেনাই ৰণ কৰিলেগৈ। শক্তিশালী ৰাজপুত সৈন্যদলৰ লগত বিনাগড়ে যুঁজি আহোম সৈন্যই তিকিব নোৱাৰি পিচহঁহকি আহিবলৈ বাধ্য হয় ১৬৬৯ খ্ৰীঃৰ আগষ্ট মাহত। এই ৰণত আহোমৰ

বিত্তৰ ক্ষতি হয়। প্ৰায় ১০ হেজাৰ অসমীয়া সেনা ৰণত পৰিল। ৰণত হাৰি ইহঁকি অহাৰ সময়ত ব্ৰহ্মপুত্ৰৰে উজাই আহি কাজলি গড়ত উপস্থিত হয়হি। তাতেই কাজলি পাহাৰৰ চূড়াত বহি লাচিত বৰফুকন আৰু আতন বুঢ়াগোহাঞিয়ে শৰাইঘাটত মোগলক ভেটিবলৈ ঠিৰাং কৰিলে। তেওঁলোকে কাজলি পাহাৰৰ চূড়াত বহিয়েই মোগলে 'লখিব' (লক্ষ্য কৰিব) নোৱাৰাকৈ শৰাইঘাটৰ ৰণকৌশল ৰচনা কৰিছিল।

ইতিমধ্যে চক্ৰধ্বজ সিংহৰ মৃত্যু হোৱাত চুনংফা বা উদয়াদিত্য সিংহ (১৬৭০-১৬৭৩ খ্ৰীঃ)ই অসমৰ ৰাজপাটত অধিষ্ঠিত হৈ মোগলৰ হাতৰ পৰা সমগ্ৰ অসমখনকেই অধিকাৰ কৰিবলৈ স্থিৰ কৰি আতন বুঢ়াগোহাঞি আৰু লাচিত বৰফুকনলৈ বাৰ্তা পঠিয়ালে। বুঢ়াগোহাঞি আৰু বৰফুকনে কাজলি পাহাৰৰ চূড়াত বহিয়েই (সম্ভৱ মায়ং পাহাৰৰ ওপৰত থকা এই গোপন সেনা ছাউনী বা গুহাৰ ওপৰত) গুৱাহাটী দখলৰ বিষদ ৰণকৌশল ৰচনা কৰে। এই কৌশল অনুযায়ী মূল সৈন্য দলটোক দুটা ভাগত বিভক্ত কৰি এটা দল লাচিত বৰফুকন আৰু পোলন চাৰিঙীয়া ফুকনৰ নেতৃত্বত স্থলপথেদি আগুৱাই আহি প্ৰথমে সোণাপুৰ পাব। তাৰ পৰা তাঁতীমাৰালৈ আহিব। তাঁতীমাৰাৰ পৰা জয়দুবাৰ (নুনমাটি) পাব। জয়দুবাৰৰ পৰা শৰণীয়া পাই শৰণীয়াৰ পৰা বায়ুকোণেদি গৈ লতাশিল পাব। দ্বিতীয়টো ফৌজ দিহিঙীয়া পানীফুকনৰ নেতৃত্বত ব্ৰহ্মপুত্ৰৰে ভটিয়াই আহি লতাশিল পাব। তাতে গৈ একেদিনাই একে সময়তে প্ৰথমটো সৈন্যদলৰ লগত লগ লাগিব। এই কাৰ্য (যাত্ৰাকাল) ইমানেই গোপনীয় আছিল যাতে শত্ৰুপক্ষই কোনো কাৰণতেই গম পাব নোৱাৰে। তাৰ পৰাই শুক্ৰেশ্বৰত থকা মোগলৰ কোঠটো নাৱে-তৰে অৰ্থাৎ স্থল আৰু জলেৰে গৈ অতৰ্কিতে আক্ৰমণ কৰিব। তেনেকৈয়ে ১৬৬৫ খ্ৰীঃত গুৱাহাটী মোগলৰ হাতৰ পৰা আহোমৰ হাতলৈ যায়। এই যুদ্ধত গোভা, খলা, বেলতলা, কুমৈ আদি ৰাজ্যৰ ৰজাসকলেও সৈন্য-সামন্তৰে আহোম সৈন্যদলৰ সহায় কৰিছিল। মায়ং, ডিমৰুৱা আৰু পাণবাৰী ৰজাই প্ৰচুৰ সৈন্য-সামন্তৰে প্ৰত্যক্ষভাৱে আহোমৰ সহায় হৈছিল। চক্ৰধ্বজসিংহ স্বৰ্গদেউৰ ৰাজত্বকাল আছিল ৭ বছৰ। তেওঁৰ ৰাজত্ব কালছোৱাতেই পাতকলং, কাজলি চকী, ফুলুংগড় (মোমাই কটা গড়) হাদিৰাচকীত কোঠ আৰু গড় মৰাইছিল। শৰাইঘাটৰ যুদ্ধৰ পিচতেই স্বৰ্গদেৱে লাচিত বৰফুকনক ১৬৭১ খ্ৰীঃত গুৱাহাটীৰ বৰফুকন পাতে যদিও ১৬৭২ খ্ৰীঃত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে।

লাচিত বৰফুকনৰ মৃত্যু ঘটাত পিছত তেওঁৰ ভায়েক লালুকসোলাক বৰফুকন পতা হয়। সিফালে গড়গাঁৱত ৰাজনৈতিক অস্থিৰতাৰ সূচনা হয়। ক্ষমতাৰ যুঁজত বলিয়ান হৈ নিজৰ ভিতৰতেই খোৱা-কামোৰা লাগে। বাঁহগড়ীয়া বুঢ়াগোহাঞিয়ে সকলো ক্ষমতা কৌশলেৰে নিজৰ হাতলৈ নি নিজ ইচ্ছানুযায়ী ৰজা, ডা-ডাঙৰীয়াক ভঙা-পতা কৰিবলৈ ধৰিলে। ইফালে শৰাইঘাটৰ ৰণত সুনাম অৰ্জন কৰা সেনা বিষয়াসকলৰ প্ৰতি উজনিৰ সেনা বিষয়াসকলৰ মনত ঈৰ্ষা আৰু অসন্তুষ্টিয়ে দেখা দিবলৈ ধৰিলে। বাঁহগড়ীয়া বুঢ়াগোহাঞিৰ স্বেচ্ছাচাৰিতা যিমানে বাঢ়িবলৈ ধৰিলে সিমানে লালুকসোলা বৰফুকনে নিজৰ ভৱিষ্যতক লৈ শংকিত হ'বলৈ ধৰিলে। সেয়ে অতি গোপনে ঢাকালৈ গৈ নবাব মনচুৰ খাঁৰ সহায় ভিক্ষা কৰিলে। ফলত ১৬৭৯ খ্ৰীঃৰ মাৰ্চ মাহত মনচুৰ খাঁক বিনাযুদ্ধে গুৱাহাটী এৰি দি কলিয়াবৰ পালেগৈ। ইয়াৰ ফলত গুৱাহাটী পুনৰ মোগলৰ হাতলৈ গ'ল। একেদৰে গুৱাহাটীৰ লগতে কাজলি চকীও মোগলৰ হস্তগত হ'ল। ইতিমধ্যে হুচেইন খাঁই এদল সৈন্যসহ লালুকসোলাৰ লগ লাগিলহি। তাৰ পিছত লালুকসোলা বৰফুকনে বৰগোঁহাঞিক বধ কৰি নিজৰ জীয়েকক চুলিকফা ওৰফে ল'ৰাৰজালৈ বিয়া দিলে আৰু ১৬৭৯ খ্ৰীঃত চুলিকফাক আহোম সাম্ৰাজ্যৰ ৰাজপাটত অধিষ্ঠিত কৰায়। কিন্তু চুলিকফা নামতহে ৰজা হৈ থাকিল। ৰাজ্যৰ সকলো কাম-কাজ পৰিচালনা কৰিবলৈ ধৰিলে লালুকসোলাৰ নিৰ্দেশমতে.লালুকসোলা বৰফুকন হৈ পৰিল অসমৰ উঠিৰজা-বহিৰজা স্বৰূপ। ভৱিষ্যতৰ সিংহাসনৰ কণ্টক আঁতৰাবলৈ আহোমৰ পৰম্পৰামতে ৰজা হ'ব পৰা ফৈদকেইটাৰ কোঁৱৰসকলক ধৰি নি অংগক্ষত কৰিলে যাতে তেওঁলোকে কোনো কাৰণতে ভৱিষ্যতে ৰজা হ'ব নোৱাৰে। তাকে দেখি তুংফুঙীয়া ফৈদৰ গদাপাণিক পত্নী জয়মতীয়ে পলুৱাই পঠালে। লালুকসোলাই গদাপাণিক বিচাৰি নাপাই জয়মতীক ধৰাই আনি শাস্তি দি মৰালে। লালুকসোলা বৰফুকনৰ অত্যাচাৰ ইমানে বাঢ়িল যে, প্ৰজা সাধাৰণ এইক্ষেত্ৰত অতীষ্ঠ হৈ পৰিল। তেতিয়া ভোটাই শইকীয়াৰ নেতৃত্বত মাধৰাম তামুলী আৰু আঘোণা কছাৰীয়ে গোপনে লালুকসোলাক বধিবলৈ পৰিকল্পনা ৰচনা কৰিলে। ইতিমধ্যে লালুকসোলাই কলঙেৰে জাগী চকীলৈ যোৱাৰ পথত ভোটাই শইকীয়া, মাধৰাম তামুলী আৰু আঘোণা কছাৰী এই তিনিও গুপ্তঘাতকে মিলি কাজলিমুখত লালুকসোলাক বধ কৰিলে। তেতিয়া বদন চন্দ্ৰ বৰফুকন প্ৰমুখ্যে কেইজনমান ডাঙৰীয়া

লগ হৈ ১৬৮১ খ্ৰীঃত কলিয়াবৰত অভিষেক পাতি গদাপাণিক আহোমৰ স্বৰ্গদেউ পাতিলে। গদাপাণিয়ে গদাধৰ সিংহ নাম লৈ ৰাজপাটত অধিষ্ঠিত হ'ল আৰু ৰাজ্য শাসনৰ দায়িত্ব মূৰ পাতি ল'লে। ৰাজপাট দখল কৰিয়েই তেওঁ গুৱাহাটী দখলৰ বাবে অভিযান আৰম্ভ কৰিলে। তেওঁ লাঙী বুঢ়াগোহাঞি, সলাল গোহাঞি আৰু দিহিঙীয়া আলুং বৰবৰুৱাৰ নেতৃত্বত এটা শকত সৈন্যদল পঠিয়াই দিলে. এই অভিযানত দিহিঙীয়া আলুং বৰবৰুৱাই পূৰ্বসূৰী লাচিত বৰফুকনৰ ৰণকৌশলক অনুসৰণ কৰি প্ৰথমতে বাঁহবাৰী আৰু কাজলিমুখত থকা মোগলৰ ছাউনী দুটা অধিকাৰ কৰি লৈ গুৱাহাটী দখলৰ অভিযান চলালে। একে কৌশলেৰেই শুক্ৰেশ্বৰত থকা কিল্লাটোও মোগলৰ হাতৰ পৰা আহোমে অধিকাৰ কৰি ল'লে ১৬৮৩ খ্ৰীঃত। মোগল সেনাপতি মনচুৰ খাঁ ইঁহকি যাবলৈ বাধ্য হয়। তেতিয়া আহোম সেনাই সেই সুবিধাতে মোগলক খেদি নি মানাহ পোৱালেগৈ আৰু মানাহতেই অসম ৰাজ্যৰ পশ্চিম সীমা নিৰ্দ্ধাৰণ কৰি গোটেই কামৰূপ ৰাজ্যখন আহোম সাম্ৰাজ্যৰ অধীন কৰি ল'লে।

এবাৰ আহোমসকলে কাজলি কোঠ মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰি তাত পাঁচজন চৰ্দাৰক বধ কৰিছিল। আকৌ আন এবাৰ স্বৰ্গদেৱে কাজলিত ধৰিবলৈ তিনিজনা ডাঙৰীয়াক আদেশ দিলে। কিন্তু এই আদেশ জাৰি হোৱাৰ পিছত উক্ত ডাঙৰীয়া তিনিজনে কাজলি গৈ পোৱাৰ পূৰ্বেই হৰি ডেকা আৰু ডিমৰুৱাৰ ৰজাই কাজলিমুখত মোগল বাহিনীক আক্ৰমণ কৰি খেদি পঠিয়াই কাজলিমুখ অধিকাৰ কৰে। কিন্তু ডাঙৰীয়া কেইগৰাকীয়ে স্বৰ্গদেৱলৈ মিছা বাতৰি দি কলিয়াবৰলৈ ইঁহকি গ'ল। তেনেতে কাজলিমুখত আহোম সৈন্যই ৯ দিন যুঁজি জয়লাভ কৰিলে। এই বাতৰি পাই ডাঙৰীয়াসকলে কলঙেৰে ভটিয়াই গৈ জাগী পায়হি। জাগী আছিল মধ্য অসমৰ অন্যতম চকী।

ঐতিহাসিক কাজলি চকীৰ পৰা আহোম সৈন্যই শত্ৰুপক্ষৰ আক্ৰমণ প্ৰতিহত কৰাৰ সুযোগ লৈছিল। হৃষীকেশ নামৰ এজন খাজনা তোলা বিষয়াই খাজনা আদায় নকৰি পলাই আহি আহোম ৰাজ্যত আশ্ৰয় লহয়ি। তাতে ক্ষুন্ন হৈ ১৬৩৫ খ্ৰীঃত মোগলে আহোমৰ লগত যুদ্ধ কৰে। এই যুদ্ধ আহোমৰ হাতত মোগলসকল পৰাজিত হয় (Edward Gait)। হৃষীকেশক ধৰিবৰ কাৰণে বঙ্গদেশৰ সৈন্যদল বৰলীয়া নৈৰ পাৰপৰ্যন্ত আগবাঢ়ি আহে। তেতিয়া বৰফুকনে শত্ৰুক বাধা দিবলৈ কলচু সন্দিকৈক পঠায়। কলচু সন্দিকৈ, লাচাম, হৰি ডেকা আৰু শেখ্ কমলে প্ৰাণপনে মোগলৰ লগত ৰণ কৰে। তেওঁলোকে খুন্দহ আৰু চমৰীয়া দুৰ্গ অধিকাৰ কৰে। যুঁজত শেখ্ কমলৰ মৃত্যু হয়। এই ৰণত জয়লাভ কৰি আহোমসকল কাজলিমুখলৈ উভটি আহে।

বঙ্গদেশৰ সৈন্যদলে পুনৰ লুইতৰ বিপৰীত পাৰত দেখা দি গুৱাহাটী দখলৰ পৰিকল্পনা কৰিলে। তেতিয়া আহোম সৈন্যই ইয়াৰ সম্ভেদ পাই নৈ পাৰ হৈ খেদি গ'ল। আহোম সৈন্য যোৱা দেখি বঙ্গদেশৰ সৈন্যদলটো পলাই গ'ল। এই ৰণত আহোমসকলে মোগলৰ হাতৰ পৰা ৩২ খন যুঁজাৰু নাও অধিকাৰ কৰিলে। ১৬৩৬ খ্ৰীঃৰ ভাদ মাহৰ ২০ দিনৰ দিনা আহোমসকল কাজলিমুখলৈ উভতি আহে। তাৰ পিছতো পাণ্ডু, শৰাইঘাট, আগিয়াথুৰী, কাজলি পুনৰ মোগলৰ হাতলৈ যায়। ডিমৰুৱাৰ ৰজাই হৰি ডেকাৰ সৈতে কাজলি উদ্ধাৰ কৰে যদিও অৱশেষত পৰাস্ত হ'বলগীয়া হয়।

এনেদৰেই গুৱাহাটী আৰু কাজলি চকী কেতিয়াবা মোগলৰ আৰু কেতিয়াবা আহোমৰ দখলত থাকে। মনচুৰ খাঁ অপসাৰিত হোৱাৰ পিছত মানাহকে পশ্চিম সীমা কৰি সমগ্ৰ কামৰূপ আহোম ৰাজ্যৰ অন্তৰ্গত হৈ পৰে। গুৱাহাটী তথা কামৰূপত পুনৰ বৰফুকনৰ আমোল প্ৰবৰ্তিত হয় ১৬৬৩ খ্ৰীঃৰ পৰা।

ইতিমধ্যে আহোম সাম্ৰাজ্যত ৰাজনৈতিক ক্ষমতাক কেন্দ্ৰ কৰি তিক্ততাৰে ভৰি পৰিল। দেশৰ প্ৰকৃত গুৰিধৰোতা নেতা নোহোৱা হ'ল। গুৱাহাটীত বদন চন্দ্ৰ বৰফুকনৰ দৌৰাত্ম্য দেখি পূৰ্ণানন্দ বুঢ়াগোহাঞিয়ে তেওঁক বন্দী কৰি আনিবলৈ মানুহ পঠিয়ালে। এই কথাৰ সম্ভেদ পাই পূৰ্ণানন্দৰ বোৱাৰীয়েক অৰ্থাৎ বুঢ়াগোহাঞিৰ পুত্ৰ ওৰেষা নাথ ঢেকীয়াল ফুকনৰ পত্নীয়ে বদন চন্দ্ৰ বৰফুকনলৈ বাৰ্তা পঠিয়ালে। কাৰণ তেওঁ আছিল বদন চন্দ্ৰ বৰফুকনৰ জীয়ৰী। তেওঁৰ নাম আইছল পিজৌ গাভৰু। কলীয়া ভোমোৰা বৰফুকনৰ মৃত্যু হোৱাত বদন চন্দ্ৰ গুৱাহাটীৰ বৰফুকন নিযুক্ত হৈছিল। তেওঁ আছিল দুবৰাৰ ঘৰৰ লোক। জীয়েকৰ পৰা এই গোপন বাৰ্তা পাই বদন বৰফুকন পলাই গৈ ব্ৰহ্মদেশ পায়গৈ আৰু মান ৰজা বডোপায়া বা বদৌপায়ৰ সহায় ভিক্ষা কৰিলে। এইক্ষেত্ৰত অসমীয়া কুঁৱৰী ৰঙিলী (বডোপায়াৰ পত্নী)য়েও বদন চন্দ্ৰক সহায় কৰিবলৈ বৰকৈ খাটিলে। কাৰণ ৰঙিলীও আছিল দুৱৰা ঘৰৰ জীয়ৰী। বডোপায়াই বদন চন্দ্ৰক সম্ভ্ৰান্ত আহোম বংশৰ লোক বুলি জানি সহায় কৰিবলৈ মান্তি হয়।

১৮৩৬ খ্ৰীঃৰ শেষৰ ফালে বদনে মান ৰজাৰ পৰা প্ৰায় ৮,০০০ মান সৈন্য লৈ অসমলৈ যাত্ৰা কৰিলে। বাটত মানৰজাৰ তলতীয়া ৰাজ্যসমূহৰ পৰাও বহু সৈন্য আহিল। মুঠতে প্ৰায় ১৬,০০০ মান সৈন্যই আহি ১৮১৭ খ্ৰীঃৰ মাৰ্চ মাহত অসমৰ দুৱাৰমুখ পায়হি। ১৮১৭ খ্ৰীঃৰ পৰা ১৮২৬ খ্ৰীঃলৈকে মানে তিনিবাৰ অসম আক্ৰমণ কৰি গোটেই দেশখনকে জুৰুলা কৰি থৈ গ'ল। সেই সময়ত অসমৰ ৰাজপাটত অধিষ্ঠিত আছিল চন্দ্ৰকান্ত সিংহ (১৮১১-১৮১৮ খ্ৰীঃ)। ৰাজনৈতিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ মৃত্যুৰ পিচত ৰুচীনাথ বুঢ়াগোহাঞিয়ে চন্দ্ৰকান্ত সিংহক ৰজা ভাঙি ১৮১৮ খ্ৰীঃত পুৰন্দৰ সিংহক আহোমৰ ৰাজপাটত বহুৱায়। তেতিয়া জন্মী ফুকন প্ৰমুখ্যে বদন চন্দ্ৰৰ পক্ষীয় বিষয়াসকলে মানদেশলৈ পলাই গৈ মানৰজা বডোয়াপাক এই বাতৰি দিলেগৈ। বাতৰি পাই বডোপায়া ক্ৰোধিত হৈ অলমিংগা বৰগোহাঞিৰ নেতৃত্বত এটা ফৌজ অসমলৈ পঠিয়াই দিলে। মান সৈন্য অহাৰ উমান পাই পুৰন্দৰ সিংহই গুৱাহাটীলৈ পলাই গৈ পুনৰ এবাৰ মানৰ সৈতে যুদ্ধ কৰিলে যদিও তেওঁ মানৰ হাতত হাৰিল ১১ জুন ১৮১৯ ৰ দিনা। যুদ্ধত হাৰি তেওঁ পলাই গৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ওচৰত আশ্ৰয় ল'লেগৈ। ইফালে চন্দ্ৰকান্ত সিংহই দ্বিতীয়বাৰৰ বাবে অসমৰ ৰাজপাটত বহিবলৈ অসমলৈ যাতে পুনৰ মানসকল আহি আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে তেওঁ পতলং বৰবৰুৱাক কোঠ আৰু গড় মাৰি দেশখনৰ প্ৰতিৰক্ষাৰ দায়িত্ব অৰ্পণ কৰিলে। পতলং বৰুৱাই বুঢ়ীদিহিঙৰ দীঘলীঘাটত এটা মজবুত কোঠ নিৰ্মাণ কৰি গড় বন্ধাই দীঘলীঘাটৰ নতুন নামকৰণ কৰিলে আৰু নাম দিলে জয়পুৰ। ইতিমধ্যে বডাপায়াৰ মৃত্যু হোৱাত তেওঁৰ নাতি বাগ্যীদোৱা মানদেশৰ ৰজা হয় ১৮২১ খ্ৰীঃত। বাগ্যীদোৱাই চন্দ্ৰকান্ত সিংহক ধৰিবৰ বাবে চলাহিৰ আশ্ৰয় ল'লে। তেওঁ মিঙ্গিমাহা তিলোৱাক এদল সৈন্যসহ অসম আক্ৰমণ কৰিবলৈ পঠালে। কিন্তু তেওঁলোকে চন্দ্ৰকান্ত সিংহক বহু উপঢৌকন দিবলৈহে আহিছে বুলি প্ৰচাৰ কৰিলে। মিঙ্গিমাহাই জয়পুৰ পাই পতলং বৰবৰুৱাক ধৰি শিৰশ্চেদ কৰে আৰু তেওঁৰ পত্নী (চন্দ্ৰকান্ত সিংহৰ ভগ্নী)ৰ ওপৰতো বহু অত্যাচাৰ কৰে। তেওঁ চন্দ্ৰকান্ত সিংহলৈ মিঙ্গিমাহাৰ গোপন অভিপ্ৰায়ৰ বিষয়ে গোপনে বাৰ্তা পঠিয়ালে। এই বাৰ্তা পাই চন্দ্ৰকান্ত সিংহই কলিবৰ গোহাঞি নামৰ এজন মটক শাসনকৰ্তাৰ ওপৰত ৰাজধানী ৰক্ষাৰ ভাৰ অৰ্পণ কৰি গুৱাহাটীলৈ পলাই গৈ কাজলি-চন্দ্ৰপুৰ অঞ্চলত প্ৰায় ছমাহকাল আত্মগোপন কৰি আছিল ১৮২১ খ্ৰীঃত। তাৰ পৰাই গুৱাহাটী হৈ গোৱালপাৰালৈ গৈ তাতে কিছু হিন্দুস্থানী আৰু শিখ সৈন্য সংগ্ৰহ কৰি মানৰ বিৰুদ্ধে যুদ্ধ কৰাৰ পৰিকল্পনা কৰিছিল। আনফালে পুৰন্দৰ সিংহই ৰবাৰ্ট ব্ৰুচ নামৰ ব্ৰিটিছ শাসনকৰ্তা এজনৰ নেতৃত্বত এদল ভেৰোণীয়া সৈন্য গোটাই লৈ মানৰ বিৰুদ্ধে নগৈ চন্দ্ৰকান্ত সিংহৰ সৈন্যদলবলগতহে যুদ্ধ কৰিলেহি। এই যুদ্ধত চন্দ্ৰকান্ত সিংহৰ জয় হয়। চন্দ্ৰকান্ত সিংহৰ সৈন্যদলৰ হাতত অধিনায়ক ৰবাৰ্ট ব্ৰুচ বন্দী হয়। পিছত ব্ৰুচ চন্দ্ৰকান্ত সিংহৰ পক্ষ গ্ৰহণ কৰে (২ মে' ১৮২১ খ্ৰীঃ)। তাৰ পিছত ম'হগড়ত চন্দ্ৰকান্ত সিংহই মানৰ লগত যুদ্ধ কৰে। এই যুদ্ধত চন্দ্ৰকান্ত সিংহই নিজে অস্ত্ৰ ধৰি পৰম বিক্ৰমেৰে যুদ্ধ কৰিছিল। কিন্তু তেওঁ যুদ্ধত পৰাজিত হৈ পুনৰ পলাই গৈ কাজলি চকী তথা ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত আত্মগোপন কৰিবলগীয়া হয়। চন্দ্ৰকান্ত সিংহই দুবাৰকৈ আত্মগোপন কৰি থকাৰ কাৰণে কাজলি চকীৰ নিকটৱৰ্তী অঞ্চলৰ নাম চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ নামানুসৰি 'চন্দ্ৰপুৰ' হয় বুলিও এক জনপ্ৰবাদ আছে।

মানৰ তৃতীয় আক্ৰমণ আছিল অসমৰ ইতিহাসত এক হৃদয়বিদাৰক অধ্যায়। মানৰ অমানুষিক অত্যাচাৰত তিষ্ঠিব নোৱাৰি চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে ব্ৰিটিছ কোম্পানীৰ আশ্ৰয় আৰু সহায় বিচাৰিলেগৈ। ইফালে মান সৈন্যই ব্ৰিটিছ কোম্পানীৰ শাসনাধীন গোৱালপাৰা, চিলেট আৰু চিটাগঞ্জ এই আটাইখিনি অঞ্চলতে ইংৰাজৰ ৰাজ্যত সোমাই মানুহ মাৰি লুটপাত কৰিবলৈ ধৰিলে। ইংৰাজ গৱৰ্ণৰে তাৰ প্ৰতিবাদ কৰিলে যদিও তাৰ প্ৰতি মানসকলে কোনো ভ্ৰূক্ষেপ নকৰিলে। কাৰণ মান সৈন্যই ভাবিছিল ইংৰাজসকল তেওঁলোকতকৈ দুৰ্বল। ইফালে মানে মণিপুৰ, কাছাৰতো উপদ্ৰৱ চলালে। ১৮২৩ খ্ৰীঃত ইংৰাজসকলে মানৰ বিৰুদ্ধে বেলেগ ব্যৱস্থা ল'বলৈ ঠিক কৰিলে।

১৮২৪ খ্ৰীঃত গৱৰ্ণৰ জেনেৰেল আৰ্মহাষ্টে মানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে মাৰ্চ মাহৰ ৫ তাৰিখৰ দিনা। ইংৰাজ সৈন্যই গোৱালপাৰাৰ পৰা উজাই আহি হাদিৰাচকী অধিকাৰ কৰিলে। ১৮২৪ খ্ৰীঃৰ ২৪ মাৰ্চৰ দিনা গুৱাহাটীও ইংৰাজৰ অধীনলৈ গ'ল। বাৰিষা কাল উপস্থিত হোৱা হেতু ইংৰাজ সৈন্য দল গুৱাহাটীতেই থাকিল। সেই সুবিধাতে মানসকলে কলিয়াবৰ, ৰহা, নগাঁৱলৈকে আগবাঢ়ি আহিল।

মানৰ অত্যাচাৰ সহিব নোৱাৰি নগাঁৱৰ ডবকা আৰু কপিলী উপত্যকাৰ পৰা অসমীয়া লোক ভাগি গৈ জয়ন্তীয়া পাহাৰ আৰু সুৰমা উপত্যকা আৰু ব্ৰিটিছ অধীকৃত গোৱালপাৰাত থিতাপি লয়গৈ। ইতিমধ্যে বাৰিষা অন্ত পৰাত অক্টোবৰ মাহত ব্ৰিটিছ সৈন্য দল দুটা ভাগত বিভক্ত হৈ এটা দলে ব্ৰহ্মপুত্ৰৰে উজাই গ'ল আৰু আনটো দল কাজলিমুখেৰে কলঙত সোমাই উজাই গ'ল। ৰহাত মান আৰু ইংৰাজৰ মাজত যুদ্ধ লাগে। যুদ্ধত ইংৰাজৰ হাতত মান সৈন্য পৰাজিত হয়। মান সেনাপতিয়ে কোনোপধ্যে পলাই সাৰে। তাৰ পিছত কলিয়াবৰো ইংৰাজে অধিকাৰ কৰে আৰু তাতে এটা ছাউনী স্থাপন কৰে। এইদৰে ইংৰাজসকলে মানৰ হাতৰ পৰা মৰামুখ অধিকাৰ কৰে ১৮২৫ খ্ৰীঃত আৰু ১৭ জানুৱাৰী ১৮২৫ খ্ৰীঃত যোৰহাটো ইংৰাজৰ হস্তগত হয়। সিফালে ব্ৰহ্মদেশতো চাৰ অৰ্চিবল কেম্বেল চাহাবৰ সেনাপতিত্বত মান ৰজাৰ যুদ্ধ হয় আৰু মান ৰজা হাৰে। মানক খেদি নি কেম্বেল চাহাব ইয়াণ্ডাবু পায়গৈ। তাতেই ১৮২৬ খ্ৰীঃৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে মান আৰু ইংৰাজৰ মাজত চুক্তি হয়। এই সন্ধিৰ পৰাই মানসকলে সম্পূৰ্ণভাৱে অসম ত্যাগ কৰে। ফলত অসমৰ ভাগ্যচক্ৰ আহোমৰ হাতৰ পৰা ইংৰাজৰ হাতলৈ যায়। লগে লগে অসমৰ স্বাধীনতাৰ সূৰ্যও লুপ্ত হয়।

কাজলি চকী মোগলে বুলিছিল থানা আৰু আহোমে চকী। এই ঐতিহাসিক ভূ-খণ্ডৰ প্ৰতি সকলোৰে শেনদৃষ্টি আছিল। তাৰ ফলত কেতিয়াবা কোচ, কেতিয়াবা মোগল আৰু কেতিয়াবা আহোমৰ অধীন হৈছিল। এক কথাত ক'বলৈ হ'লে ই এখন ৰণস্থলীত পৰিণত হৈ অসমৰ ভাগ্য নিয়ন্তাৰ ভূমিকা পালন কৰিছিল। সঘনাই হৈ থকা যুদ্ধ-বিগ্ৰহৰ ফলত প্ৰায় জনশূন্যত পৰিণত হৈ পৰিছিল। ভূঞাসকলেও ইয়াত ৰাজত্ব কৰিছিল। কুসুম্বৰ ভূঞা ৰাজ্যখণ্ড কাজলিমুখলৈকে ব্যাপ্ত থকাৰ কথা 'গুৰু চৰিত' কাব্যৰ ১০২৯ নং পদত উল্লেখ আছে। প্ৰবাদমতে, শংকৰদেৱৰ পূৰ্বপুৰুষসকলেও কাজলি-মায়ং অঞ্চলত প্ৰায় ২৫ বছৰকাল বসবাস কৰিছিল। ১৬৮৩ খ্ৰীঃৰ পৰা ১৮১৭ খ্ৰীঃলৈকে গুৱাহাটী আৰু কাজলি চকীত ১৩৪ বছৰকাল বৰফুকনৰ শাসনত থাকে। সেই সময়ছোৱাত বহু প্ৰজাই গাঁও পাতি বাস কৰে যদিও তিনিবাৰকৈ হোৱা মানৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি পুনৰ কাজলি চকী জনশূন্য হৈ পৰে। পুনৰ ব্ৰিটিছ চৰকাৰৰ শাসনকালত দৰং, কুৰুৱা আদি অঞ্চলৰ পৰা কিছু লোক আহি এই অঞ্চলত স্থায়ীভাৱে বসতি কৰিবলৈ লয়। আকৌ ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়াত শগুণপৰী, অপৰীয়া, ধলপুৰ, বাতিয়াল আদি গাঁওসমূহ ধ্বংস হোৱাত তাৰ গাঁওবাসীয়ে আহি কাজলি, হাতীবাগৰা আদি ঠাইত বসতি কৰে। চিলেট, ফকিৰাগ্ৰাম আদি অঞ্চলৰ পৰাও বহুসংখ্যক হিন্দু বাঙালী লোকেও আহি গোবৰ্দ্ধন পাহাৰ, নলনী, ঘোঁৰামাৰা জান পাৰ অঞ্চলৰ বাসিন্দা হৈ পৰে। পৰৱৰ্তী কালত খ্ৰীষ্টধৰ্মী গাৰো (অষ্ট্ৰিক) জনগোষ্ঠীৰ কিছু লোকেও মিছনৰ উদ্দেশ্যে আহি গোবৰ্দ্ধনৰ এটা অংশৰ বাসিন্দা হয়। বকো, ছয়গাঁও, শুৱালকুছি আদি ঠাইৰ বান ভগনীয়া লোক কিছু আহিও খাটৰগাঁও অঞ্চলত (অসমীয়া লোক) বসতি কৰে। বৰ্তমান এই অঞ্চলটো নানা জাতি-জনগোষ্ঠীৰ সমন্বয় ক্ষেত্ৰ। একেদৰে চন্দ্ৰপুৰ অঞ্চলতে তাপবিদ্যুৎ প্ৰকল্প, সূতাৰ কল, ৰাসায়নিক সাৰ কাৰখানা আদি উদ্যোগৰ ফলত বিভিন্ন প্ৰান্তৰ পৰা লোক আহি স্থায়ী বাসিন্দা হৈ পৰে। অতি সাম্প্ৰতিক সময়ত ব্ৰহ্মপুত্ৰৰ চাপৰি অঞ্চলত সন্দেহজনক বহুসংখ্যক লোকে বেদখল কৰি স্থানীয় লোকৰ বাবে ভাবুকিস্বৰূপ হৈ পৰিছে।

পূৰ্বেই উল্লেখ কৰি অহা হৈছে যে কাজলি চকী অতীততে মায়ং ৰাজ্যৰ অন্তৰ্গত এখন পোৱালি ৰজা আছিল। কছাৰী বংশৰ ধৰ্মসিংহ নামৰ এজন ৰজাই মায়ং ৰাজ্যৰ অধীনত এই পোৱালি ৰাজ্যখন শাসন কৰিছিল। ব্ৰিটিছৰ ৰাজত্বকালত এই মায়ং নগাঁও জিলাৰ অন্তৰ্গত আছিল। যোৱা ১৯৮৯ চনৰ ১৪ অক্টোবৰ তাৰিখে নগাঁৱৰ পশ্চিমাঞ্চলক লৈ মৰিগাঁও নামেৰে এখন পৃথক জিলাৰূপে চৰকাৰীভাৱে ঘোষণা কৰা হয়। তাৰ পূৰ্বে ১৯৮২ চনত ভাৰতৰ তদানিন্তন প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে চন্দ্ৰপুৰত অসমৰ ৰাজধানীৰ ধৰণী শিলা স্থাপন কৰি মায়ঙৰ কাজলি, হাতীবগৰা, গোভালী, গোবৰ্দ্ধন, ঘোঁৰামৰা জানপাম, দীঘলআটি, নলনী, কৰদৈয়া, কমাৰপুৰ, গৰুবন্ধা, ধামখুন্দা আদি ১২ খন গাঁও কাটি নি প্ৰস্তাবিত প্ৰাগজ্যোতিষপুৰ জিলাৰ অন্তৰ্গত হয়। কিন্তু কালক্ৰমত প্ৰাগজ্যোতিষপুৰ জিলা ঘোষিত নহৈ কেৱল এটা মহকুমা ৰূপেহে ঘোষণা কৰা হ'ল আৰু ৰাজধানীও চন্দ্ৰপুৰৰ পৰিবৰ্তে দিছপুৰত স্থাপিত হ'ল। তাৰ ফলত উল্লিখিত ১২ খন গাঁৱে প্ৰশাসনৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। কিয়নো তেওঁলোকে ভোটাধিকাৰ সাব্যস্ত কৰে মৰিগাঁও জিলাৰ ৭৯ নং জাগীৰোড বিধানসভা সমষ্টিত কিন্তু প্ৰশাসনীয় সুবিধা লাভ কৰে কামৰূপ (মহানগৰ) জিলাৰ ৫২ নং দিছপুৰ বিধানসভা সমষ্টিৰ

জৰিয়তে। অতি সাম্প্ৰতিক সময়ত মায়ঙৰ আৰু বহুসংখ্যক গাঁও কামৰূপ (মহানগৰ) জিলাৰ অন্তৰ্গত কৰাৰ গুণা-গঁথা চলি থকাটোও লক্ষণীয় বিষয়।

**প্ৰসংগ গ্ৰন্থ**


১/ জয়ন্তীয়া বুৰঞ্জী— বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম

২/ অসমৰ পাদ্য বুৰঞ্জী— ঐ

৩/ আসাম বুৰঞ্জী— গুণাভিৰাম বৰুৱা

৪/ সাতসৰি অসম বুৰঞ্জী— সম্পাদনা ঃ ড° সূৰ্য কুমাৰ ভূঞা

৫/ আহোমৰ ৰণনীতি— নগেন হাজৰিকা

৬/ A History of Assam– Edward Gait

৭/ অসম বুৰঞ্জী— চেনেহী বেগম

৮/ অসম দেশৰ বুৰঞ্জী— ড° লক্ষ্মী দেৱী

৯/ মায়ঙৰ ইতিহাস— লোকেন্দ্ৰ হাজৰিকা

১০/ মায়ঙৰ সাৰ্বজনীন গোসাঁই উলিওৱা মেলা আৰু গড়ভঙা উৎসৱ— লোকেন্দ্ৰ হাজৰিকা

১১/ বহাৰ ৰহীয়াল বৰুৱা আৰু সাতো ৰজা পাঁচো ৰজাৰ কথা— গণেশ সেনাপতি

১২/ কোচ ৰাজবংশী জাতিৰ ইতিহাস— অম্বিকা চৰণ চৌধুৰী

১৩/ ফুলগুৰিৰ ধেৱা— বেণুধৰ কলিতা

১৪/ তুংখুঙীয়া বুৰঞ্জী— বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম

১৫/ অসমৰ শাক্ত সাধনা আৰু তন্ত্ৰ-মন্ত্ৰ ঃ মায়ঙৰ প্ৰেক্ষাপটত এক বিশ্লেষণাত্মক অধ্যয়ন (অপ্ৰকাশিত)— লোকেন্দ্ৰ হাজৰিকা

১৬/ দেৱী— ড° নিৰ্মলপ্ৰভা বৰদলৈ

১৭/ শিৱ— ঐ

১৮/ বুৰঞ্জীৰ প্ৰকৃতি আৰু স্বৰূপ— অসম সাহিত্য সভা

১৯/ অসমৰ নদ-নদী— ড° যোগেন্দ্ৰ নাথ শৰ্মা

২০/ দৰং ৰাজবংশাৱলী— সম্পাদনা ঃ ড° নবীন শৰ্মা

২১/ শৰাইঘাটৰ যুদ্ধৰ কথা— ড° লীলা গগৈ

২২/ দেউধাই অসম বুৰঞ্জী— সম্পাদনা ঃ ড° সূৰ্য কুমাৰ ভূঞা ঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম

২৩/ কালিকা পুৰাণ— অনুবাদ ঃ দেৱেন্দ্ৰ নাথ ভট্টাচাৰ্য

২৪/ গুৰু চৰিত— ৰামচৰণ ঠাকুৰ বিৰচিত ঃ সম্পাদনা ঃ হৰিনাৰায়ণ দত্ত বৰুৱা, সাহিত্যাচাৰ্য

২৫/ সচিত্ৰ শিশু ৰামায়ণ বা শ্ৰীৰাম কীৰ্তন ঃ অনন্ত ঠাকুৰ বিৰচিত, সম্পাদনা ঃ হৰিনাৰায়ণ দত্তবৰুৱা, সাহিত্যাচাৰ্য

২৬/ যোগিনী তন্ত্ৰম— সানুবাদম— দত্ত বৰুৱা এণ্ড কোম্পানী

২৭/ ডিমৰুৱা ৰজাৰ গৰিমা— প্ৰতাপ চন্দ্ৰ চৌধুৰী

২৮/ আহোমৰ দিন— ড° সূৰ্য কুমাৰ ভূঞা

২৯/ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ— ড° সূৰ্য কুমাৰ ভূঞা

৩০/ অসমৰ বুৰঞ্জী— পদ্মনাথ গোহাঞিবৰুৱা

৩১/ মণি কোঁৱৰ আখ্যান— শ্ৰীলক্ষ্মী সিংহ ডেকা

৩২/ মোৱামৰীয়া গণ অভ্যুত্থান— ধ্ৰুৱজ্যোতি বৰা

৩৩/ কালশিলা— স্মৃতিগ্ৰন্থ, মৰিগাঁও জিলা সাহিত্য সভা, দ্বিবাৰ্ষিক মায়ং অধিৱেশন, সম্পাদনা ঃ উৎপল নাথ

৩৪/ কাছশিলা— স্মৃতিগ্ৰন্থ, মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয় সোণালী জয়ন্তী, সম্পাদনা ঃ লোকেন্দ্ৰ হাজৰিকা

৩৫/ হাতীশিলা— স্মৃতিগ্ৰন্থ, কামৰূপ জিলা সাহিত্য সভা, চন্দ্ৰপুৰ অধিৱেশন, সম্পাদনা ঃ ধীৰাজ দাস

৩৬/ কামৰূপা— স্মৃতিগ্ৰন্থ, কামৰূপ জিলা সাহিত্য সভা

৩৭/ লাচিত বৰফুকন ঃ ড° সূৰ্য কুমাৰ ভূঞা ঃ অসম প্ৰকাশন পৰিষদ, ৭ম প্ৰকাশ-২০১০।

৩৮/ অসম বুৰঞ্জী ঃ পদ্মেশ্বৰ নাওবৈচা ফুকন ঃ সম্পাদক - লক্ষ্মী নাথ তামুলী ঃ অসম প্ৰকাশন পৰিষদ ঃ দ্বিতীয় প্ৰকাশ - ২০০৭


**প্ৰবন্ধঃ**


১/ ইতিহাসে গৰকা চন্দ্ৰপুৰ— তৰুণ বসুমতাৰী

২/ চন্দ্ৰপুৰৰ প্ৰহেলিকাময় ইতিহাসৰ পম খেদি— ধীৰেণ বসুমতাৰী

৩/ কাজলিচকী গাঁৱৰ ঐতিহাসিক ইতিবৃত্ত— পূৰ্ণেশ্বৰ শইকীয়া

৪/ ঐতিহাসিক পটভূমিত কাজলি চকী— লোকেন্দ্ৰ হাজৰিকা

৫/ ইতিহাসে গৰকা চন্দ্ৰপুৰ-কাজলি চকী— লোকেন্দ্ৰ হাজৰিকা

৬/ পৰ্যটনৰ বিপুল সম্ভাৱনাৰে ভৰা কাজলি-চন্দ্ৰপুৰ— লোকেন্দ্ৰ হাজৰিকা

# কাজলিমুখ ঃ জোঙালৰ বীৰত্বৰ অন্তিম সাক্ষী

সংগ্ৰহকাৰী ঃ পম্পী দাস, প্ৰাক্তন ছাত্ৰী

১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ অৰ্দ্ধাংশত বিশ্বৰ অনেক লোকে ভাৰতীয় পূৰ্ব্বাঞ্চলৰ এটা স্বদেশপ্ৰেমী জাতিৰ নাম শুনিবলৈ পাইছিল। চৰকাৰীভাৱে জাতিসমূহৰ নামৰ তালিকাত অন্তৰ্ভুক্ত আছিল যদিও সৰ্ব্বভাৰতীয় ক্ষেত্ৰত তেতিয়ালৈকে জনতাৰ অজ্ঞাত হোৱা লালুংসকলেই অসমৰ অন্য এক খিলঞ্জীয়া নিবাসী। বৰ্তমান লালুংসকলে নিজকে তিৱা বুলি পৰিচয় দিয়ে। অসমৰ বৰ্তমান নগাঁও, মৰিগাঁও, কামৰূপ, কাৰ্বি আংলং, মেঘালয়, লখিমপুৰ, শিৱসাগৰ আদি জিলাত তিৱাসকল সিঁচৰতি হৈ আছে যদিও জনসংখ্যাত অৱশ্যে তেনেই তাকৰ। কিন্তু তেওঁলোকৰ ঐতিহ্য, ভাষা-সাহিত্য, সংস্কৃতি-পৰম্পৰা, উপমা পিছে তাকৰীয়া নহয়। সমগ্ৰ অসমৰ সাহিত্যিক, বুৰঞ্জীবিদ, বুদ্ধিজীৱীৰ চকুৰ আগত তেওঁলোকৰ ঐতিহ্য-পৰম্পৰাবোৰ পৰি আছে যদিও আজিলৈ সেইবোৰৰ বিষয়ে যথোপযুক্তভাৱে লিপিবদ্ধ হোৱা নাই। তিৱাসকলৰ গৌৰৱ জোঙাল বলহু। তিৱা বীৰ জোঙাল বলহুৰ কাহিনীৰ অনেক অংশ তিৱাসকলৰ মাজত জনশ্ৰুতিৰ আশ্ৰয় কৰিয়ে বৰ্তি আছে। ঐতিহ্য আৰু সত্যতাৰ প্ৰভাৱ আৰু সাক্ষী তিৱা বীৰ জোঙাল বলহুৰ জীৱন কাহিনীত যথেষ্ট পোৱা যায়। সেইসমূহৰে অন্যতম সাক্ষী জোঙাল বলহু গড়। তিৱা বীৰ জোঙাল বলহুৰ অমৰ কীৰ্তিচিহ্ন হ'ল এই গড়। জোঙালৰ সৈতে সম্পৰ্ক থকা অনেক কথাই নগাঁও জিলাৰ ৰহা দীঘলিআটিৰ পৰা আৰম্ভ কৰি মৰিগাঁও জিলাৰ মনহা, মায়ং, কাজলিমুখলৈকে বিস্তৃত হৈ আছে।

মায়ঙৰ ৰজা আৰিমত্ত আৰু খোলাৰ ৰাণী গঙ্গাৱতী পুত্ৰ জোঙাল বলহু। ১৩৮৫ ৰ পৰা ১৪০০ খ্ৰীষ্টাব্দলৈ ৰাজপাট চলাইছিল তেওঁ। সেই সময়ত মায়ঙৰ ৰজা আৰিমত্ত ৰাজনৈতিক কাৰণত তিৱাসকলৰ ৰাজ্য ভ্ৰমণ কৰিবলৈ আহিছিল। তেতিয়াই খোলা ৰাজকন্যা গঙ্গাৱতীৰ সৈতে সাক্ষাৎ হয় আৰু দুয়ো প্ৰণয়পাশত আবদ্ধ হয়। মায়ঙৰ ৰজা আৰিমত্তই বিধিসন্মতভাৱে পাণি গ্ৰহণ কৰিবলৈ বিবাহ প্ৰস্তাৱ আগবঢ়োৱাত খোলা ৰাজ পৰিয়ালে দুয়োপক্ষৰ মাজত কুলগত মিল থকাত এই বিবাহ অস্বীকাৰ কৰে। সেয়ে হ'লেও আৰিমত্ত আৰু গঙ্গাৱতীৰ প্ৰণয়ৰ চিনস্বৰূপেই জোঙাল বলহুৰ জন্ম হয়। ৰাণী গঙ্গাৱতীয়ে পুত্ৰক বুকুত বান্ধি ৰাজকাৰ্য্যত ব্ৰতী হ'ল। খোলাৰ ৰাজ্যতেই জোঙালে খেলি-ধূলি ডাঙৰ-দীঘল হ'ল। লাহে লাহে মহাপ্ৰতাপী হৈ খোলা ৰাজ্যৰ সকলো লোকৰে মন জয় কৰিলে।

কথিত আছে অপূৰ্ব শাৰীৰিক গঠনৰ জোঙাল বলহুৱে গাগ্ৱাৰ ওচৰৰ লুকলাঙৰ হাবিত খালি হাতেৰেই মানুহৰ ওচৰত উপদ্ৰৱকাৰী বাঘ এটা নিধন কৰিছিল। সেইদৰে কিলিং নৈৰ পানীত খেলি থকা প্ৰকাণ্ড প্ৰকাণ্ড ঘৰিয়াল অনায়াসে বধ কৰিছিল। পাহোৱাল জোঙালৰ এনে বীৰত্বৰ কথা মাক গঙ্গাৱতীৰ কাণত পৰিল। ৰাণী গঙ্গাৱতীয়েও যেন এনে এক সময়লৈকেহে বাট চাই আছিল। খোলা ৰাজ্যৰ ৰাজ পৰিষদৰ সৈতে আলোচনা কৰি জোঙাল বলহুক ৰাজপদত অভিষিক্ত

কৰাৰ মন মেলিলে।

তিৱাসকলে ৰজাভিষেকৰ ক্ষেত্ৰত বিচিত্ৰ এক প্ৰথাৰ অৱলম্বন কৰে। তেওঁলোকে হাৰী কুঁৱৰীৰ সন্তানকহে ৰাজপাটত বহুৱায়। অৰ্থাৎ মছৰং কুলৰ কন্যালৈ ঘৰজোঁৱাই ৰাখিলে তেওঁলোকৰ পৰা যি সন্তান জন্ম হ'ব তেওঁহে ৰাজপাটৰ অধিকাৰী হ'ব।

তিৱাসকলৰ মছৰং (প্ৰধান) মাছৰং শুকাই, পুমা, পুৰু, চ'গ্ৰা, আগ্ৰা, মাছৰ, মাচলাই, ডাফৰং আদি কৰি ৫৪ টাৰো অধিক কুলেৰে বিভক্ত। ৰাণী গঙ্গাৱতী মছৰং কুলৰ কন্যা। জোঙালো মছৰং কুলৰ ৰাজপাটৰ অধিকাৰী। তিৱাসকলৰ ৰাজাভিষেকৰ ক্ষেত্ৰত আন এটা বিচিত্ৰ প্ৰথাও আছে। এখেতসকলে প্ৰকৃত এজন বীৰ আৰু ঈশ্বৰৰ আশীৰ্বাদপ্ৰাপ্ত লোককহে ৰজা হিচাপে স্বীকাৰ কৰি ভাল পায়। সেয়ে ৰাজাভিষেক হ'বলগা লোকজনক বিচিত্ৰ এক পদ্ধতিত পৰীক্ষা কৰে। ৰজা হিচাপে নিৰ্বাচিত হাৰী কুঁৱৰীৰ পুত্ৰক ৰাজ পাৰিষদবৰ্গই অটব্য ভয়াল এক অৰণ্যাঞ্চললৈ লৈ যায়। তাৰে কোনো এঠাইত এটা পৰ্ণকুটিৰ তৈয়াৰ কৰি ভাবি ৰজাজনক তাৰ ভিতৰত সোমোৱাই এনিশাৰ বাবে এৰি থৈ আহে। সেই পৰ্ণকুটিৰৰ দুৱাৰমুখৰ দুয়োফালে দুটা প্ৰতীক সৌঁফালে এটা পোৰা। অৰ্থাৎ পুৰণি দিনৰ জোখৰ এপোৰা ধান ধৰা এটা টোপা আৰু বাওঁফালে থৈ আহে পানী ভৰা এটা ঘাগৰি। নিশাটোৰ অন্তত ৰাজ পাৰিষদবৰ্গ আহি সেই পুৰুষজনক যদি নিৰ্বিঘ্নে উদ্ধাৰ কৰিব পাৰে তেনেহ'লে তেওঁলোক নিশ্চিত যে তেওঁলোকৰ বাবে সেই পুৰুষ ঈশ্বৰৰ আশীৰ্বাদপ্ৰাপ্ত সৰ্বস্ব লক্ষণযুক্ত প্ৰতিনিধি। তেওঁৱে তিৱাসকলৰ বাবে শান্তি আৰু লখিমীৰো প্ৰতীক। তেওঁৱে তেওঁলোকৰ কামনাৰ ৰজা।

জোঙালৰ ৰাজাভিষেকৰ অন্তত মাক গঙ্গাৱতীয়ে এটা গোপন কক্ষলৈ লৈ গ'ল। সেই কক্ষ গঙ্গাৱতীৰ ফা মহাদেৱৰ আৰাধনা কক্ষ। তেওঁক তালৈ নি ফা-মহাদেৱৰ বিগ্ৰহৰ সন্মুখত সেৱা কৰোৱাই তাতে সংগোপনে সংৰক্ষণ কৰা ন-হাত দীঘল এপাত তৰোৱাল আনি জোঙাল বলহৰ হাতত তুলি দি ক'লে— 'মোৰ চেনেহৰ পুত্ৰ জোঙাল, এইপাত তোৰ উপৰি পুৰুষসকলে আমাৰ ইষ্টদেৱতা ফা-মহাদেৱৰ পৰা দানস্বৰূপে পোৱা তৰোৱাল। এই তৰোৱাল যাৰ হাতত থাকিব তেওঁ সৰ্বদা অজেয় হৈ থাকিব। ইয়াক আজি তোৰ হাতত অৰ্পণ কৰিলো। ইয়াৰ সৎ ব্যৱহাৰ কৰি আপোন ৰাজ্য আৰু বীৰত্ব ৰক্ষা কৰিবি। এই তৰোৱাল তোৰ হাতত থকালৈকে তোক কোনো শত্ৰুৱেই পৰাস্ত কৰিব নোৱাৰিব। ফা-মহাদেৱক বিশ্বাস ৰাখিবি, তোৰ মঙ্গল হ'ব।'

সেই দেৱপ্ৰদত্ত তৰোৱালখন জোঙালে হাত পাতি ল'লে আৰু শপত খাই ক'লে— 'তিৱাসকলৰ ইষ্ট দেৱতা ফা-মহাদেৱ আৰু আপোনালৈ প্ৰণিপাত জনাই মই শপত গ্ৰহণ কৰিছো, এই তৰোৱাল হাতত লৈ সমগ্ৰ তিৱা জাতিৰ মঙ্গল সাধন কৰিম আৰু সমগ্ৰ চুবুৰীয়া ৰাজ্যকে জয় কৰি মোৰ ৰাজ্যৰ সীমাৰ পৰিসৰ বৃদ্ধি কৰিম।'

'তই যি ইচ্ছা তাকেই কৰ। কিন্তু সাৱধান পশ্চিম দিশলৈ মুঠেই যাত্ৰা নকৰিবি, মোৰেই শপত।'

মাতৃৰ আদেশ মানি ৰাজ্যৰ পশ্চিম দিশ এৰি পূৱৰ কুণ্ডলি জয় কৰিলে। তাৰ পিচত বশ মনালে পূৰ্বপুৰুষৰ ডিমাপুৰীয়া শত্ৰু কছাৰী ৰজাক। তাৰ লগতে মাইবং আৰু কাছাৰৰ ৰজাকো কৰ তলতীয়া কৰিলে। এইদৰে খোলা ৰাজ্যৰ সীমা পূৱে খাগৰিজানলৈ আৰু উত্তৰে ব্ৰহ্মপুত্ৰলৈকে বঢ়াই পুৰণি ৰাজধানী দীঘলি আটিলৈ স্থানান্তৰ কৰোৱালে। ৰাজধানীখনক শত্ৰুৰ আক্ৰমণৰ পৰা মুক্ত কৰিবলৈ তিনি খলপীয়া গড় বন্ধালে। এই গড়েই আজিও জোঙাল বলহু গড় নামেৰে জনাজাত। বৰ্তমান ইয়াকে আশ্ৰয় কৰি চলিছে এটা মীন পালন কেন্দ্ৰ। এটা মূৰত স্থাপিত হৈছে এখন উচ্চ মাধ্যমিক বিদ্যালয়। ইয়াৰ নাতিদূৰৈতে গঢ়ি উঠিছে মীন মহাবিদ্যালয়। এই গড় বন্ধোৱাৰ সময়ত ওখই ২০ হাত আৰু বহলে ১৫ হাত আছিল। ইয়াৰ মাজৰ পুখুৰী অংশ বহলে ৮০ হাত আৰু ঠাৱনী নোপোৱা দ।

জোঙালে ভালেকেইখন ৰাজ্য জয় কৰাৰ পিছতো পশ্চিমৰ কোনো ৰজাক পৰাস্ত কৰিব নোৱাৰি শান্তি নাপালে। সেয়ে সংগোপনে এদিন গৈ পশ্চিমাঞ্চলৰ টৌমাৰা পাহাৰৰ শিখৰত উঠিল। দেখিলে সুন্দৰ এখনি ৰাজ্য। তাৰ পৰা আগবাঢ়োতেই মায়ঙৰ সৈন্যৰ মুখামুখি হ'ল। আৰিমত্তৰ সৈন্য ৰণত হৰাত জোঙালৰ ইচ্ছাত তেওঁক আৰিমত্তৰ সন্মুখলৈ লৈ গ'ল। আৰিমত্তয়ো ৰাজধানীৰ প্ৰৱেশদ্বাৰতে যুৱকক নিজৰ উদ্ধতালি সম্বৰিবলৈ সকীয়াই দিলে। যুৱক জোঙালৰ ৰণ প্ৰকোপত আৰিমত্তই প্ৰাণহে দিবলগীয়া হ'ল। আৰিমত্তৰ ডিঙিৰ পৰা চিটিকি পৰা হাৰ এডাল হাতত লৈ উলটি আহি মাকক মহানন্দেৰে আৰিমত্ত হত্যাৰ সংবাদ দিলে। ৰাণী অকস্মাতে ম্ৰিয়মাণ হ'ল। আৱেগত গঙ্গাৱতীয়ে নিজৰ পুত্ৰকো অভিশাপ দিলে। 'মুৰুখ, মাতৃৰ অবাধ্য হৈ অৱশেষত তই আপোন পিতৃকে নিধন কৰিলি। তোৰো ধ্বংস অনিবাৰ্য। তই ৰণ-তৃষ্ণাত দুহাতেৰে নোৱাৰি গো-মুখে পানী খাব লাগিব।

প্রিয়জনৰ বিশ্বাসঘাতকতাই তোৰ সৰ্বনাশৰ মূল হ'ব।'— এই কথা কথিত আছে।

একে সময়তে জোঙালে পিতৃ আৰু মাতৃ দুয়োজনকে হেৰুৱাই হতভম্ব হৈ গ'ল। অনেক দুশ্চিন্তা আৰু আত্মগ্লানিৰ মাজেৰে দিন কটোৱাৰ সময়তে পুৰণি শত্ৰু ডিমাপুৰীয়া কছাৰী ৰজা মেঘনাৰায়ণৰ কন্যাদানৰ এক প্ৰস্তাৱ আহিল। জোঙালৰ এই প্ৰস্তাৱৰ ওপৰত সন্দেহ ওপজিলেও ৰাজ পৰিষদবৰ্গই অতীতৰ শত্ৰুতা বিনাশেৰে নতুন সম্প্ৰীতিৰহে বাহক বুলি পৰামৰ্শ দিলে। তিৱাৰজা জোঙাল বলহু আৰু কছাৰী ৰজা মেঘনাৰায়ণৰ কন্যা সুকোমলাৰ এই বিয়া দীঘলি আটিৰ লাওফুলা বড়ীত হৈছিল বুলি আজিও জনশ্ৰুতি আছে। এই বিয়াত মহাদেউশালীৰ ওচৰৰ যি গাঁৱৰ ৰাইজে নাম গাইছিল সেই গাঁও নামগাঁও বুলি আজিও মানুহে জানে।

শত্ৰুৰ সৈতে মিত্ৰতা মেঘনাৰায়ণৰ চক্ৰান্তহে আছিল। জীয়েক সুকোমলাক জোঙালক আয়ত্ত কৰিবলৈহে পঠিয়াইছিল। কাৰণ দৈৱপ্ৰদত্ত সেই ন-হাত দীঘল তৰোৱালপাত জোঙালৰ হাতত থকালৈকে মেঘনাৰায়ণে অতীত শত্ৰুতাৰ পেটিক তুলিব নোৱাৰে। জোঙালে নিজহাতে ধৰি অনা এটা প্ৰকাণ্ড বৰালি মাছ দেখি সুকোমলাৰ মন দেশপ্ৰেমত উথলি উঠিল। জোঙালক মান্তি কৰোৱাই সেই মাছ লগুৱা-লিকচৌ লগাই ডিমাপুৰলৈ পঠিয়াই দিলে। মেঘনাৰায়ণ জীয়েকৰ কামত আনন্দিত হ'ল, কাৰণ বুদ্ধিমতী সুকোমলাই সেই মাছটোৰ পেটতেই লুকুৱাই পঠিয়াই দিলে জোঙালে মাকৰ পৰা লাভ কৰা ন-হাত দীঘল সেই দৈৱপ্ৰদত্ত তৰোৱালখন। মেঘনাৰায়ণ আৰু বৈ নাথাকিল, অনতিপলমেই জোঙাল বলহুক আক্ৰমণ কৰিলে।

হিড়িম্বাৰ বংশধৰ মেঘনাৰায়ণৰ এই আক্ৰমণৰ কথা ৰাজ পৰিষদে জনোৱাত জোঙাল বলহু ক্ৰোধান্বিত হৈ মেঘনাৰায়ণক এসেকা দিবলৈ প্ৰস্তুত হ'ল। তেতিয়াও নিশাৰ অন্ত পৰিবলৈ বাকী আছিল। তেনে সময়তে ততাতৈয়াকৈ প্ৰাতঃস্নান কৰি আহি ইষ্ট দেৱতা ফা-মহাদেৱৰ উপৰি বসুন্ধৰী থানত উপাসনা কৰে। চহৰী ৰাজ্যৰ ৰাজন্য বৰ্গৰ প্ৰধান উপাস্য দেৱী বসুন্ধৰী। এইখিনিতে উল্লেখ কৰিব পাৰি যে চহৰী ৰাজ্যৰ তিৱাসকলে প্ৰথমতে কালিকা থান বাউলী থান, মহাদেওঁশাল, বসুন্ধৰী থান আদিত পূজা-পাৰ্বন সমাপন কৰিহে ব'হাগ বিহু পাতে। দেৱ-দেৱীৰ আশীৰ্বাদত বিশ্বাসী তিৱাসকলৰ গৌৰৱ জোঙালেও ফা-মহাদেৱৰ আশীৰ্বাদ কামনা কৰি উভতি হতভম্ব হৈ গ'ল। কাৰণ সমগ্ৰ তিৱাৰ ফা-মহাদেৱৰ প্ৰদত্ত আশীৰ্বাদ সেই ন-হাত দীঘল তৰোৱালপাত যথাস্থানত নাই। সেই বিষয়ে মহাৰাণী সুকোমলাক প্ৰশ্ন কৰি কোনো উত্তৰ নোপোৱাত বলহুৱে কছাৰী ৰজাৰ সকলো চক্ৰান্তৰ অৰ্থই উপলব্ধি কৰিলে। প্ৰচণ্ড এক গোৰ সোধাই সুকোমলাক ধৰাশায়ী কৰিলে আৰু দপদপকৈ খোজ পেলাই ৰণস্থলীত উপস্থিত হ'লগৈ। কথিত আছে উপায়ন্তৰ হৈ জোঙাল বলহুৱে সেই তৰোৱালপাতৰ খাপটো হাতত লৈ যুদ্ধত অৱতীৰ্ণ হ'ল। সেই খাপটোৰে সৈতে দিয়া যুদ্ধৰ পৰাক্ৰমো শত্ৰুৰ সহ্যকৰ হোৱা নাছিল। খাপটো খণ্ড বিখণ্ড হৈ যোৱাত খালি হাতেৰেই যুঁজ দিছিল। অৱশেষত তৃষ্ণাত অত্যন্ত কাতৰ হৈ পৰাত পিছুহঁহকি কলঙলৈ আহিল। তাকে দেখি তিৱাসকলো পিছুৱাই আহিল। পানী খাবলৈ দুহাত মেলি আজলিৰে পানী তুলিবলৈ খোজোতেহে ৰক্তাক্ত দুহাত চকুত পৰিল। দুৰ্দান্ত বীৰ হ'লেও জোঙাল আছিল হৃদয়বান। সেয়ে তেওঁ ৰক্তাক্ত দুহাতেৰে পানী খাব নোৱাৰিলে। মনত পৰিল মাতৃৰ অভিশাপৰ কথা। ইফালে তৃষ্ণাত অঠ কণ্ঠ শুকাই গ'ল। উপায়ন্তৰ হৈ গো-মুখে পানী খাবলৈ বাধ্য হ'ল জোঙাল। মাতৃক সুঁৱৰি প্ৰকাশ কৰিলে— তোৰ অভিশাপ ফলিয়ালে আই...। পানী খাই পাৰত উঠি দেখিলে কছাৰী সৈন্যই তেওঁলৈ বুলি সেইফাললৈকে খেদি আহিছে। প্ৰাণৰ মমতাত জোঙালে পলায়ন কৰিবলৈকে ঠিৰাং কৰিলে আৰু মোলানকটাৰ ওচৰৰ এঠাইত গৈ কলঙত ডুব মাৰিলে। সেই ঠাই আজিকালি ডুবৰিতলি বুলি খ্যাত। নলখাগৰিৰ আঁৰে আঁৰে গৈ য'ত বৈছিল সেই ঠায়েই ৰহা। ইয়াৰ পৰা কিছুদূৰ পুনৰ ডুব মাৰি গৈ এঠাইত পাৰলৈ উঠাত কছাৰীৰে সৈতে পুনৰ ৰণ দি হাৰিবলগীয়া হ'ল। সেই ঠাইকে মানুহে হাৰিয়া বুলিলে অৰ্থাৎ আজিকালিৰ হাৰিয়ামুখ তাৰ পিছত কপিলীৰ সুঁতি এটাৰে চাপৰি চাপৰি পলাই গৈ য'ত ওলাইছিল সেই ঠায়ে চাপৰমুখ হ'ল। ইয়াৰ পিছত জোঙালে কপিলীৰে ভটিয়াই আহি যি ঠাইত উঠিলহি কপিলীপৰীয়া সেই ঠাইতে আছিল এখনি ধৰ্মালোচনাৰ টোল অৰ্থাৎ ধৰ্মচৰ্চাৰ স্থান। শুনা যায় বহুদূৰ অতীতত কপিলীপৰীয়া সেই ঠাইতে প্ৰকাণ্ড জৰি গছ এজোপাৰ তলত বশিষ্ঠ-কংম্বকে আদি কৰি তিনিজন মহামুনিয়ে ধৰ্ম চৰ্চাকাৰী জনসাধাৰণক আত্মশুদ্ধিৰ উপদেশ দিছিল। সেয়ে সেই ঠাই তেতিয়াৰে পৰা ধৰমতুল নামে খ্যাত হ'ল। সেই ঠাইতে ধৰ্মৰ শৰণাপন্ন হ'ল পিতৃহন্তা আৰু মাতৃ অভিশাপ কিজানিবা খণ্ডন হয়েই এই ভাবি ধৰ্মৰ শৰণাপন্ন হ'ল। আপোন পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ নৌপাওতেই কছাৰী

সৈন্য আহি তেওঁক বিচাৰি পোৱাত বলহৰে পুনৰ কপিলীৰ ভটিয়নী সোঁতত ডুব মাৰিলে। কছাৰী সৈন্যসকলেও জোঙালৰ সকলো বিক্রম শেষ নকৰালৈকে তেওঁক খেদি খেদি নিয়েই থাকিল। প্ৰাণপণে ডুব মাৰি গৈ থকা জোঙালক এনেকৈ খেদি খেদি নি থাকোতে কছাৰী সৈন্যই জোঙালক আঘাট কৰিব পৰাকৈ জোঙেৰে হানি-খুঁচি অতিষ্ঠ কৰি গৈ থাকিল। অৱশেষত এঠাইত গৈ পানীৰ পৰা জাগি উঠিবলৈ বাধ্য হৈছিল। সেই ঠায়ে পিছলৈ জাগি নামে জনাজাত হ'ল। শুনা যায় জাগীৰ কাষৰীয়া কোনো ঠাইত জোঙালে ভকতে শাৰীকৈ বহাৰ দৰে বহিছিল বাবে সেই গাঁও ভকতগাঁও। কছাৰীৰ অত্যাচাৰত অতিষ্ঠ জোঙাল চট্‌ফট্ কৰি ভটিয়নী সোঁতত ভাঁহি গৈছিল বাবেই পাৰৰ গাঁওখনৰ নাম চটাবড়ী হ'ল। তাৰ পিছত বহাত গৈ বহিছিল আৰু কছাৰীৰ অসহনীয় অত্যাচাৰৰ অন্তত কাজলিমুখত গৈ উপনীত হৈছিলগৈ। য'ত কপিলীয়ে ব্ৰহ্মপুত্ৰৰ গম্ভীৰ সোঁতত নিজক বিলীন কৰি দিছিল। সেই ঠাইতে দুৰ্দান্ত পৰাক্ৰমী তিবা বীৰজনে পুনৰবাৰলৈ কাজলিতৰাই প্ৰাণৰ তৃষ্ণা পুৰাই অন্তিমবাৰলৈ পানী খালে। সেই ঠায়ে কাজলিমুখ। তাতেই বেচেৰা জোঙাল বলহৰে জীৱন নাটৰ সামৰণি মাৰিবলগীয়াও হ'ল।

কথিত আছে এই কাজলিমুখতে কছাৰী সৈন্যই মোকাল বাঁহৰ জোঙেৰে খুঁচি জোঙাল বলহুক ধাৰাশয়ী কৰিলে। নিজৰ অসহায় অৱস্থা আৰু অনিবাৰ্য মৃত্যুৰ ইঙ্গিত জানি মনৰ উত্তেজনাত জোঙালে কৈ পেলালে। জোঙেৰে খুঁচিলেই জোঙালৰ মৃত্যু হ'ব নোৱাৰে। জোঙালৰ ছালখন চেলাই নেপেলোৱাপৰ্যন্ত কাহানিও মৃত্যু নহয়। কছাৰী সৈন্য হতভম্ব হৈ গ'ল। জোঙালে আকৌ ক'লে— তাকো মোৰ ছালখন কিহেৰে চেলাব লাগিব জানা? বিৰিণা পাতৰ ধাৰেৰে। জোঙালৰ মৃত্যুৰ সকলো উপায় জোঙালৰ মুখেৰে শুনি সেই পদ্ধতিৰেই তেওঁৰ ছালখন কছাৰীহঁতে চেলাই পেলালে। অথচ তাৰ পিছতো জোঙাল নমৰাকৈয়ে থাকিল। তেতিয়াও জোঙালে হাঁহি মাৰি সিহঁতলৈ কটাক্ষপাত কৰিলে। কছাৰীহঁতে খঙেৰে বলহুক সুধিলে— হেই অঘাইটং লালুং, এতিয়াও কি আৰু কিবা ৰহস্য গোপন কৰিছ? জোঙালে এক অৰ্থপূৰ্ণ হাঁহি মাৰি ক'লে— কছাৰীয়ে যি কৰি তিবাক ধ্বংস কৰাৰ প্ৰয়াস নকৰক মোৰ এই দেহবিহীন চৰ্মই ভূমি স্পৰ্শ কৰাৰ লগে লগেই মই পুনৰ জীৱন লভিম। উল্লেখ আছে জোঙাল বলহৰে কছাৰী ৰজা মেঘনাৰায়ণৰ সৈতে ৰণ দিবলগীয়া হোৱাত চহৰী ৰাজ্যত দুটা গড় মাৰিছিল। অৱশ্যে দুয়োটাই আধৰুৱা হৈ ৰয়। সেই দুই আধৰুৱা গড়েই গড়আলি বা গড়আটি আৰু মৈৰাগড়। জনা যায় চহৰী অঞ্চলৰ দুৰুলা বিল ৰৰবড়ী, বৰালীমাৰী, গৰুমাটি, মাজৰবড়ী, হাতবৰ, গছপৰা, বসুন্ধৰী, বোলা, চহৰিদং আদি ঠাই জোঙাল বলহৰ কাৰ্য্যাৱলীৰ প্ৰত্যক্ষ সাক্ষী। ইয়াৰোপৰি মহা দেউশাল থানৰ ধ্বংসস্তূপৰ লগতে বৰ্তমানেও স্থানীয় কোনো কোনো লোকৰ হাতত সঞ্চিত হৈ থকা তাম, দন্তাদি, মুদ্ৰা আদিয়ে আজিও বীৰজনাৰ অনেক কৃতি-কাৰ্য প্ৰকাশৰ বাবে অনেক তথ্য বুকুত বান্ধি বৈ আছে। বৰ্তমানৰ উৎসাহী বুৰঞ্জীবিদ অনুসন্ধানকাৰী লোকসকলে সেইসমূহৰ ওপৰত গৱেষণা চলোৱাৰ লগতে কীৰ্তিচিহ্নসমূহ চৰকাৰীভাৱে সংৰক্ষণ কৰাৰ দিহা কৰিবলৈ নিশ্চয় অসমৰ ঐতিহ্য মহীয়ান গৌৰৱময় হৈ উঠিব। মায়ং অঞ্চলৰ এই কাজলিমুখ অকল জোঙাল বলহৰে নহয় ইয়াত অনেক বীৰৰ অনেক কীৰ্তি আৰু ৰহস্য সন্নিবিষ্ট হৈ আছে।◆◆

*বিঃ দ্ৰঃ - প্ৰবন্ধটি যুগুতাওতে 'সমন্বয়' আলোচনীৰ শ্ৰদ্ধাৰ ফনিন্দ্ৰ ডেকা ফুকনৰ "কাজলিমুখ জোঙাল বলহৰ অন্তিম সাক্ষী" সহায় লোৱা হৈছে।◆◆*

# ভাৰতৰ স্বাধীনতা যুঁজত মায়ঙীয়া ৰাইজৰ ভূমিকা

ড° গুণেশ্বৰ ডেকা
মূৰব্বী অধ্যাপক, ৰাজনীতি বিভাগ

ভাৰতৰ স্বাধীনতা সংগ্ৰাম ভাৰতীয়লোকৰ মাতৃভূমিৰ প্ৰতি থকা অখণ্ড প্ৰেমৰ গৌৰৱময় সংগ্ৰাম। যি সংগ্ৰামে আনি দিলে গোটেই বিশ্বত সত্য আৰু অহিংসাৰ ৰক্ষাকবচ। এনে গৌৰৱময় সংগ্ৰামৰ স্বৰ্ণময় ইতিহাসৰ পাতত মায়াঙো অতি উজ্জ্বল। মায়ঙৰ সচেতন ব্যক্তিসকলে ভাৰতৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম হিচাপে খ্যাত 'চিপাহী বিদ্ৰোহ'ৰ সময়ত মায়ং অঞ্চল অতন্দ্ৰ প্ৰহৰী স্বৰূপ আছিল।

১৮৫৭ চনত মণিৰাম দেৱানৰ নেতৃত্বও যি বৃটিছ বিদ্ৰোহৰ ৰচনা কৰা হৈছিল, মায়ঙৰ ৰজাই সাতোৰজীয়া আৰু পাঁচোৰজীয়া ৰজাসকলৰ লগত সহযোগ কৰিছিল। মণিৰাম দেৱানে চিপাহী বিদ্ৰোহৰ ৰণ কৌশলৰ কাৰণে এখনি সাংগঠনিক সভা ৰহাত আহ্বান কৰিছিল। সেই সভাত সৰু সৰু ৰজাসমূহক আমন্ত্ৰণ জনাইছিল। সেই সভাত মায়ঙৰ ৰজায়ো উপস্থিত আছিল।

সমগ্ৰ ভাৰতবৰ্ষজুৰি অসহযোগ আন্দোলনে আবৰি ধৰা সময়ত অবিভক্ত নগাঁও জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা অতি প্ৰশংসনীয়। সেই সময়ত অধ্যয়নৰত বেনাৰস, কলিকতা আৰু গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলে গান্ধীজীৰ আকৰ্ষণত পৰিছিল। তেওঁলোকে অসমত গান্ধীজীৰ সংবাদ কঢ়িয়াই আনিছিল আৰু বিদ্যালয়সমূহ বয়ক'ট কৰিছিল। ১৯২১চনৰ ২০ এপ্ৰিলত নগাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলে নগাঁও চৰকাৰী ইংৰাজী স্কুল বয়কট কৰিছিল। মায়ঙৰ পৰা বসধৰ ডেকা, ৰজা বানেশ্বৰ সিংহ, কোঁৱৰ গাঁৱৰ আহিনা কোঁৱৰ আৰু হৰনাথ বৰকাকতি এইসকলে গোপনে গোপনে মায়ং অঞ্চলত ১৯২২ চনত অসহযোগ আন্দোলনৰ সংগঠন মজবুত কৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ সময়ত অসমৰ লগতে মায়ং মৰিগাঁও অঞ্চলতো সংগঠনৰ কাম-কাজ আগবঢ়াই নিয়া হৈছিল। ১৯২৬ চন আৰু ১৯৩৪ চনত দুবাৰকৈ মহাত্মা গান্ধী অসমলৈ আহিছিল। সেই সুযোগতে ঘগুৱা কলবাৰী গাঁৱৰ কোলাৰাম ডেকাই মহাত্মা গান্ধীক সেৱা শুশ্ৰূষা কৰিবলৈ সুবিধা পাইছিল।

**ভাৰত ত্যাগ আন্দোলনত মৰিগাঁও আৰু মায়ং** ঃ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত মৰিগাঁও ৰাইজৰ ভূমিকা অতি প্ৰশংসনীয়। মৰিগাঁৱৰ স্থানীয় কংগ্ৰেছ লোকৰ সহযোগত এক বিৰাট 'শান্তি সেনা' সংগঠন কৰা হৈছিল। বিশেষকৈ কংগ্ৰেছ সমাজবাদী দলৰ শক্তিশালী ডেকা মহেন্দ্ৰ হাজৰিকা আৰু লক্ষীপ্ৰসাদ গোস্বামীৰ নেতৃত্বত তেতিয়াৰ মায়ং মৰিগাঁও অঞ্চলত গোপন প্ৰতিবাদী আন্দোলনৰ সংগঠন গঢ়ি তুলিছিল। মহেন্দ্ৰ হাজৰিকাৰ নেতৃত্বতে মৃত্যুবাহিনীও গঠন কৰা হয়। এই মৃত্যুবাহিনীৰ নেতৃত্বত মৰিগাঁৱত ১৭ টা বন্দুক জব্দ কৰা হয়। তাৰোপৰি কেইবাটাও বৃটিছ বিৰোধী কাম কাজ মৃত্যুবাহিনী সদস্যসকলে সংঘটন কৰাইছিল।

১৯৪২ চনৰ ২৬ আগষ্ট তাৰিখে স্বৰ্গীয় দেৱেন্দ্ৰনাথ বৰাৰ নেতৃত্বত মৰিগাঁও শাখা কংগ্ৰেছ কমিটি গঠন কৰা হয়। সভাপতি আছিল বাপাৰাম

বৰকাকতি আৰু অধিনায়ক আছিল সুচেন্দ্ৰ নাথ ডেকা। এওঁলোকৰ নেতৃত্বত বহুতো শান্তি সেনা সংগঠন আৰু সদস্য অন্তৰ্ভুক্ত কৰোৱা হৈছিল। ১৯৪২ চনৰ ৯ অক্টোবৰ তাৰিখে মৰিগাঁও থানা ঘেৰাও কৰা হয় এই শান্তি সেনা সদস্যসকলৰ দ্বাৰা। সেই সময়ৰ মৰিগাঁও থানাৰ অধীক্ষক আছিল মঃ লটিফ চৌধুৰী। এই ঘেৰাও কাৰ্যসূচীৰ কাৰণে ১৪ জন লোকক বন্দী কৰা হৈছিল। তাৰোপৰি শান্তি সেনাৰ জৰিয়তে মাতৃভূমি ৰক্ষাৰ কাৰণে কেইবাটাও বৃটিছ বিৰোধী কাৰ্য ৰূপায়ণ কৰা হৈছিল।

সেইবিলাকৰ ভিতৰত মৰিগাঁও পৰিদৰ্শন বাংলো, মনহা ডাক বাংলো পুৰি ধ্বংস কৰা, ধৰমতুল আৰু শিলচাং মাজৰ দলং অচল কৰা, বাচনাঘাট আৰু ঔজাৰিৰ মাজৰ দলং অচল কৰা ইত্যাদি প্ৰধান আছিল।

এই আটাইবোৰ কামতে সক্ৰিয় ভাৱে লাগি থকা ব্যক্তিজন হৈছে স্বৰ্গীয় মহেন্দ্ৰ হাজৰিকা। আতি গোপনে নিজৰ জীৱনক তুচ্ছ কৰি সদৌ নগাঁৱৰ পৰা মায়ঙলৈকে বিভিন্ন শান্তি সেনা সংগঠন আৰু মৃত্যুবাহিনীসমূহক লগ কৰি কৰ্মপ্ৰেৰণা লগতে অস্ত্ৰ-শস্ত্ৰ যোগান ধৰিছিল। ছদ্মবেশ ধৰি বৃটিছ পুলিচক হাইৰাণ কৰি বহুদিন ধৰি কংগ্ৰেছৰ কাম কৰিছিল। সেয়ে তেওঁক 'দেওলগা' মানুহ বুলি আখ্যা দিছিল। তেওঁ জিলা কংগ্ৰেছৰ সভাপতিও আছিল।

বহুতে কয় মায়ং পিছ পৰা। কিন্তু জ্ঞান আহৰণৰ ক্ষেত্ৰত মায়ং পিছ পৰা নহয়। এই মায়ঙতে আছে ১১ শতিকাৰ মন্ত্ৰ সাহিত্য, ১৬ শতিকাৰ সত্ৰ সাহিত্যৰ সম্ভাৰ অকল ইমানেই নহয়, সমগ্ৰ ভাৰতবৰ্ষ যুৰি যেতিয়া মাতৃভূমিক ৰক্ষা কৰাৰ মহান ঐক্যৰ অখণ্ড জ্যোতি প্ৰজ্বলিত হৈছিল, সেই মহান কাৰ্যত মায়ঙৰ সন্তানেও প্ৰাণ বলিদানৰ দৰে ৰাষ্ট্ৰৰ উদ্ধাৰ ৰণত অতি নিপুণতাৰ সৈতে অৱতীৰ্ণ হৈছিল। এই পবিত্ৰ অথচ সাহসী কাৰ্যত পূৰ্বৰ দৈ পৰা সত্ৰৰ ডেকা অধিকাৰ স্বৰ্গীয় মহদানন্দ গোস্বামীৰ ভূমিকা আছিল অতি প্ৰশংসনীয়। তেওঁৰ নেতৃত্বত মায়ঙত এটি শক্তিশালী 'শান্তি সেনা' সংগঠন প্ৰতিষ্ঠা হয়। মায়ঙৰ অন্যান্য ধৰ্মীয় গুৰুসকলেও স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। মায়ঙৰ শিলডুবী সত্ৰৰ পূৰ্বৰ সত্ৰাধিকাৰ নবীন চন্দ্ৰ গোস্বামীৰ নাম উল্লেখযোগ্য।

মহদানন্দ দেৱ গোস্বামী আছিল মায়ং শাখা কংগ্ৰেছৰ সভাপতি। তেওঁৰ ভাতৃ ড° গোলোক চন্দ্ৰ গোস্বামী (গদা গোসাঁই) মায়ং শাখাৰ শান্তি সেনাৰ উপ-অধিনায়ক আৰু বেণুধৰ ডেকা আছিল নগাঁও জিলা শান্তি সেনাৰ অধিনায়ক। বেণুধৰ ডেকাই শান্তি সেনাৰ সংগঠনৰ কামত মায়ং পৰ্যন্ত ভ্ৰমণ কৰিছিল। ১৯৪২ চনৰ আগষ্টত এটি এসপ্তাহ জোৰা 'শান্তি সেনা' প্ৰশিক্ষণ শিবিৰ আয়োজন কৰা হৈছিল বিলিমৰা গাঁৱত। সেই শিবিৰত বেনুধৰ ডেকা আৰু উমেশ লাহন উপস্থিত থাকি বিভিন্ন পৰামৰ্শ দাঙি ধৰিছিল। এই শিবিৰতে গদা গোসাঁইক মৰিগাঁও পশ্চিম অঞ্চলৰ শান্তি সেনা সংগঠনৰ সহঃঅধিনায়ক হিচাপে নিযুক্তি দিয়ে। তাৰোপৰি মায়ং অঞ্চলৰ দুজন ব্যক্তি কোঁৱৰ গাঁৱৰ দধিৰাম বৰদলৈ আৰু বঢ়মপুৰৰ মধু কেওটক শান্তিসেনা সংগঠনৰ যৌথ সংগঠক হিচাপে নিযুক্তি দিয়ে। তেওঁলোকে গাঁৱে গাঁৱে গৈ মায়ং অঞ্চলত শান্তি সেনা সদস্যভুক্ত কৰিছিল। এই শিবিৰটো মায়ং অঞ্চলৰ কাৰণে আছিল মাইলৰ খুটিৰ দৰে।

গদা গোসাঁই আৰু তেওঁৰ সহকৰ্মী দুজনৰ সৈতে মায়ং হাতীমূৰীয়াত সেই সময়ৰ এম ই স্কুলৰ পথাৰত অতি সোনকালে সপ্তাহজোৰা এটি শান্তি সেনা শিবিৰ আয়োজন কৰে। সেই সময়ৰ মায়ং এম ই স্কুলৰ প্ৰধান শিক্ষক আছিল নাৰায়ণ চন্দ্ৰ বৰদলৈ। মায়ঙৰ ৰজা বানেশ্বৰ সিংহ, হাতীমূৰীয়া হৰকুমাৰ বিষয়া, লোণমাটিৰ ৰতি শইকীয়া, ঔগুৰিৰ অৰ্জুন নামৰ ব্যক্তিজন সেই শিবিৰত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। মায়ং শাখাৰ শান্তি সেনা শিবিৰটো আছিল বৃটিছ লোকৰ কাৰণে অতি ভয়াবহ এটি মেছিনগানৰ দৰে। শিবিৰত প্ৰশিক্ষণাৰ্থী লোকসকলক মাতৃভূমি ভাৰতৰ কাৰণে প্ৰয়োজন হ'লে প্ৰাণকো তুচ্ছ কৰিবলৈ উপদেশ দিছিল জিলা অধিনায়ক বেনুধৰ ডেকা আৰু সহঃঅধিনায়ক গদা গোসাঁই দেৱে। বিশেষকৈ ডিমৰীয়া, হঁহৰা, কমাৰকুছিৰ পৰা শান্তিসেনা সদস্যসকলে সেই শিবিৰত উপস্থিত থাকি দেশ উদ্ধাৰৰ শিক্ষা গ্ৰহণ কৰিছিল। আমাৰ সকলোৰে শ্ৰদ্ধাৰ ড° গোলোক চন্দ্ৰ গোস্বামীদেৱৰ সৰুৰে পৰাই স্বদেশ উদ্ধাৰ কামত নিমগ্ন আছিল কাৰণে তেখেতে বৰ্তমানলৈকে স্ব-জাতিৰ ভাষাৰ উদ্ধাৰ কাৰ্যত ব্ৰতী হৈ আছে।

গদা গোসাঁই আৰু তেওঁৰ দুজন সহযোগীৰ সৈতে হঁহৰা, কমৰাকুছিত কংগ্ৰেছৰ শান্তি সেনা সংগঠন কৰা হৈছিল। মায়ঙৰ শান্তি সেনা শিবিৰ সমাপ্ত হোৱা দিন এটি শান্তি সেনাৰ শোভাযাত্ৰা মায়ঙৰ পৰা কাজলিলৈকে প্ৰদৰ্শন কৰোৱা হৈছিল। মায়ং শাখা কংগ্ৰেছৰ নেতৃত্ব লোৱা ব্যক্তিসকল হৈছে ৰজা বানেশ্বৰ সিংহ, মীনাৰাম সিংহ, মহেন্দ্ৰ বিষয়া, ধীৰাজ বিষয়া, সীতাৰাম বিষয়া, মেদা নাথ, হলিৰাম ডেকা, লীলা ডেকা, গোবিন বিষয়া, ভালমন নাথ, প্ৰেমানন্দ নাথ, হৰকুমাৰ বিষয়া আৰু হৰিচন্দ্ৰ গগৈ। এইসকলৰ ভিতৰত ৰজা হিচাপে বানেশ্বৰ সিংহৰ অংশগ্ৰহণ অতি প্ৰশংসনীয় আছিল। এইসকল ব্যক্তিৰ

জৰিয়তে মায়ঙৰ লোকসকলে নিজ ৰাষ্ট্ৰৰ উদ্ধাৰৰ যি মহান আন্দোলন আৰু গণতান্ত্ৰিক মহান আদৰ্শৰ যি শিক্ষা সেই শিক্ষা ঘৰতে থাকি লভিবলৈ সক্ষম হৈছিল। মায়ঙৰ ৰাইজো এই ক্ষেত্ৰত পিছপৰি থকা নাছিল। বৰঞ্চ ঐক্যভাৱে অতি গোপনে বৃটিছৰ চকুত ধূলি মাৰি কংগ্ৰেছৰ কাম কৰি গৈছিল।"

**মায়ঙৰ মৃত্যুবাহিনী গঠন ঃ** মায়ং শাখা 'শান্তি সেনা'ৰ প্ৰশিক্ষণ শিবিৰত মায়ঙৰ স্থায়ী বাসিন্দাসকলৰ অন্তৰত যে দেশপ্ৰেমৰ অমোঘ শক্তি নিহিত হৈ আছে তাৰ জ্বলন্ত প্ৰমাণ পোৱা গৈছিল। জিলা অধিনায়ক বেনুধৰ ডেকাই শিবিৰত এটি প্ৰশ্ন কৰিছিল ইয়াত এনে স্বেচ্ছাসেৱক আছেনে যিজনে কংগ্ৰেছৰ স্বাধীনতা সংগ্ৰামৰ মৃত্যুবাহিনীত যোগ দিব? লগে লগে কেইবাজনো ডেকা বয়সৰ শান্তি সেনাৰ সদস্যই মুক্তকণ্ঠে কৈছিল "আমি দেশৰ কাৰণে মৃত্যুবৰণ কৰিবলৈ প্ৰস্তুত।" সেইসকল আছিল ৰজামায়ঙৰ পৰা ভগীৰথ ৰজা, মায়ং হাতীমুৰীয়াৰ পৰা ভূৱন চন্দ্ৰ মেধি, দৈ-পৰাৰ পৰা মহদানন্দ গোস্বামী, কোঁৱৰ গাঁৱৰ পৰা ভোগৰাম ডেকা আৰু দধীৰাম বৰদলৈ, বঢ়মপুৰৰ পৰা মধু কেওঁট, মায়ং শিলডুবীৰ পৰা বিৰহ মেধি, কছাৰী গাঁৱৰ পৰা দীনৰাম ডেকা, বিলিমৰাৰ পৰা বিকাৰাম ডেকা আৰু বেণুধৰ ডেকা, ছটাবড়ী গাঁৱৰ পৰা এইসকল মৃত্যুবাহিনীৰ সদস্যই মাতৃভূমিৰ উদ্ধাৰৰ কাৰণে জীৱন পণ কৰিছিল। জিলা অধিনায়ক বেণুধৰ ডেকাই মৃত্যুবাহিনী সংগঠন অতি সংগোপনে মায়ঙৰ পৰা আগবঢ়াই নিছিল। তেৱেঁই প্ৰথমতে ৰে'ল বগৰোৱাৰ প্ৰস্তাৱ দাঙি ধৰিছিল। শান্তিসেনাৰ কাম-কাজ চাবলৈ নগাঁও জিলা কংগ্ৰেছৰ সভাপতি হলধৰ ভূঞা মায়ং শিবিৰলৈ আহিছিল। তেওঁ বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল।

বৃটিছৰ বিৰুদ্ধে মাত মতা আৰু সংগ্ৰাম কৰা একেবাৰে সহজ কথা নাছিল। মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনৰ পৰা ধৰি ভাৰত ত্যাগ আন্দোলনলৈকে যিসকল কংগ্ৰেছৰ সদস্যই স্বেচ্ছাসেৱকৰ কাম কৰিছিল তেওঁলোকে অনেক কষ্ট আৰু ত্যাগ স্বীকাৰ কৰাৰ লগে লগে সাহসৰ পৰিচয়ো দিব লাগিছিল। এই ক্ষেত্ৰত মায়ঙৰ মৃত্যুবাহিনীৰ সদস্যসকলে অহোপুৰুষাৰ্থ দেখুৱাইছিল। মায়ঙৰ ৰাইজে পুৰাদমে ১৯৪২চনৰ ৰাজনৈতিক আন্দোলনত জঁপিয়াই পৰিছিল। মায়ঙৰ স্থায়ী বাসিন্দাসকলে আগৰ পৰাই 'ৰাজতন্ত্ৰ' পৰিচালনাত পাকৈত আছিল। তথাপি জাতীয় ভাৱনাৰে উদ্বুদ্ধ হৈ সমগ্ৰ ভাৰতৰ অখণ্ডতা ৰক্ষাৰ কাৰণে মায়ঙৰ সাধাৰণ ৰাইজে কংগ্ৰেছৰ নেতৃত্ববৃন্দৰ পৰা গণতান্ত্ৰিক শিক্ষা লাভ কৰিছিল। এই স্বাধীনতা সংগ্ৰামে সাধাৰণ লোকৰ মনত আনি দিলে ৰাষ্ট্ৰীয় ভাৱনা, এক ভাৰত ৰাষ্ট্ৰ গঢ়াৰ অদম্য হেঁপাহ।

**মৃত্যুবাহিনীৰ ৰেল বগৰোৱাৰ সফল অভিযান ঃ** মায়ং কাজলিৰ পশ্চিমৰ পানীখাইতী ৰেল ষ্টেচনৰ ওচৰৰ নলঘূলি নামে ঠাইত ৰে'ল বগৰোৱাৰ আগতে কামপুৰ-যমুনামুখ আৰু পুৰণিগুদাম ৰে'ল পথৰ মাজত ১৯৪২ চনৰ ২৪ আগষ্টৰ মধ্য ৰাতি ৰেল বগৰোৱা হৈছিল। কিন্তু এই ঘটনাই বৃটিছৰ পুলিচৰ কোনো ধৰণৰ আঘাত হানিবলৈ সক্ষম নহ'ল। অবিভক্ত নগাঁও জিলাৰ কংগ্ৰেছৰ নেতাসকলে এই কাৰ্যত সন্তুষ্ট হ'ব নোৱাৰিলে। গতিকে জিলা কংগ্ৰেছৰ নেতাসকলে প্ৰস্তাৱ ল'লে যে মায়ং মৃত্যুবাহিনীৰ সহযোগত এইবাৰ ৰেল বগৰোৱা হ'ব পানীখাইতী ষ্টেচনত। এই কামৰ কাৰণে নগাঁও জিলাৰত কংগ্ৰেছৰ সংগঠক (D.O.C) লক্ষী গোস্বামীয়ে এখন চিঠিসহ তিনিজন ব্যক্তিক (মানিক বৰা, ধনপুৰ লস্কৰ আৰু ভিভিৰাম বৰাক) মায়ং শাখা কংগ্ৰেছৰ সভাপতি মহদানন্দ গোস্বামীৰ ওচৰলৈ পঠাই দিলে। গোস্বামীক পৰামৰ্শ দিয়া হৈছিল যে পানীখাইতী ষ্টেচনৰ আশে-পাশে ৰেল বগৰাব লাগে। তেওঁলোকে ১৯৪২ চনৰ ২০/১১/৪২ তাৰিখে মায়ং পালেহি।

অন্য তিনিজন ব্যক্তি সোণাৰু গুৰিৰ পৰা বেনুধৰ ডেকা, চৰাইবাহীৰ পৰা ৰূপৰাম সোঁত আৰু কামেশ্বৰ বৰদলৈক মায়ঙলৈকে পঠাই দিছিল জিলা কংগ্ৰেছৰ সভাপতিয়ে। মায়ঙৰ পৰা অন্য ৫ জন মৃত্যুবাহিনী সদস্য লগ হৈ মুঠতে ১১ জন সদস্য ১৯৪২ চনৰ আগষ্টৰ ২৩/১১/৪২ তাৰিখে মহদানন্দ গোস্বামীয়ে প্ৰতিষ্ঠা কৰা কমাৰকুছিৰ আয়লোং আশ্ৰমলৈ যোৱাৰ কথা ক'লে।

পিছদিনা ২৪/১১/৪২ তাৰিখে পুৱা ১১ জন সদস্যই তেওঁলোকৰ দেশ উদ্ধাৰৰ লগতে শত্ৰু বিধ্বংসী অমৰ যাত্ৰা আৰম্ভ হ'ল পানীখাইতী ৰেল ষ্টেচনৰ ফালে। ঠিক ১২ বজাত তেওঁলোক পাণবাৰী পালেগৈ। তাতে দুপৰীয়া আহাৰ খাই বৈ এটুকুৰা ভাল ঠাই বাছি উলিয়ালে। সেই ঠাই টুকুৰা হৈছে পাণবাৰী আৰু পানীখাইতী মাজৰ ঘাঁহনীৰে আবৰি থকা দক্ষিণে পাহাৰ আৰু উত্তৰে ডিগাৰু নৈ মাজৰ ৰেল পাৰ হোৱা নলঘূলি নামে ঠাই। সেই ঠাইত মৃত্যুবাহিনী সদস্যসকলে মধ্যৰাতিলৈকে থাকিবলগীয়া হয়। ইতিমধ্যে মহদানন্দ গোস্বামীয়ে ২১/০৮/৪২ তাৰিখে গুৱাহাটীলৈ গৈ উজান বজাৰৰ তেওঁৰ খুৰাক কটকীৰ ঘৰত ৰাতি থাকি আটাইবোৰ কথা বুজ লয়। সেইমতে গম পালে যে ২৪/১১/৪২ তাৰিখে এখন বৃটিছ সৈন্য কঢ়িয়াই অনা যাত্ৰীবাহী ৰেল মধ্যৰাতি পানীখাইতী ৰেল

ষ্টেচন পাবহি। ২২/১১/৪২ তাৰিখে মহদানন্দ গোস্বামী দৈ-পৰা পায়হি আৰু তাতে ১১ জন সদস্যৰে লগহৈ ৰেল বগৰোবা মন্ত্ৰণা কৰি আমলোং আশ্ৰমলৈ ৰাওনা হয়। সেই ১১ জন সদস্যৰ ৬ জনৰ নাম ওপৰত দিয়া হৈছে। তাৰ ভিতৰত মায়ঙৰ ৬ জন হৈছে— দধীৰাম বৰদলৈ আৰু ভোগৰাম ডেকা- কোঁৱৰ গাঁৱৰ পৰা, মধু কেওট, বঢ়মপুৰৰ পৰা আৰু মায়ং শিলডুবীৰ পৰা লয়ৰাম মেধি আৰু ৰজা মায়ঙৰ ভগীৰথ ৰাজা। এইসকলৰ ভিতৰৰে কামপুৰৰ ধনপুৰ আৰু ভিভিৰাম বৰাই কিছু জানে কাৰণে ৰেলৰ লাইনত থকা ফিছপ্লেট খুলিলে। মধুৱে আৰু লয়ৰামে দায়িত্ব ল'লে বন্দুক লৈ পহৰা দিয়া। মহদানন্দ গোস্বামীয়ে এই অঞ্চলৰ সকলো কথা জানে কাৰণে গোটেই ঘটনাৰ তত্ত্বাৱধান কৰিছিল। ৰজামায়ঙৰ ভগীৰাম ৰাজাক দায়িত্ব দিলে যে কলংপাৰৰ সিপাৰে এখন নাও ৰাখিব লাগে কাজলি ঘাটত। অধিনায়ক বেনুধৰ ডেকাই সাহসী ভূমিকালৈ ৰেল বগৰোৱা আচল কামটো কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। এনেদৰে এই মহান স্বদেশ সেনানীসকলৰ হাতত ২৪/১১/৪২ তাৰিখে (আঘোন মাহৰ ১৪ তাৰিখ) পানীখাইতী ষ্টেচনৰ পূৰ্বৰ নলঘূলি নামে ঠাইত বৃটিছ সৈন্য ধাৰাশায়ী হ'ল। সেই সময়ৰ মায়ং কমাৰপুৰৰ চৰকাৰী গাঁওবুঢ়া ৰসধৰ ডেকা আৰু মৰিগাঁও কংগ্ৰেছৰ অধিনায়ক সুচেন্দ্ৰ নাথ ডেকাৰ মতে ৭০০ ৰো অধিক সৈন্য মৃত্যু মুখত পৰিল। অৱশ্যে সেই সময়ৰ চৰকাৰী তথ্যমতে ৪১ জন আহত আৰু ৬ জনৰ মৃত্যু হৈছিল।[৮]

পাণবাৰী নলঘূলিত (গাৰো গাঁৱৰ উত্তৰ ফালে) পানীখাইতী ৰেল ষ্টেচনৰ পৰা কিছু দূৰত মায়ঙৰ মৃত্যুবাহিনীয়ে কৰা ঐতিহাসিক ৰেল বগৰোৱা ঘটনাৰ পাছত ১৯৪২ চনৰ ২৬/১১/৪২ তাৰিখে মায়ঙত বৃটিছ পুলিচৰ অত্যাচৰ আৰম্ভ হ'বলৈ ধৰিলে। কামৰূপৰ পৰা এটি বৃটিছ পুলিচৰ দল আৰু মৰিগাঁও থানাৰ বৃটিছ প্ৰশাসনৰ অধীক্ষক মঃ লটিফ চৌধুৰী আৰু তেওঁৰ দল এই দুয়োটা দল লগলাগি (২৫ জন পুলিচ) মায়ং এম ই স্কুলৰ খেল পথাৰত মায়ঙৰ নিৰ্দোষী লোকসকলক ঘৰৰ পৰা উলিয়াই লৈ আহে। আৰক্ষী অধীক্ষকজনে ৰাইজৰ বন্দুকবোৰ জব্দ কৰিলে আৰু ঘনকান্ত সিংহ, মেদা-মহাজন, পদু গাঁওবুঢ়া আৰু ভুবন শইকীয়াক বন্দী কৰিলে। তেওঁলোকক জিলাৰ জেইল থানাত ৰখোৱা হৈছিল। পিছদিনা অৰ্থাৎ ২৭/১১/৪২ তাৰিখে কামপুৰৰ পৰা অহা ধনপুৰ লস্কৰ আৰু মানিক বৰাক চৰাইবাহীত বন্দী কৰিলে। এগৰাকী গাৰো মহিলা আৰু বৰবিলা গাঁৱৰ নেপালী লোকক বন্দী কৰি নগাঁও জিলাৰ জেইলখানলৈ পঠিয়াই দিয়া হ'ল। অৱশ্যে তেওঁলোকৰ বিৰুদ্ধে কোনো ধৰণৰ প্ৰমাণ নোপোৱাৰ কাৰণে পাছত মুকলি কৰি দিয়া হয়। মায়ঙীয়া ৰাইজ কিছু পৰিমাণে ৰক্ষা পৰিল যদিও ৰাইজৰ মনত এটা সদায় ভয় ভাৱ —এফালে জীৱন মৰণ 'Do or Die', আনফালে পুলিচৰ অত্যাচাৰ।

এনে সন্ধিক্ষণত চৰকাৰী গাঁওবুঢ়া ৰসধৰ ডেকাদেৱৰ নাম ল'বই লাগিব। তেওঁৰ জীৱিত কালতেই এটি সাক্ষাৎকাৰ লোৱাৰ সৌভাগ্য ঘটিছিল মোৰ জীৱনত। তেওঁ কৈছিল যে বৃটিছ পুলিচক বহুতো বস্তু খুৱাই-বুৱাই ঠিকমতে আতিথ্য দেখুৱাই সোধ-পোছৰ বাবে অনা মানুহক বেঙা বোৱাৰ ভাও দেখুৱাই, সাক্ষী দানৰ কথাবিলাক মিছা বুলি যুক্তি প্ৰদৰ্শন কৰোৱাইছিল। সেই কাৰণে মায়ঙৰ বহুলোক শাস্তিৰ পৰা ৰক্ষা পৰিছিল।

আনফালে মহদানন্দ গোস্বামী বন্দী হোৱাৰ পৰা ৰক্ষা পৰিল। তেওঁ বিভিন্ন ঠাইত ছদ্মবেশ ধৰি ঘূৰি ফুৰিছিল। অৱশ্যে তেওঁৰ বিৰুদ্ধেও বন্দীৰ নিৰ্দেশ দিয়া হৈছিল। কিন্তু তেওঁৰ দাড়ি চুলিয়ে আৱৰি থকা মুখখন দাড়ি খুৱাই চাফা কৰি নলবাৰী, পুঠিমাৰী আৰু শুৱালকুছি আদি ঠাইত ছদ্মবেশেৰে থাকিবলৈ ল'লে। মাতৃভূমিৰ পুণ্যকামৰ সন্তানৰ এনে বিলৈ। তথাপি যেন আনন্দ, তেওঁৰ কাৰণে। যেতিয়া সমস্যাৰ জটিলতা শাম কাটিছিল তেতিয়া তেওঁ দৈপৰালৈ ঘূৰি আহিলে। সেয়ে কোৱা হয়—

> পাণবাৰীত বাগৰিল গাড়ী।
> বাবাজীয়ে খুড়ালে দাড়ি।।
> মায়ঙত লাগিল ধৰপাকৰ।
> মহদা গোসাঁইৰ উঠিল জ্বৰ।
> বৰঠাকুৰৰ দাবী, মহদা গোসাঁই ছাবি
> হৰকান্তই দুৰনা পায়।।
> আহিনা কোঁৱৰ আহে আৰু যায়।

উক্ত গীতফাঁকিৰে কোনো ধৰণৰ তাচ্ছিল্য ভাব প্ৰকাশ কৰা নাই। বৰঞ্চ মায়ং অঞ্চলৰ কংগ্ৰেছৰ গোপন কাৰ্যকলাপত মহদানন্দ গোসাঁই যে বুদ্ধি প্ৰখৰ আছিল তাকেহে প্ৰকাশ কৰিছে। তাৰোপৰি পানীখাইতি ৰেল ষ্টেচনৰ পূৰ্বৰ নলঘূলিত যে ৰেলৰ বগৰোৱা হৈছিল তাৰ এটি উৎকৃষ্ট উদাহৰণ। বাৰুকটাৰ আহিনা কোঁৱৰ মাদকদ্ৰব্য সেৱন বৰ্জন কৰা শান্তি সেনানী। তেওঁ মাতৃভূমিৰ সেৱাৰ বাহিৰে একোৱে বিচৰা নাছিল। সেয়ে তেওঁক তেনেদৰে কোৱা হয়। তেওঁৰ উদ্দেশ্য আছিল অতি মহান। জীৱন মৰণ বাজি লগাই 'Do or Die' তৰিলে দেশ, মৰিল স্বৰ্গ' শীৰ্ষক মন্ত্ৰৰে বৃটিছ সৈন্যৰ বুকুত ভাৰত ত্যাগৰ অমোঘ

বাণ নিক্ষেপ কৰিছিল। বৃটিছৰ কলিজা খণ্ড-বিখণ্ড হৈ গৈছিল। সেয়ে হয়তো মায়ং কেৱল মন্ত্ৰ প্ৰয়োগৰ ক্ষেত্ৰতে নহয় ৰাজনৈতিক জগতখনতো অতি উজ্জ্বল সুজ্জ্বল ভাস্কৰৰ দৰে স্ব-মহীয়ান।

মায়ঙৰ স্বাধীনতা যুঁজাৰুসকল হৈছে মহেন্দ্ৰ বিষয়া, মায়াৰাম দেউৰী, হৰিচন্দ্ৰ গগৈ, ঘনকান্ত কোঁৱৰ, ভগীৰথ ৰাজা, মেদা নাথ, সংগীৰাম নাথ আৰু তেতিয়াৰ মায়ঙৰ ৰজা বানেশ্বৰ সিংহ। ভাৰত ত্যাগ আন্দোলনত মায়ং অঞ্চলৰ সুযোগ্য মহিলায়ো আগভাগ লৈছিল। এই ক্ষেত্ৰত মায়ং শিলডুবীৰ আবলী কোঁচুনীৰ কথা উল্লেখ কৰিব লাগিব। তেওঁ দৈ-পৰাত ভৰাঘৰ মেধিলৈ বিয়া সোমাইছিল। আবলীৰ দুটা সন্তান টেঙেৰা আৰু খদো আৰু এজনী কন্যা নাম আছিল ভুতুকী। আবলী কোচুনী আছিল শানি সেনাৰ সক্ৰিয় সদস্যা। তেওঁক দায়িত্ব দিয়া হয় বৃটিছ সৈন্যৰ অহাৰ যিটো কাম বাৰপূজীয়াত শিঙা বজাই আগজাননী দিছিল জাতীয় বীৰ, তেতিয়াৰ মায়ঙৰে গৌৰৱ তিলক ডেকাই। মৰিগাঁৱৰ বিয়াল্লিছৰ শ্বহীদ তিলক ডেকাই বৃটিছৰ হাতত প্ৰাণ বিসৰ্জন দিছিল।

মৰিগাঁও জিলাৰ একমাত্ৰ মহিলা শ্বহীদ অথচ অসমৰ দ্বিতীয়গৰাকী মহিলা শ্বহীদৰ গৌৰৱ কঢ়িয়াই আনে মায়ঙৰ এই গৰাকী অতি সহজ-সৰল কিন্তু দেশপ্ৰেমেৰে উদ্বুদ্ধ হোৱা সাহসী মহিলা আবলীয়ে। মৰিগাঁও জিলাৰ ৩২৫ জন স্বাধীনতা সংগ্ৰামীৰ ভিতৰত আবলী প্ৰথম "মহিলা শ্বহীদ"। আবলীয়ে কেৱল আগজাননী দিয়া কামেই কৰা নাছিল। তেওঁৰ হাতৰ পৰশত জ্বলি ভস্মীভূত হৈছিল মনহাত থকা বৃটিছ পৰিদৰ্শন বাংলো, লগতে খাৰ-বাৰুদ ভঁড়াল। ১৯২৫ চনৰ ছেপ্টেম্বৰ মাহত এই প্ৰকাণ্ড ঘটনাটো ঘটিছিল।

এনে ঘটনাৰ পিছত, মনহাত ধাৰপাকৰ আৰম্ভ হৈছিল। পুৰুষবোৰে ৰাতি বা দিনত গাঁৱৰ বাহিৰত আছিল। মহিলাসকলে বৃটিছৰ সৈন্য অহাৰ জাননী দিব লাগিছিল। জাননী দিয়াৰ উপায় আছিল বিকট-চিঞৰ-বাখৰ। মনহা, দৈ-পৰা, কছাৰীগাঁৱত যেতিয়াই বৃটিছ সৈন্য আহিছিল, তেতিয়াই আবলীয়ে চিঞৰ-বাখৰ কৰি স্বেচ্ছাসেৱক সকলক জাননী দিয়ে। সেই কামত বৃটিছ সৈন্যসকলৰ বৰ খং উঠিল আৰু চিঞৰ মৰাটো বন্ধ কৰি দিছিল। কিন্তু সাহসী আবলীয়ে শান্তি সেনাৰ আৰু মৃত্যুবাহিনীৰ গোপন প্ৰতিজ্ঞা ৰক্ষা কৰি পুৰাদমে চিঞৰিবলৈ ধৰিলে। এনে কাৰ্যত ক্ষুব্ধ হৈ বৃটিছৰ সৈন্যই বন্দুকেৰে কোবাই আৰু পাছত আবলী মৃত্যু মুখত পৰে। এইয়া হৈছে লুইতপৰীয়া সাহসী মহিলাৰ মাতৃভূমি উদ্ধাৰৰ মহান কাৰ্য। (কিন্তু দুখৰ বিষয় এই গৰাকী মহিলাৰ নামত এটিও অনুষ্ঠান গঢ় লৈ উঠা নাই। সেয়েহে আমাৰ অনুৰোধ যাতে আবলীৰ নামত মনহা-মায়ঙত এটি ৰাজহুৱা ভৱন উৎসৰ্গিত হয়। তেতিয়া আবলীৰ আত্মাই শান্তি পাব)।

এনেকৈয়ে মায়ং অঞ্চলৰ ৰাইজে দেশমাতৃ উদ্ধাৰৰ কাৰ্যত শত্ৰুপক্ষক দুৰ্বল কৰিবলৈ অতি সাহসিকতাৰ পৰিচয় দিয়ে। ৰজামায়ং শাখা বা মায়ং শাখা কংগ্ৰেছে ৪২ ৰ ভাৰত ত্যাগ আন্দোলনত অতি কৌশলগতভাৱে পানীখাইতী ষ্টেচনৰ ৰেল বগৰালে, ই সঁচাকৈ অখণ্ড ভাৰতৰ কাৰণে অতি গৌৰৱৰ নিচান আৰু দেশ থকালৈকে এই ঘটনা স্বৰ্ণ আখৰেৰে লিখা থাকিব। এফালে মহাত্মা গান্ধীৰ সত্য আৰু অহিংসাৰ জয় গান আৰু আনফালে বিদেশী শাসকৰ বৰ্বৰতা আৰু শোষণৰ বিৰুদ্ধে প্ৰয়োজন হ'লে পৰোক্ষভাৱে হিংসাৰ আশ্ৰয় ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল। এই গোপন ৰহস্যৰ কথা মহান গীতা শাস্ত্ৰয়ো কৈছে যে আততায়ীক বধ কৰিলে কোনো পাপ হ'ব নোৱাৰে। আমাৰ এটি দৃঢ়বিশ্বাস সমগ্ৰ ভাৰতবৰ্ষযুৰি বৃটিছ সৈন্যই ভাৰতীয় লোকক যি মানসিক অত্যাচাৰ কৰিছিল, তাৰ সমুচিত প্ৰায়চিত্ত কৰিবলৈ মায়ঙীয়া ৰাইজ সক্ষম হৈছিল। মায়ঙীয়া ৰাইজৰ স্বদেশৰ প্ৰতি থকা অকৃত্ৰিম সেৱা আৰু ভক্তি পুনৰ উজলি উঠক, স্বদেশৰ সেৱাত ব্ৰতী হওঁক, বৃহত্তৰ অসমীয়া সমাজৰ জাতি গঠনত সহযোগ কৰক এই কামনাৰে ৰাইজৰ ওচৰত আমাৰ শতকোটি 'নমস্কাৰ' জনাই সামৰণি কৰিলো। ◆◆


<u>প্ৰসংগ গ্ৰন্থঃ</u>

১। *গোস্বামী মহদানন্দ ঃ ভাৰতৰ মুক্তি যুদ্ধত পাণবাৰীত ৰেলগাড়ী বগৰোৱা ইতিবৃত্ত, সম্পাদনা, ড° গোলোক চন্দ্ৰ গোস্বামী, ১৯৯৫, পৃঃ ৩২*

২। *Bhuyan, A.C. ed. Political History of Assam, Volume-III, 1999, P.56.*

৩। *ড° গোলোক চন্দ্ৰ গোস্বামী, সম্পাদনা, দেশপ্ৰাণ ধৰ্মনাথ বৰঠাকুৰ, ২০০৩, পৃঃ ১০৪*

৪। *মেধি, বীৰেন্দ্ৰ কুমাৰ, সম্পাদনা, সমন্বয়, আলোচনী, ১৯৯৯ , পৃ. ৩৮,৩৯*

৫। *ডেকা, সুচেন্দ্ৰ নাথ, মোৰ কথাত মই আৰু মৰিগাঁও, মৰিগাঁও, ১৯৯৪*

৬। *ডেকা, ভোগৰাম, বিয়াল্লিছৰ আন্দোলনৰ ওপৰত হাতেলিখা গৈছে।*

৭। *ডেকা, কোলাৰাম বিয়াল্লিছৰ আন্দোলনৰ ওপৰত হাতে লিখা গৈছে।* ◆

# মায়ঙৰ শিল্প-ভাস্কৰ্য

পবন কুমাৰ বিষয়া
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

ইতিহাসপ্ৰসিদ্ধ মায়ং। অতীতৰে পৰা বৰ্তমানলৈ যাদু-মন্ত্ৰৰ দেশ হিচাপে পৰিচিত হৈ আহিছে মায়ং নামৰ এই সৰু ভূ-খণ্ড। দেশী-বিদেশী পৰ্যটকৰ পৰা আদি কৰি বিভিন্নজনে যাদু-মন্ত্ৰৰ নামতে আকৰ্ষিত হৈ এই ভূ-খণ্ডত ভুমুকি মাৰিছেহি। বিজ্ঞান আৰু উন্নত চিকিৎসা শাস্ত্ৰৰ জয় জয় ময় ময় আজিৰ দিনতো শিশুৰোগ, প্ৰসূতী ৰোগ, গৰ্ভৱতী, বিষ নিৰাময় আদি বিভিন্ন ক্ষেত্ৰত মায়ঙৰ যাদু-মন্ত্ৰ, বেজ-বেজালি, বনৌষধিৰ গুৰুত্ব কমি যোৱা নাই। অতীতৰে পৰা বৰ্তমানলৈ পুৰুষানুক্ৰমে সীমিতভাৱে হ'লেও এই পৰম্পৰা প্ৰচলিত হৈ আহিছে। বিজ্ঞসকলৰ কঠোৰ শ্ৰম আৰু মায়ং কেন্দ্ৰীয় সংগ্ৰহালয়ৰ প্ৰচেষ্টাত এইবোৰ সংৰক্ষণ আৰু প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে.

মায়ঙৰ ইতিহাস সম্বন্ধে বুৰঞ্জী নিমাত নাইবা ই সাক্ষী বহন নকৰে যদিও ইয়াৰ কিংবদন্তি, পৰম্পৰাগত মায়ং ৰজাৰ ৰাজবংশাৱলীয়ে ইয়াৰ ইতিহাসৰ সাক্ষ্য বহন কৰি আহিছে। মায়ঙৰ চাৰিওফালে সিঁচৰতি হৈ থকা বিভিন্ন শিল্প-ভাস্কৰ্য, ঐতিহাসিক ৰজাদিনীয়া সম্পদৰাজিয়েও এই ভূ-খণ্ডৰ ইতিহাস আৰু সভ্যতা-সংস্কৃতিৰ চানেকী দাঙি ধৰিছে। এই ভূ-খণ্ডৰ চাৰিওফালে সিঁচৰতি হৈ থকা শিল্প-ভাস্কৰ্যৰাজিয়ে ইয়াকো প্ৰমাণিত কৰে যে অতীতৰ মায়ঙত শাক্ত আৰু শৈৱ ধৰ্মৰ বিস্তৃত প্ৰচাৰ আছিল আৰু তাৰ লগে লগে বিঘ্ননাশক গণপত্য ধৰ্মৰো সমান্তৰালভাৱে প্ৰচাৰ ঘটিছিল। মায়ঙৰ ঐতিহ্য বহনকাৰী বিভিন্ন থানসমূহৰ লগতে অঞ্চলৰ বিভিন্ন স্থানত প্ৰাপ্ত শিল্প-ভাস্কৰ্যসমূহৰ চমু আভাস দাঙি ধৰা হ'ল।

**কাছশিলাৰ শিৱ থান ঃ** হাতীমূৰীয়া গাঁৱৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত নৈসৰ্গিক সৌন্দৰ্যৰে পৰিপূৰ্ণ এখন হিন্দু ধৰ্মৰ পবিত্ৰ শৈৱ তীৰ্থ। এই পাহাৰতে অনন্ত দেৱ আতাৰ দ্বাৰা প্ৰতিষ্ঠিত কালশিলা সত্ৰৰ আধাৰশিলাও স্থাপন কৰা হৈছে। এই স্থানতে থকা শিল্প-ভাস্কৰ্যৰাজি ক্ৰমে (ক) হৰগৌৰীৰ যুগল মূৰ্তি, (খ) শিৱলিংগ, (গ) যোনিপীঠ, (ঘ) সূৰ্যচক্ৰ, (ঙ) শৈলস্তম্ভ, (চ) যোনি কুণ্ড, (ছ) শৈল কচ্ছপ, শৈল মন্দিৰৰ ভাস্কৰ্য, পোৰামাটিৰ বিভিন্ন ভাস্কৰ্য আদি। এই ভাস্কৰ্যসমূহ চাই এইসমূহ নিৰ্মাণৰ সময় সপ্তম আৰু অষ্টম শতিকা বুলি ঠাৱৰ কৰিব পাৰি।

**চনকাৰ হৰগৌৰীৰ যুগল মূৰ্তি ঃ** মায়ঙৰ শিল্প-ভাস্কৰ্যৰ আন এক ঐতিহ্য বহনকাৰী স্থান চনকা। মায়ঙৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ উত্তৰে অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ স্থান। এই গাঁৱৰে ভগৱতী থানত হৰগৌৰীৰ আলিংগনাবদ্ধ যুগলমূৰ্তি বিদ্যমান। ইয়াৰ উপৰি এই স্থানতে প্ৰাপ্ত সূৰ্যচক্ৰ, পদ্মচক্ৰ আদিয়ে মায়ঙৰ ঐতিহ্য আৰু ইতিহাসৰ সাক্ষ্য বহন কৰি আহিছে।

ইয়াৰ উপৰি চনকা পাহাৰত আৱিষ্কৃত বিশাল গণেশ মূৰ্তি, যাৰ চৰণ ব্ৰহ্মপুত্ৰই ধুৱাই নিয়ে, যাৰ নৈসৰ্গিক প্ৰাকৃতিক সৌন্দৰ্যই দৰ্শকৰ চকু স্থিৰ কৰে— ইও মায়ঙৰ শিল্প-ভাস্কৰ্যৰ

অন্যতম ভোটাতৰা। বিশাল গণেশ মূৰ্তিৰ উপৰি ব্ৰহ্মপুত্ৰৰ বুকুত বাগৰি পৰা বিভিন্ন শিলাখণ্ডত খোদিত সৰু-বৰ গণেশৰ মূৰ্তিসমূহ মায়ঙৰ ভাস্কৰ্যৰ অন্যতম সম্পদ।

**বুঢ়া মায়ঙৰ হৰগৌৰী থান ঃ** বুঢ়া মায়ং পাহাৰৰ নামনিত বৰঘাট নামে পৰিচিত স্থানত (নিজৰাৰ পাৰত) এই থানখন অৱস্থিত। এই নিজৰাৰ গাতে লাগি থকা শিলাখণ্ডত হৰগৌৰীৰ আলিংগনাবদ্ধ মূৰ্তি বিদ্যমান। এই যুগলমূৰ্তিৰ নিৰ্মাণ কৌশল চমকপ্ৰদ। ইয়াৰ উপৰি নিজৰাৰ পাৰত শিলত খোদিত গণেশৰ মূৰ্তি অতি মনোৰম। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যই দৰ্শকৰ মন কাঢ়ি নিয়ে।

**ঝাৰগাঁৱৰ শিৱ থান ঃ** ঝাৰগাঁও বজাৰৰ গাতে লাগি থকা এই থানখন। ঝাৰগাঁও দৈপৰা বিলৰ পাৰত অৱস্থিত এই থানখনত সৰ্ববৃহৎ যোনিপীঠ আৰু শিৱলিংগ সংৰক্ষিত হৈ আছে। ইয়াৰ উপৰি ঝাৰগাঁও ভগৱতী থানত সংৰক্ষিত শিল্প-ভাস্কৰ্যৰাজি, দৈপৰা মিছামাৰী সত্ৰত সংৰক্ষিত বাগ্‌দেৱীৰ মূৰ্তিটোৱে মায়ঙৰ ঐতিহ্য আৰু সভ্যতাৰ নিদৰ্শন দাঙি ধৰে। দৈপৰা ভগৱতী থানৰ ভাস্কৰ্যসমূহে প্ৰায় নৱম-দশম শতিকাৰ শাক্ত শৈল সভ্যতাৰে চানেকী দাঙি ধৰে।

**হাতীমূৰীয়া বুঢ়ীআই থান ঃ** হাতীমূৰীয়া গাঁৱৰ মাজত অৱস্থিত ভেৰভেৰী বিলৰ পাৰৰ সৰু টিলা এটাত এই থানখন অৱস্থিত। মায়ং ৰাজ্যৰ দশমজন ৰজা শৰশ্চ চন্দ্ৰ সিংহৰ দিনত স্থাপিত এই থানখন। বুঢ়ীআই থানত বৃত্তৰ চিহ্ন খোদিত আছে। ইয়াৰ উপৰি দশম ৰজা শৰশ্চ চন্দ্ৰ সিংহৰ পৃষ্ঠপোষকতাত প্ৰাপ্ত তামৰ কলহ, দাখৰ আদি সংৰক্ষিত হৈ আছে। এইখন থানৰ নৈসৰ্গিক শোভাও মন কৰিবলগীয়া।

**ভগৱতী থান ঃ** মায়ং বজাৰৰ উত্তৰে হাতীমূৰীয়া গাঁৱৰ দক্ষিণত অৱস্থিত এই থানখন। মায়ঙৰ পৰম্পৰাগত ৰজা শৰশ্চ চন্দ্ৰ সিংহৰ দিনতে স্থাপিত এইখন থান। এই থানত অচিনাক্ত শৈলমূৰ্তিৰ ভাস্কৰ্য বিদ্যমান।

**ৰজামায়ঙৰ ভগৱতী থান ঃ** পবিতৰা অভয়াৰণ্যৰ নিচেই গাতে লাগি থকা এই ভগৱতী থানত শিল গোসাঁইৰূপে পূজিত শৈল ভাস্কৰ্যৰ যুগল মূৰ্তি মায়ঙৰ ঐতিহ্য আৰু ভাস্কৰ্যৰ চানেকী। তদুপৰি ৰজামায়ং গাঁৱৰ মঙলু নাথৰ ঘৰত সংগৃহীত হৰ-পাৰ্বতীৰ শৈলমূৰ্তি, অকণ নাথৰ ঘৰত সংগৃহীত অচিনাক্ত মূৰ্তিয়ে মায়ঙৰ ঐতিহ্য আৰু শিল্প-ভাস্কৰ্যৰ চানেকী দাঙি ধৰাৰ লগতে শাক্ত আৰু শৈৱ ধৰ্মৰ সমান্তৰাল প্ৰচাৰৰ চানেকী দাঙি ধৰিছে।

**কমাৰপুৰৰ পগলা থান ঃ** পূৰ্বৰ মায়ং ৰাজ্যৰ দক্ষিণ সীমাৰ এখন গাঁও কমাৰপুৰ। ই কলং নদীৰ পাৰতে অৱস্থিত। ইয়াৰে কমাৰপুৰ পাহাৰ পগলা থানত সংৰক্ষিত হৈ থকা গোলাকৃতিৰ শৈলখণ্ডত অংকিত বৃষভ, ত্ৰিশূল, ডম্বৰু আদিয়েও মায়ঙৰ ইতিহাসৰ ধ্বজা বহন কৰাৰ লগতে শৈৱ ধৰ্মৰ প্ৰভাৱৰ কথা স্পষ্ট কৰি দিয়ে। ইয়াৰ উপৰি মায়ং ৰজাৰ ৰাজবংশাৱলীত উল্লেখ কৰা মতে, কমাৰ ফৈদৰ মানুহখিনিৰ বাবে এই ঠাইখণ্ড সংৰক্ষিত।

**ধামখুন্দাৰ কালী থান ঃ** কমাৰপুৰৰ দক্ষিণ দিশত আন এখন ঐতিহ্যমণ্ডিত গাঁও ধামখুন্দা। এই গাঁৱৰে কালী থানত সংৰক্ষিত হৈ আছে অচিনাক্ত মূৰ্তি, সুন্দৰকৈ শিলত কটা যোনিপীঠ, শিৱলিংগ আদি। এই ভাস্কৰ্যৰাজিয়ে শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰচাৰৰ কথা স্পষ্ট কৰে। ভাস্কৰ্যৰাজি চাই ইয়াক অষ্টম শতিকাৰ পৰা দশম শতিকাৰ ভিতৰৰ বুলি ঠাৱৰ কৰিব পাৰি।

**বুঢ়া-বুঢ়ী থান ঃ** মায়ং বজাৰৰ পৰা প্ৰায় ৭ কিলোমিটাৰ পূৱত এই গাঁওখন। ইয়াৰ বুঢ়া-বুঢ়ী পাহাৰত থানখন অৱস্থিত। ইয়াৰে বৃহৎ শিলাখণ্ডত বুঢ়া-বুঢ়ীৰ পদচিহ্ন খোদিত হৈ আছে। ইয়াৰ উপৰি অঞ্চলৰ বিভিন্ন স্থানত শৈলখণ্ড খোদিত হৈ থকা চিনাক্ত আৰু অচিনাক্ত মূৰ্তিৰ ভাস্কৰ্যসমূহে সেই সময়ৰ শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰভাৱৰ কথা দাঙি ধৰে।

**সৰ্ববৃহৎ শিলালিপি ঃ** বুঢ়ামায়ং পাহাৰৰ নামনি তথা মায়ং চন্দ্ৰপুৰ পথৰ দাঁতিতে থকা বৃহৎ শিলালিপি আৰু কাছশিলাৰ শিলালিপিয়ে মায়ঙৰ গৌৰৱ ঘোষণা কৰি আহিছে। যোৱা ১৯৮০ চনতে মায়ং অঞ্চলৰ সাহিত্যপ্ৰেমী, সংস্কৃতিপ্ৰেমী তথা বিষয় শিক্ষক লোকেন্দ্ৰ হাজৰিকাদেৱে বুঢ়ামায়ঙৰ সৰ্ববৃহৎ শিলালিপি উদ্ধাৰ কৰে। এওঁৰ এই আৱিষ্কাৰে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। বৰ্তমান উক্ত স্থানত পুৰাতত্ত্ব বিভাগৰ ফালৰ পৰা সংৰক্ষণ ব্যৱস্থা কৰাৰ লগতে এখন উদ্যান স্থাপন কৰা হৈছে। দ্বিতীয় শিলালিপিখনো শ্ৰীহাজৰিকাৰ দ্বাৰাই ২০০৪ চনত কাছশিলাৰ পৰা উদ্ধাৰ হয়। বুঢ়ামায়ঙত অৱস্থিত শিলালিপিখনক এছিয়াৰ ভিতৰতে দীঘল শিলালিপিৰূপে স্বীকৃতি প্ৰদান কৰা হয়। অৱশ্যে দুয়োখন শিলালিপিৰে পাঠোদ্ধাৰ আজিও হোৱা নাই। ইয়াৰ সঠিক পাঠোদ্ধাৰ হ'লে মায়ঙৰ সভ্যতা-সংস্কৃতিৰ অন্য এক নতুন দিশ উন্মোচিত হোৱাৰ সম্ভাৱনা আছে।

**সাঁচিপাত, মন্ত্ৰপুথি ঃ** মায়ং শব্দ মায়া মন্ত্ৰ আদিৰ স'তে জড়িত। তদুপৰি কিংবদন্তিৰূপে মায়ং নাম মনলৈ

আহিলেই যাদু-মন্ত্ৰৰ কথা যুগ যুগ ধৰি চলি আহিছে। বহু যাদু-মন্ত্ৰ মুখে মুখে চলি থাকে যদিও যাদু-মন্ত্ৰসমূহৰ লিখিত ৰূপো আছে। এই মন্ত্ৰসমূহ সাঁচিপাত, তুলাপাত আদিত লিখিত ৰূপত আজিও বিদ্যমান আৰু সংৰক্ষিত। এই সাঁচিপাত আৰু তুলাপাতসমূহ মায়ংবাসীৰ গৌৰৱ তথা সম্পদ। মন্ত্ৰপুথিসমূহৰ বাদে বহুকেইখন ধৰ্মীয় পুথিও সাঁচিপাতত লিখিত ৰূপত মায়ং কেন্দ্ৰীয় সংগ্ৰহালয়, ব্যক্তিগত মণিকূট নাইবা গোসাঁইঘৰত সংৰক্ষিত ৰূপত আছে। এইবোৰৰ লগতে তুলাপাতত লিখিত মায়ং ৰাজবংশাৱলীও মায়ংবাসীৰ ঐতিহ্য, সভ্যতা-সংস্কৃতিৰ বাহকৰূপে গৌৰৱ কঢ়িয়াই আনিছে।

**পোৰামাটিৰ ভাস্কৰ্য ঃ** তুলনামূলকভাৱে মায়ঙৰ সমগ্ৰ অঞ্চলটো পোৰমাটিৰ ভাস্কৰ্যৰে পৰিপূৰ্ণ। এই অঞ্চলৰ প্ৰতিটো সৰু-বৰ খননকাৰ্যতে, মাটিৰ কুঁৰা, মছলা পিছা পটা, মাটিৰ সঁফুৰা, ভগ্ন মাটিৰ পাত্ৰৰ টুকুৰা, মূৰ্তি আদি পোৱাটো মন কৰিবলগীয়া বিষয়। এই পাত্ৰসমূহৰ সৰহসংখ্যাতেই মৃৎ শিল্পৰ সংস্কৃতি নিহিত হৈ আছে। এই ভগ্নাৱশেষসমূহে উক্ত ঠাইত পূৰ্বতে কোনো এক সৰ্ববৃহৎ মন্দিৰ থকাৰ সাক্ষ্য বহন কৰে। বিভিন্ন স্থানৰ ভিতৰত কাছশিলা পাহাৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল বিশেষভাৱে খ্যাত। অৱশ্যে সুখৰ বিষয় এই আৱিষ্কৃত আৰু সংগৃহীত মৃৎ ভাস্কৰ্যসমূহ উদীয়মান সংস্কৃতিপ্ৰেমী লোকেন্দ্ৰ হাজৰিকা, উৎপল নাথ আদিৰ দৰে বিজ্ঞসকলে কেন্দ্ৰীয় সংগ্ৰহালয়ত সংৰক্ষিত কৰি ৰাখি মায়ঙৰ ইতিহাসক সবল কৰি গঢ়ি তুলিছে। এই ভাস্কৰ্যৰাজি চাই ইয়াৰ সময় ১০ ৰ পৰা ১২ শ শতিকাৰ ভিতৰৰ বুলি অনুমান কৰিব পাৰি।

**মুদ্ৰা-কড়ি ঃ** উপৰোক্ত ভাস্কৰ্যসমূহৰ লগতে মায়ং অঞ্চলৰ বিভিন্ন ঘৰত আৱিষ্কৃত মুদ্ৰা আৰু কড়িসমূহেও ইয়াৰ ভাস্কৰ্যসমূহলৈ বিশেষ বৰঙণি যোগাইছে। মায়ং কেন্দ্ৰীয় সংগ্ৰহালয়ত আজিও সুৰক্ষিত আৰু সংগৃহীত হৈ মায়ঙৰ গৌৰৱ বহন কৰি আহিছে বিভিন্ন তাম্ৰ মুদ্ৰা, ৰূপৰ মুদ্ৰা, ফুটা পইচা, কড়ি আদিয়ে।

**অন্যান্য ভাস্কৰ্য ঃ** ইয়াৰ উপৰি শিলডুবি সত্ৰলৈ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই দান কৰা পদ্মশিলা, চক্ৰশিলা, (শিলডুবি নামঘৰত সংৰক্ষিত) কাঁহ-পিতল, বাঁহ-বেতৰ সামগ্ৰীসমূহ, ৰজাঘৰীয়া সম্পদসমূহ যেনে— জপা, পেৰা, দোলা আদিয়েও মায়ঙৰ শিল্প-ভাস্কৰ্যত বিশেষ অৰিহণা যোগাই আহিছে। সৰ্বশেষত এই ভাস্কৰ্যৰাজিক সংৰক্ষিত আৰু সুৰক্ষিত কৰি মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ অনুষ্ঠানটিয়ে যি প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে, সি সঁচাকৈয়ে আদৰণীয়। এই অনুষ্ঠানটিৰ কৰ্মকৰ্তাসকলে ধাৰাবাহিকভাৱে ইতিহাস উদ্ধাৰৰ যি প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে সিয়ে অদূৰ ভৱিষ্যতে মায়ঙৰ সভ্যতা-সংস্কৃতিৰ নতুন দিশ উন্মোচিত কৰিব বুলি আশা কৰিব পাৰি। ◆◆

# মায়ঙৰ ঠাইৰ নামৰ ইতিবৃত্ত

ৰামচন্দ্ৰ নাথ
সহকাৰী শিক্ষক,
পূব মায়ং মধ্য ইংৰাজী বিদ্যালয়

একোখন ঠাইৰ ইতিবৃত্তৰ পৰা ঠাইখনৰ ভৌগোলিক, সামাজিক, ৰাজনৈতিক, প্ৰাকৃতিক আৰু মানুহৰ জনগাঁথনিসমূহ জানিব পাৰি। ঠাইখনৰ ইতিহাস চৰ্চাই জাতিটোক পুনৰ জাগ্ৰত কৰিব পাৰে। নতুন চামেও অদমনীয় প্ৰেৰণা পাব। ঠাইসমূহলৈ গৈ স্থানীয় লোকৰ মুখৰ পৰা যি শুনিছো তাকেই চমুকৈ লিখিছো। ঠাইৰ ইতিবৃত্তসমূহত বিশিষ্ট ব্যক্তি, স্মৰণিকা, পত্ৰিকা আদিৰ উপৰিও গৱেষক পণ্ডিতৰ লিখনিসমূহৰ সহায় লোৱা হৈছে। তথ্য সমলসমূহৰ ভিত্তিত 'মায়ঙৰ ঠাইৰ নামৰ ইতিবৃত্ত' নামেৰে প্ৰবন্ধটি ৰখা হৈছে। ইয়াত বহুতো গুৰুত্বপূৰ্ণ ঠাইৰ ইতিবৃত্ত বৈ যোৱাটো স্বাভাৱিক। কম সময়ৰ ভিতৰত তথ্য গোটাবলগীয়া হোৱাত বৈ গৈছে। অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো।

**অমৰা মূল ঃ** ৰজামায়ং গাঁৱৰ পূব-দক্ষিণ কোণত অমৰামূল অৱস্থিত। ইয়াত পূৰ্বতে এজোপা ডাঙৰ অমৰা গছ আছিল। ধুমুহাত গছডাল উভালি পৰিছিল। অমৰা গছজোপাৰ নামেৰে ঠাইখিনিৰ নাম অমৰামূল আৰু অমৰামূলৰ পশ্চিম দিশত থকা হাদুগ বিলৰ লগত সংযোগী হোৱা জানটো অমৰামূল জান নামেৰে জনাজাত। অমৰামূলৰ জানৰ পূব অংশ বিল অৰ্থাৎ কিছু বহল ঠাই পানীৰে আবৰি আছে। এই আহল-বহল পানী থকা ঠাইখিনিক অমৰামূল বিল বুলিও কোৱা হয়।

— **ধনেশ্বৰ নাথ**

**উলুবাৰী ঃ** ৰজামায়ং গাঁৱৰ অন্তৰ্গত পূব প্ৰান্তত অৱস্থিত এইখিনি উলুখেৰেৰে ভৰি আছিল। উলুখেৰবোৰ অতি লাহি আৰু মিহি হোৱাৰ বাবে ঘৰ ছাউনি কৰাত ভাল আৰু বেছিদিনলৈ ছালখন থাকে। এই উলুখেৰৰ পৰা উলু আৰু বাৰী শব্দটো লগ লগাই উলুবাৰী নাম হয়। অতীজতে এডাল ডাঙৰ মিঠা আম গছ আছিল এই উলুবাৰীতেই। এই আমগছডালৰ পৰা ৰজামায়ং মাজখেলৰ যুৱীয়া নামঘৰত এটা দবাও তৈয়াৰ কৰি ৰাখিছে। আমবোৰ মিঠা হোৱা বাবে 'উলুবাৰী' ঠাইখনক 'মিঠা আমতল' হিচাপেও জনাজাত।

— **শ্ৰীদেবেন নাথ**

**উহ পুখুৰী ঃ** হাতীমূৰীয়া গাঁৱৰ পশ্চিম কোণত আৰু মায়ং মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ পশ্চিমফালে এই পুখুৰীটো অৱস্থিত। এই পুখুৰীটোৰ পৰা অতীজতে হাতীমূৰীয়া আৰু ৰজামায়ং গাঁৱৰ লোকে পানী খাইছিল। এই পুখুৰীটোৰ পানী কোনোদিনে শুকাই নগৈছিল, কাৰণ পানীৰ উহ আছিল। এই উহবিলাকৰ পৰা পানী ওলাই থাকে বাবে সেই ঠাইতে আহল-বহলকৈ পুখুৰীটো খান্দিলে। উহ অৰ্থাৎ পানীৰ পুং থকা বাবে উহ পুখুৰী বা উহপাৰৰ পুখুৰী নামেৰে পৰিচয় দিবলৈ ল'লে।

— **শ্ৰীখিতিৰাম নাথ**

**ঔগুৰি ঃ প্ৰথম মত**- স্বাভাৱিকতে গাঁওখনৰ গোটেই মাটিডৰা আলতীয়া, বোকা উৰ্বৰাযুক্ত আৰু ৰঙা আছিল। হালবোৱাৰ পিছত মাটিবোৰৰ দলি চপৰাবোৰ ৰঙা আৰু অতি টান হৈ একোটা ঔটেঙা সদৃশ হৈছিল। এই দলি চপৰাবোৰ ঔ সদৃশ হোৱা বাবে ঔগুৰি নাম ৰখা হৈছিল।

**শ্ৰীদেৱকান্ত শইকীয়া**

**দ্বিতীয় মত** - গাঁওখনৰ পূব দিশত থকা বলাই জানৰ পাৰত সবাহ, পূজা-অৰ্চনা চলা কথাটো বহুলোকে বিশ্বাস কৰে। সাধাৰণতে বৃহৎ গছৰ তলতে দেৱকাৰ্যসমূহ কৰা হৈছিল। সেইক্ষেত্ৰত ঔগছ এজোপাৰ গুৰিতে এনে কাৰ্য চলাইছিল আৰু ইয়াৰ ঠাইখনক ঔগুৰি বুলি জনা যায়। লোণমাটি আৰু কালশিলাপাৰ গাঁৱৰ লোকসকল পূজা, সবাহলৈ আহোতে ঔগুৰিলৈ যাওঁ বুলি কয়। ঔগুৰি বাসিন্দাসকলে নামটো দিয়া নাছিল, ঔগুৰি বাইজে নাম দিয়াহেঁতেন ঔতল বা ঔগুৰ বুলিহে দিলেহেঁতেন। যিহেতু

দৰঙী ঠাচ আছে। সাধাৰণতে 'গুৰি' শব্দটো দৰঙী ঠাচত ব্যৱহাৰ নকৰে। বৰ্তমানো ঔগুৰি গাঁৱত বহলোকৰ বাৰীত থকা ঔগছসমূহেও অতীতত এই ঠাইত ঔগছ থকাটোকে সমৰ্থন কৰে।

**— ঔগুৰি নামটো সম্পৰ্কে শ্ৰীকমল শইকীয়া**

**কাছশিলা ঃ** হাতীমূৰীয়া গাঁৱৰ উত্তৰ ফালে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত থকা পাহাৰটোৰ ওপৰত কাছসদৃশ প্ৰকাণ্ড শিলাখণ্ড আছে। এই কাছসদৃশ শিলাখণ্ডৰ বাবে গাঁওখনৰ নাম কাছশিলা হয়। এই কাছশিলা পাহাৰত হৰ-গৌৰীৰ শিলা মূৰ্ত্তি আছে।

**— কামেশ্বৰ নাথ**

**কাজলিচকী ঃ** আৰিমত্ত ৰজাই জোঙাল বলহক কলঙৰ পাৰত বান্ধ বান্ধি আগভেটি ধৰিছিল। সেই কাৰণে ঠাইখনৰ নাম অমৰা হয়। তাৰ পিছত জোঙাল বলহ জাঁজিত উটি আহি সেই সময়ৰ নগাঁও জিলাৰ পশ্চিম কোণত আৰু ব্ৰহ্মপুত্ৰ-কলং সুঁতিৰ সংগমস্থলত মৃত্যু হৈছিল। সেই ঠাইখিনিতে পালি-পহৰীয়াই জোঙাল বলহৰ কাম-কাজ-শ্ৰাদ্ধ আদি কৰা হেতুকে ঠাইখনৰ নাম তেতিয়াৰ পৰাই কাজলী হৈছিল। প্ৰতাপ সিংহ ৰজাই ১৯৪৩ চনত কাজলিত চকী পাতিছিল আৰু মায়ং পাহাৰত শিলৰ প্ৰকাণ্ড গড়ুৰ সাজি চোৰাংচোৰা নিয়োগ কৰিছিল। বৰ্তমানো এইবোৰ কীৰ্তিচিহ্ন দেখিবলৈ পোৱা যায়। সেই দিনতেই প্ৰতাপ সিংহই পতা চকীটোৰ নাম অনুসৰি কাজলী শব্দটোৰ শেষত 'চকী' শব্দ যোগ দি পূৰ্ণাংগ নাম কাজলিচকী আহোম ৰজাৰ দিনৰ পৰাই হয়। কলং সুঁতিৰ ওপৰত হোৱা দলংখনৰ নাম 'কাজলিমুখ সেঁতু' কাজলিচকী নামানুসৰি ৰখা হয়।

**— পশ্চিম মায়ঙৰ ইতিবৃত্তঃ উপেন চন্দ্ৰ ৰাজবংশী**

**কাছশিলা পাৰ ঃ** মায়ং অঞ্চলৰ এখন বিলৰ সুবৃহৎ জলপৃষ্ঠৰ প্ৰায় ১৫-২০ হাত পানীৰ তলত এটা বিষযুক্ত ক'লা শিল আছিল। সেই পৰিত্যক্ত শিলৰ পৰাই উদ্ভৱ হৈছিল জলৰাশিত এক বিষক্ৰিয়া। সেয়েহে তাৰ পানী মানুহ, জীৱ-জন্তু আদিয়ে খালে মৃত্যুমুখত পৰিছিল। সেই সময়ত অনন্ত আতাই ঐশ্বৰিক মহিমাৰ বলত পানীত ডুব মাৰি শিলটো উঠাই পাৰত থোৱাত পানী ভাল হৈ খোৱাৰ উপযোগী হ'ল। ১৯৫০ চনৰ প্ৰবল ভূমিকম্পত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াই শিলটো গ্ৰাস কৰিলে। শিলাখণ্ডৰ নামেৰে কালশিলা আৰু পাৰত থকা বাবে পাৰ শব্দ লগাই কালশিলা পাৰ গাঁও হয়।

**— কালশিলা সত্ৰ ঃ অনন্ত ঠাকুৰৰ যুগমীয়া কৃতিঃ কমল চন্দ্ৰ নাথ**

**গোভালী ঃ** ৰাজ বংশাৱলীত গোভালী গাঁৱৰ নামৰ সম্পৰ্কে দিয়া বৰ্ণনাৰ বাহিৰেও আন এটা মুখবাগৰা মতবাদো পোৱা যায়। কিংবদন্তিমতে গোভাৰাজ্যৰ পৰা অহা এটা দলে মায়ং ৰাজ্যৰ বুঢ়ামায়ং গাঁৱৰ দক্ষিণ মূৰে বসবাস কৰিবলৈ লয়। গোভা ৰাজ্যৰ পৰা অহা লোকে বাস কৰাৰ কাৰণে সেই গাঁওখন গোভালী নাম হয়।

**— মায়ঙৰ ইতিহাস ঃ লোকেন্দ্ৰ হাজৰিকা**

**গৰু মৰা পুখুৰী ঃ** ৰজামায়ং গাঁৱৰ পূব দিশত অৱস্থিত বৰ্তমানৰ লক্ষী পুখুৰীটো অতীজতে এই পুখুৰীটোৱ সোঁমাজতে দ গাঁত খান্দি কুঁৱা তৈয়াৰ কৰি তাৰ পৰা গাঁৱৰ মানুহে পানী খাবলৈ নিছিল। শেষলৈ পুখুৰীটোৰ পূব অংশত কিছু দ কৰি খান্দি বাট বন্ধাত ব্যৱহাৰ কৰিছিল আৰু অৱশেষত পৰিত্যক্ত হৈ পৰে। এই পুখুৰীটোত পৰি গৰু মৰিছিল বাবে পুখুৰীটোৰ নাম গৰু মৰা পুখুৰী হিচাপে খ্যাত হ'ল। পুখুৰীৰ মাটিখিনি ৰজামায়ং যুৱক সংঘই সংঘৰ নামত মাটি আৱণ্টন লৈ মেৰামতি কৰি মাছ পুহি সংঘই পৰিচালনা কৰি আছে। এই পুখুৰীটোৰ নাম বৰ্তমান লক্ষী পুখুৰী নামেৰে নামকৰণ কৰা হৈছে।

**— মনোজ নাথ**

**চনকা ঃ** প্ৰথম মত ঃ এই অঞ্চল মায়ং পাহাৰৰ পশ্চিমত আৰু ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত। এই অঞ্চলত প্ৰথমে কুমাৰ জনজাতিয়ে বাস কৰিছিল। বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাত কিছু মানুহ ৰোগ-ব্যাধি হৈ ঢুকাল আৰু কিছু লোক এই স্থান ত্যাগ কৰিলে। মৃতসকলক শ্মশানত থোৱা হয়। কীৰ্তিচিহ্ন হিচাপে শিল পুতি ৰখা হৈছিল, সেইবোৰ পুতি ৰখা শিলৰ কীৰ্তিচিহ্ন বৰ্তমানো আছে। এই ঠাইডোখৰ চন পৰি গ'ল বাবে চনকা হ'ল। পুনৰ নেপালী সম্প্ৰদায়ৰ লোক আহি ম'হৰ খুটি হিচাপে সেই ঠাই দখল কৰিলে। অৱশেষত ভচানী আৰু নৌপানী নামৰ দুজন নেপালী লোকে বসতি কৰি থকাৰ পিছত ম'হৰ খুঁটি লৈ সেই ঠাই ত্যাগ কৰে। অৱশেষত বৰ্তমানৰ লোকসকল হাতীবগৰা, আৰিমাৰী, হিলৈখুন্দা, টাঙোনভাঙী, লেহপতি আদিৰ পৰা ব্ৰহ্মপুত্ৰৰ খহনীয়াত পৰি জীৱিকাস্থল হিচাপে চনকাত বসতি কৰে।

**— নিৰাপদ শইকীয়া, জ্যেষ্ঠ লোকৰ পৰা শুনা তথ্যৰ ভিত্তিত**

দ্বিতীয় মত ঃ প্ৰথম অৱস্থাত এই ঠাইডোখৰত চনকা নামৰ নেপালী সম্প্ৰদায়ৰ মানুহ এজনে ম'হৰ খুঁটি পাতি

বহুদিনলৈ থাকিল। পিছত ম'হৰ খুঁটি উঠাই অন্য ঠাইলৈ গুছি যায়। তেওঁৰ নাম অনুসৰি ঠাইখনৰ নাম চন্‌কা বা চনকা বুলি কয়।

— **প্ৰবীণ শইকীয়া**

**জাৰগাঁও ঃ** মায়ং পাহাৰৰ দাঁতিত আৰু ঔগুৰি গাঁৱৰ দক্ষিণে এই গাঁও অৱস্থিত। হাবি-জংঘলেৰে ভৰা অঞ্চলটো পৰিষ্কাৰ কৰি মানুহৰ বসতিস্থল কৰে। জাৰণি অৰ্থাৎ ডাঠ হাবিৰে ভৰা বাবে জাৰণিৰ পৰা জাৰ শব্দটো আনি লগত গাঁও শব্দ প্ৰয়োগ কৰি গাঁওখনৰ নামৰ জাৰগাঁও হয়।

— **প্ৰবীণ শইকীয়া, দেৱকান্ত শইকীয়া**

**পাভকাটি ঃ** বুঢ়াপাভকাটিৰ পৰা অহা লোকসকলে বৰদিয়া গাঁৱৰ উত্তৰ-পূব দিশত হাবিৰে ভৰপূৰ সমান ঠাইখিনি বসতিৰ স্থল হিচাপে বাছনি কৰি লয়। প্ৰথমে এঘাৰ ঘৰমান মানুহ আহি বাসগৃহ তৈয়াৰ কৰি লৈছিল আৰু বুঢ়া পাভকাটি গাঁৱৰ পৰা অহা বাবে পাভকাটি নাম দিয়ে। বৰ্তমান গাঁওখনৰ নাম বৰদিয়া পাভকাটি কছাৰীগাঁও নামেৰে জনাজাত।

— **অজিত বড়ো**

**বৰঘাট ঃ** বৰ্তমান পবিতৰা অভয়াৰণ্যৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ কাষত হাদুগ বিলৰ ওপৰত সজা হাদুগ ওলমা সেঁতুৰ সোঁকাষতে এটা ঘাট আছিল। এই ঘাটিৰ পৰা ৰজামায়ঙৰ মহিলাসকলে কলহেৰে পানী আনিছিল খাবলৈ। এই ঘাটটো ডাঙৰ আছিল বাবে বৰঘাট নাম দিছিল।

— **যোগেন্দ্ৰ কোঁৱৰ**

**বৰদিয়া ঃ** ১৯৪৪ চনত কামৰূপ জিলাৰ ৰামদিয়াৰ পৰা প্ৰায় ১৮ ঘৰ মানুহ এই ঠাইলৈ আহি বসবাস কৰিবলৈ লয়। শিলডুবি গাঁৱৰ পৰা ৰজামায়ং গাঁৱলৈ এই বিস্তৃত অঞ্চল হাবি-জংঘলেৰে ভৰপূৰ আছিল। এই হাবি-জংঘল কাটি খেৰ আৰু ইকৰাৰে ঘৰ সাজি জীৱিকা নিৰ্বাহ কৰিবলৈ ধৰে। ব্ৰহ্মপুত্ৰ নদীৰ ডাঙৰ চৰ অৰ্থাৎ বৰ চৰ পৰি এই ঠাইডোখৰ বালিময়। 'বৰ' শব্দৰ লগত ৰামদিয়াৰ পৰা অহা বাবে দিয়া শব্দ প্ৰয়োগ কৰি 'বৰদিয়া' হয় বুলি কয়। আকৌ কোনোৱে মত দাঙি ধৰে যে, ব্ৰহ্মপুত্ৰ নদীৰ পৰা সৃষ্টি হোৱা বাবে ব্ৰহ্মপুত্ৰই বৰ দিয়া বা আশীৰ্বাদ দিয়া বুলি ধৰি 'বৰদিয়া' নাম হোৱা বুলিও কয়।

— **সত্যেন্দ্ৰ লহকৰ**

**বৰজান ঃ** গোসাঁইডুবি বিলৰ পৰা ওলাই ঔগুৰি গাঁৱৰ উত্তৰ পাৰেদি বৈ গৈ বৰদল হৈ ধিপুজী জানত দ্বিখণ্ডিত হৈ এভাগ কাজলিচকী হৈ কলং নৈত পৰিছে আৰু আনভাগ ধিপুজী জানেৰে বৈ গৈ কলং নৈত পৰিছে। জান ডাঙৰ অৰ্থাৎ 'বৰ' শব্দ প্ৰয়োগ কৰি 'জান' শব্দ সংযোগ ঘটাই বৰজান নামেৰে নামকৰণ হয়।

— **নিৰাপদ শইকীয়া**

**বৰ দল ঃ** বৰ দল এখন আহল-বহল পথাৰ। এই পথাৰখন পূৰ্বতে দ পিটনি আছিল, ইয়াৰ মাটিকালি প্ৰায় ৩০০ বিঘা। আহল-বহল দ পিটনিৰ বাবে বৰদল নামেৰে জনা যায়। বৰ্তমানো ১০৭ বিঘা মান মাটি গ্ৰেজিং ৰিজাৰ্ভ হিচাপে স্বীকৃত হৈ আছে।

— **নিৰাপদ শইকীয়া**

**বলাইজান ঃ** মৃত ক্ষিতেশ্বৰ শইকীয়া (বেঙা শইকীয়া) ঘৰৰ কাষেৰে বৈ যোৱা জান। বলি যোৱা বা বৈ যোৱা বাবে নামটো বলাইজান হয়। এই জানটো গোহাঁইডুবি বিলৰ পৰা বৰদল হৈ কাজলিচকীত ওলাইছেগৈ। বৰ্তমান জানটো লুপ্তপ্ৰায় অৱস্থা।

— **নিৰাপদ শইকীয়া**

**বাঢ়ৈতাৰী ঃ** নৰসিংহ আশ্ৰমৰ পৰা বৰজানলৈ মায়ং পাহাৰৰ দাঁতিৰে এই অঞ্চলৰ নাম বাঢ়ৈতাৰী। ইয়াত আহোম সৈন্যই পানীপথেৰে যাত্ৰা কৰিবলৈ নাও তৈয়াৰ কৰিছিল। নাওতৈয়াৰ কৰা কাঠ মিস্ত্ৰীসকলক বাঢ়ৈ বুলি কোৱা হয়। শাৰী পাতি বসবাস কৰাৰ বাবে গাঁওবাসীয়ে শাৰীক তাৰী বুলি কয় আৰু বাঢ়ৈৰ লগত তাৰী শব্দ প্ৰয়োগ কৰি গাঁওখনক বাঢ়ৈতাৰী বুলি কয়। বৰ্তমান হিলৈখুন্দা চুবাটোকেই বাঢ়ৈতাৰী গাঁও হিচাপে চৰকাৰী নথিপত্ৰত নামাংকৃত হৈছে।

— **নিৰাপদ শইকীয়া**

**বুঢ়ামায়ং ঃ** মায়ং অঞ্চলৰ পুৰণি গাঁওখনৰ নাম বৰগাঁও আছিল। বৰগাঁও মানে ডাঙৰ গাঁও। পূবত থকা বাবে পূব মায়ং, মাজত থকা বাবে মধ্য মায়ং আৰু পশ্চিমত থকা বাবে পশ্চিম মায়ং আছিল। এই সকলোবোৰ গাঁৱৰ সৃষ্টি হৈছে বৰগাঁও। বয়সীয়াল গাঁও বাবে বুঢ়াগাঁও বুলিও কয়। ক্ৰমাৎ মায়ং শব্দটো সংযোজন হৈ বুঢ়ামায়ং হ'ল।

— **বীৰেন বাঠৈই টিমুং**

**ভেৰ-ভেৰী ঃ** হাতীমূৰীয়া গাঁৱৰ পূব প্ৰান্তত অৱস্থিত এখন দ-দলনী বিল। ইয়াত দলজাতীয় ঘাঁহনিৰে পৰিপূৰ্ণ আৰু অতি ভেৰভেৰীয়া বোকাময় সাৰুৱা পানীৰে ভৰা। ঠাইখিনি ভেৰভেৰীয়া হোৱা বাবে ভেৰ-ভেৰী নামেৰে

প্ৰখ্যাত। বৰ্তমানো মাঘবিহুৰ উৰুকাৰ দিনা সমূহীয়াভাৱে ৰাইজে মাছ মৰা পৰম্পৰা ৰক্ষা কৰি আহিছে এই ভেৰ-ভেৰী বিলখনত।

— অৰুণ বিষয়া

**মায়ং** ঃ মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত এখন প্ৰখ্যাত ভূ-খণ্ডৰ নাম মায়ং। মায়ং নামটোৰ উৎপত্তি সম্পৰ্কে বিভিন্ন লোকে বিভিন্ন ৰূপত ইয়াৰ অভিমত দাঙি ধৰিছে। তাৰে কেইটামান অভিমত দাঙি ধৰিলো।

তন্ত্ৰ-মন্ত্ৰ যাদু-বিদ্যাৰ প্ৰাণকেন্দ্ৰ এই মায়ঙতে আছিল বুলি অসমৰ, ভাৰতৰ তথা বিভিন্ন দেশ-বিদেশতে বিশ্বাস কৰি আহিছে। তন্ত্ৰ-মন্ত্ৰৰ লগত মায়ং নামটোৰ কোনো সম্বন্ধ নাথাকিলেও মায়ং বুলি ক'লে সকলোৱে তন্ত্ৰ-মন্ত্ৰ যাদুৰ মায়ং বুলি ভাবে।

১১২৫ খ্ৰীষ্টাব্দত গৌড়ৰ ৰজা আছিল পাল বংশৰ ৰামপাল। সেই সময়ত কামৰূপৰ ৰজা আছিল জয়পাল। তেওঁৰ ৰাজ্যত খেলি-মেলি হোৱাত গৌড়ৰ ৰজা ৰামপালৰ সেনাপতি মায়নক কামৰূপ ৰাজ্য জয় কৰিবৰ বাবে পঠায়। মায়নে কামৰূপ ৰাজ্যৰ ৰজাক পৰাস্ত কৰে। ৰজা জয়পালে প্ৰাণ লৈ পলায়। মায়ন গৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত গুৱাহাটীৰ পূবে মায়ন গড় স্থাপন কৰে। সেই সময়ত বৌদ্ধ তান্ত্ৰিকসকলে দেশ চানি ধৰিছিল। মায়নে মায়ং গড় সাজি তাতে বৌদ্ধ তান্ত্ৰিকক আশ্ৰয় দিছিল। তেতিয়াৰ পৰাই এই অঞ্চল তন্ত্ৰ-মন্ত্ৰৰ ঘাই 'মায়ং' আৰু 'মায়াং' দুয়োটা শব্দই একেখন ঠাইকে বুজাইছে আৰু দুইধৰণে নামটো পোৱা গৈছে। মায়ন সেনাপতিৰ নামে মায়ং নাম হৈছিল।[১]

মহদা গোস্বামীদেৱে এক দাৰ্শনিক ব্যাখ্যা দাঙি ধৰিছে। মায়াং মানে 'মায়াৰ সংসাৰ'। মায়াৰ সংসাৰ বুলিলে বিশ্ব সৃষ্টিখনকে বুজায়। মায়াৰে ৰচিত সৃষ্টি। 'মা' (মা কামাখ্যা)+অঙ্গ=মায়াং প্ৰকৃততে মায়ং বুলিলে গোটেই পৃথিৱীকেই সূচায়।[২]

মাইবং শব্দৰ পৰা হেনো মায়ং শব্দটো ওলাইছে। এই অঞ্চলৰ প্ৰথম ৰজাজন উত্তৰ কাছাৰৰ মাইবঙৰ পৰা আহি ৰাজত্ব কৰিছিল। সেয়েহে মাইবং ৰজাই ৰাজত্ব কৰা ঠাইখনৰ নাম 'মইঅং' আৰু শেষত মায়ং হয়। আকৌ মাইবঙৰ কিছুসংখ্যক লোকে এই অঞ্চলত বসবাস কৰিছিল। সেয়ে ঠাইখনৰ নাম কালক্ৰমত মায়ং হয়।[৩]

১- ডিমাছা সংস্কৃতিৰ ৰূপৰেখা (প্ৰথম খণ্ড) ঃ লোকেশ্বৰ গগৈ।

২- মায়ং অঞ্চলৰ লোক সংস্কৃতি ঃ ড° হেমন্ত কুমাৰ শৰ্মা।

৩- মায়ঙৰ ইতিহাস ঃ লোকেন্দ্ৰ হাজৰিকা।

**মূৰবৰী** ঃ ৰজামায়ং গাঁৱৰ পূব দিশত আৰু মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পূব-দক্ষিণত অৱস্থিত এই মূৰবৰী গাঁওখন। পূৰ্বতে এই অঞ্চল অটব্য অৰণ্যৰে ভৰপূৰ আৰু ওখ আছিল। গাঁৱত মৃত লোকসকলক সৎকাৰ কৰা বা পুতি থোৱাও হৈছিল। গৰুৰখীয়া ডেকা ল'ৰাবোৰে মানুহৰ মূৰৰ লাওখোলাবোৰ বল হিচাপে ব্যৱহাৰ কৰি খেলিছিল। গাঁওখনৰ মূৰত থকা বাবে মূৰবৰী বুলি কৈছিল। কোনো কোনোৱে কয় যে মূৰখোলা পৰি থকা বাবে মূৰবৰী বুলিও ক'ব বিচাৰে। অৱশ্যে ঠাইৰ নামসমূহ স্থানভিত্তিক হিচাপে দিয়ে যিহেতু গাঁওখনৰ মূৰত থকা বাবেহে মূৰবৰী নাম হয় বুলি অভিমত আছে।

— কামেশ্বৰ নাথ

**ৰজামায়ং** ঃ বৰগাঁৱত শূইনত সিংহই বসবাস কৰিবৰ বাবে সুচল ঠাই নাপালে। হাইজা, কলেৰা, গ্ৰহণী আদি সততে হৈ মহামাৰীৰ ৰূপ ধাৰণ কৰাত পূব দিশৰ কিছু দূৰত থকা সমান ঠাইত ৰাজধানী স্থানান্তৰ কৰে। মায়ঙৰ এই সমভূমি অঞ্চলত ৰাজধানী পাতি ৰজাই ৰাজকাৰ্য চলাবলৈ ধৰে। ৰজাই ৰাজকাৰ্য চলোৱা এই ঠাইখিনি ৰজামায়ং নামেৰে জনাজাত হয়। আজিও প্ৰতি ব'হাগ মাহৰ ৪ তাৰিখে চ'ৰাত গোসাঁই উলিওৱা, ৫ তাৰিখে হাতীমূৰীয়া আহতৰ তলত গোসাঁই উলিওৱা আৰু ৬ তাৰিখে বুঢ়ামায়ং গাঁৱৰ থানসমূহ দৰ্শন কৰাই পুনৰ গোসাঁই আনি ৰজামায়ং ৰজাচকীত গড়ভাঙা তিনিদিনীয়া কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে ৰজা আৰু বাংঠে, ডা-ডাঙৰীয়া, মালাধাৰী, পাতৰ, মেধি, তামুলীসহ উৎসৱ পালন কৰি আহিছে। পূৰ্বতে ডেকামায়ং বুলিও অভিমত আছে। শেষত এই ডেকামায়ঙেই ৰজামায়ং হয়।

**— মায়ঙৰ ৰজাঘৰীয়া পৰম্পৰা এক সংক্ষিপ্ত অৱলোকন ঃ মন্তিৰ শইকীয়া**

**লোণমাটি** ঃ এই গাঁওখন অতি পুৰণি গাঁও। গাঁওখনৰ পূবত থকা কালশিলাঘাটলৈ পানী খাবলৈ বনৰীয়া জীৱ-জন্তুবোৰ সঘনে আহিছিল। জাক জাক হাতীৰ পালৰ লগত হৰিণবোৰো বাঘৰ পৰা ৰক্ষা পাবলৈ আহিছিল। পানী খোৱাৰ উপৰিও হাতী আৰু হৰিণবোৰে মাটিবোৰ খোৱা দেখি মানুহে মাটি চেলেকি চাই গম পালে যে মাটিবোৰ

নিমখীয়া অৰ্থাৎ লোণীয়া। গাঁওখনৰ মাটিবোৰ অকল লুণীয়াই নহয় উৰ্বৰাও আছিল। এই মাটিবোৰ লোণীয়া বাবে গাঁওখনৰ নাম লোণমাটি হয়।

— মন্তিৰ শইকীয়া, তিলক হাজৰিকা

**শান্তি দল ঃ** ৰজামায়ং গাঁৱৰ পশ্চিমত পথাৰৰ মাজভাগত দ-দলনী আছে। এই দলনীখনত স্বৰ্গীয় শান্তি কোঁৱৰৰ মাটিয়েই অধিক আছিল। তেওঁৰ নামেৰে এই দ-দলনী মাটিখিনিৰ নাম শান্তিদল হয়।

— ড° কৃষ্ণকান্ত কোঁৱৰ

**শিমলুগুৰি ঃ** হাদুগ বিলৰ কাষত আৰু ৰজামায়ং শ্মশানৰ উত্তৰ দিশত পূৰ্বতে এজোপা ডাঙৰ শিমলুগছ আছিল। এই গছডাল বৰ্তমান নাই যদিও তাহানি দিনতেই এই ঠাইখিনি শিমলু গছডালৰ বাবে শিমলুগুৰি ৰখা হয়। বৰ্তমান তেতেলী গছ এডাল থকা বাবে কোনো কোনোৱে তেতেলীতল নাম দি মাতে, প্ৰকৃততে শিমলুগুৰি অতীজৰ নাম আৰু বৰ্তমানো সেই নামেৰেহে পৰিচিত হৈ আছে।

— দিপৰ চন্দ্ৰ নাথ

**শিলডুবি ঃ** পঞ্চদশ-ষষ্ঠদশ শতিকাতে দামোদৰ দেৱ গুৰুজনাই হাজো-কেদাৰলৈ ব্ৰহ্মপুত্ৰৰ বুকুয়েদি নাৱত যাওঁতে (বৰ্তমানৰ শিলডুবি) গাঁওখন ঘূৰি ঘূৰি এই ঠাইখণ্ডতে বৈ গৈছিল। তেতিয়া গুৰুজনে ধ্যানস্থ হৈ এই ঠাইত এখন সত্ৰ পাতিবলৈ মনস্থ কৰি কেদাৰলৈ যাত্ৰা কৰে। তিনিমাহৰ পিছত যেতিয়া আকৌ গুৰুজন কেদাৰৰ পৰা উভতি আহে এই স্থানত নাওখন আকৌ ঘূৰি ঘূৰি একে ঠাইতে বৈ যায়। তেতিয়া গুৰুজনাই পূৰ্বৰ সত্ৰ পাতিম বুলি কৈ যোৱা কথাখিনি মনত পেলাই এই ঠাইখণ্ডত এখন সত্ৰ পাতিবলৈ স্থিৰ কৰি থৈ যায়। ছমাহৰ পাছত ছকুৰি ভকতক লৈ তেওঁ পুনৰ এই ঠাইলৈ উভতি আহি শিল, বালি, গোবৰ-জাবৰেৰে এটি ভেটি নিৰ্মাণ কৰিলে।

ভেটিৰ পূবে— পকৰীয়া শিল গোসাঁই  
উত্তৰে— গোসাঁইবৰী  
উত্তৰ-পশ্চিমে— ধনতলাবৰী, শিল পুখুৰী  
দক্ষিণে— সলন্ধ্যামাৰী  
দক্ষিণ-পূবে— গৰখীয়া মাৰা, গৰু জুবুৰীয়া ঘাট

এই চাৰিসীমাৰ মাজত শিল-বালিৰে ডুবিৰ ওপৰত ভেটি তোলা বাবে শিলডুবি নাম দি শিলডুবি সত্ৰ স্থাপন কৰে। চাৰিসীমাত চাৰিটা খুঁটি দিলে। দক্ষিণ-পশ্চিমত থকা খুঁটিটো বিহাৰীয়ে ৰাস্তা উঠাই দিয়া মাটি কাটোতে মাটিৰ তলত ওলাল। বাৰুকাটাৰ ধনেশ্বৰে তেতিয়া কুছিয়ানীত আছিল, সি শিলৰ খুঁটিটো দেখি কুছিয়ানীলৈ লৈ যায়। ৰাতি গোসাঁয়ে সপোনতে য'ৰ পৰা খুঁটি আনিছা তাতে থৈ আহা বুলি নিৰ্দেশ দিয়াত পুৱাই ধনেশ্বৰে আকৌ খুঁটিটো আনি পুতি থয়। বৰ্তমান ৰাস্তাৰ প্ৰায় ১০০ ফুট আঁতৰত খুঁটিটো এতিয়াও আছে।

এই শিলডুবি সত্ৰৰ সত্ৰাধিকাৰ ভৈৰৱ গোস্বামীয়ে প্ৰায় ১৯১০ চনত শিলডুবি সত্ৰৰ পৰা চতাবৰীলৈ পৰিয়ালসহ উঠি যায় আৰু তাতে শিলডুবি সত্ৰ নামেৰে পুনৰ এখন 'শিলডুবি সত্ৰ' স্থাপন কৰে। প্ৰায় দুই-তিনি বছৰ তাতে থাকি পুনৰ শিলডুবিলৈ আকৌ উভতি আহে। কিন্তু বৃহত্তৰ বৰকুলৈ, চতাবৰীৰ ৰাইজে তেওঁলোকক কাকুতি-মিনতি কৰি গোসাঁইঘৰৰ সকলোকে তালৈ ওভতাই লৈ যায়। তেতিয়াৰ পৰাই শিলডুবি সত্ৰ এই স্থানৰ লগতে গোসাঁই পৰিয়াল চতাবৰীত থকাৰ বাবে তাতো 'শিলডুবি সত্ৰ' নামেৰে দুখন শিলডুবি সত্ৰ হৈ আছে।

— শ্ৰীৰামেশ্বৰ মেধি, শ্ৰীজিতু গোস্বামী

(বৰ্তমান পুতি থোৱা খুঁটিটোৰ ঠাইখিনিতে স্বৰ্গীয় লয়ৰাম মেধি (নাইঢোল বাবাজী)য়ে আশ্ৰম পাতি আছিল।)

**হাতীগড় ঃ** ১৯০৪ চনত ব্ৰিটিছ চৰকাৰৰ শাসনকালত VGR (ভি জি আৰ)ৰূপে ঘোষণা কৰে। কিন্তু ১৯৫০ চনৰ ভূমিকম্পত বিধ্বস্ত হিলৈখুন্দাৰ ৰায়তসকলৰ কোনো সংস্থাপন নোপোৱাত হাতীগড়তেই তেওঁলোকক মাটি পট্টন দি বসতিৰ নিৰ্দেশ দিয়ে। এই ঠাইখিনি হাবি-জংঘলেৰে ভৰপূৰ। খাছিয়া জয়ন্তীয়া পাহাৰৰ পৰা কলং-কপিলী পাৰ হৈ মায়ং ভূমিখণ্ডত চৰিবলৈ বনৰীয়া হাতীৰ জাক আহিছিল। মাটিত গড়খাৰৈ বান্ধি বনৰীয়া হাতী ধৰি বান্ধি ৰাখিবৰ বাবে গড় নিৰ্মাণ কৰিছিল। হাতী আৰু গড় শব্দৰ পৰাই হাতীগড় হয়।

— মায়ঙৰ ইতিহাস ঃ লোকেন্দ্ৰ হাজৰিকা

**হাতীবাগৰা ঃ** বৰ্তমানৰ হাতীবাগৰা গাঁওখনক আগতে 'শগুনপৰি' বুলি জনাজাত আছিল। বৰ্তমান দৰং জিলাৰ শগুনপৰি নামৰ ঠাইৰ পৰা কিছু মানুহ আহি এই ঠাইডোখৰত বসবাস কৰিছিল। তেতিয়া গাঁওখনৰ অৱস্থিতি আছিল ঠিক ব্ৰহ্মপুত্ৰ আৰু মায়ং পাহাৰৰ সংগমস্থলীত। সেই সময়ত বোলে মায়ং পাহাৰত ছেগা-চোৰোকাকৈ বন্য হস্তীয়েও বিচৰণ কৰিছিল। হঠাতে এদিন বৰ্তমানৰ হাতীবাগৰা গাঁওখনৰ ঠিক উত্তৰ-পূব দিশত থকা মায়ং পাহাৰৰ শিখৰৰ পৰা ভৈয়ামলৈ আহল-বহল প্ৰায় ২০-২৫ বিঘা মাটিৰ জোখৰ

সমান এটি প্ৰকাণ্ড শিলৰ পৰা এটি দঁতাল হাতী তললৈ বাগৰি পৰি মৃত্যু হৈছিল। তেতিয়াৰ পৰা সেই শিল ডোখৰৰ নাম হয় 'হাতীবাগৰা শিল'। জনশ্ৰুতিমতে তেতিয়াৰ পৰা এই ঠাইডোখৰৰ নাম হাতীবাগৰা হয়। সেই শিলডোখৰ বৰ্তমানেও দৃশ্যমান। কোনো কোনোৱে হাতীবগৰা বুলি কয় যদিও হাতীবগৰা নহৈ হাতীবাগৰাহে হ'ব লাগে।

— বালীৰাম শইকীয়া, হাতীবাগৰা

**হিলৈখুন্দা ঃ** নৰসিংহ আশ্ৰমৰ পৰা প্ৰায় ৩ কিলোমিটাৰ দূৰৈত পকৰীয়া। পকৰীয়া আৰু নৰসিংহ আশ্ৰমৰ মাজত হিলৈখুন্দা গাঁও আছিল। বৰ্তমান নৰসিংহ আশ্ৰমৰ পৰা দলং বগৰা শিললৈ প্ৰায় ১ কিলোমিটাৰজুৰি হিলৈখুন্দা গাঁও আছিল। আহোম ৰজাৰ দিনত মোগলৰ লগত যুদ্ধ কৰিবলৈ হিলৈ তৈয়াৰ এই অঞ্চলতে কৰিছিল। বৰ্তমানো হিলৈ তৈয়াৰ কৰা চিহ্ন শিলসমূহত আছে। হিলৈ খুন্দা বাবে ঠাইখনৰ নাম হিলৈখুন্দা হয়। বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত গাঁওখন জাহ গ'ল আৰু মানুহখিনি মায়ং পাহাৰৰ দাঁতিত বাসস্থান কৰি থাকিবলৈ লয়।

— নিৰাপদ শইকীয়া

**হাতীমূৰীয়া ঃ** এই গাঁওখন অতি পুৰণি গাঁও। ৰজামায়ং গাঁৱৰ উত্তৰে অৱস্থিত গাঁওখনৰ পূব দিশত থকা চৰাইহাগী পাহাৰৰ ভৈয়ামৰ ৰাস্তাৰ দাঁতিতে এটা প্ৰকাণ্ড হাতীসদৃশ শিলাখণ্ড আছে। এই হাতীসদৃশ শিলাখণ্ডৰ পৰাই হাতীমূৰীয়া গাঁও নামেৰে প্ৰখ্যাত। বৰ্তমানো এই শিলটো হাতীৰ দৰে বৃহৎ আকাৰৰ পাহাৰটোৰ ভৈয়ামত দৃশ্যমান হৈ আছে।

— মুকুট বিষয়া

**হিৰাবাৰী ঃ** হিৰা জাতিয়ে ৰজামায়ং গাঁৱৰ পূব আৰু দক্ষিণ প্ৰান্তত বসবাস কৰি মাটিৰ বাচন-বৰ্তন তৈয়াৰ কৰিছিল। স্বৰ্গীয় হৰিচন্দ্ৰ গগৈৰ বাসগৃহৰ পূব দিশত থকা বাৰী আৰু লক্ষীকান্ত নাথৰ বাসগৃহলৈ এই অঞ্চল লগত হাদুগবিলৰ পাৰৰ যতিন চন্দ্ৰ নাথৰ বাসগৃহৰ পৰা পবিতৰা অভয়াৰণ্যৰ কাৰ্যালয়লৈ এই বৃহৎ এলেকাত দুখণ্ডত হিৰাসকলে বসতি কৰি মাটিৰ বাচন-বৰ্তন তৈয়াৰ কৰি বিক্ৰী কৰিছিল। সেয়েহে দুয়োখন বাৰীকেই হিৰাবাৰী নামেৰে জনাজাত। বৰ্তমান ৰমেশ চন্দ্ৰ নাথৰ নতুন বাসগৃহৰ পূবত থকা হাদুগৰ ঘাটটোত হিৰাসকলৰ নাওঁ ৰখোৱা ঘাট আৰু এই ঘাটলৈ ৰজামায়ঙৰ জীয়ৰী-বোৱাৰীয়ে গা-পা ধুই পানী নিবলৈ আহিছিল। এই ঘাটটো হিৰাঘাট নামেৰে পৰিচিত।

— পঞ্চমী দেৱী, ডাঃ কৃষ্ণকান্ত কোঁৱৰ

**সতীভেটি ঃ** বৰ্তমান স্থাপিত পৰমাৰ্থ শ্ৰীশ্ৰীসোণাৰাম সেৱাশ্ৰমৰ দক্ষিণ কোণত থকা পুখুৰীটোৰ পাৰত আমগছৰ তলত ওখ ভেটি এটা আছিল। গাঁওখন স্থাপন হোৱাৰ আগতেই এই ওখ ভেটিটোত জনজাতীয় সম্প্ৰদায়ৰ মিকিৰ মানুহ এজনে ঘৰ সাজি আছিল। তেওঁৰ নাম আছিল সতী। বৰ্তমানৰ ৰাস্তাৰ দুয়োপাৰে থকা গাঁওবাসীয়ে ওখ ঠাইত ঘৰ সাজিলে আৰু ৰাস্তাটো থকা ঠাইখিনি জানসদৃশ দ আছিল। মতি বৰাৰ দিনত ৰাস্তাটো সজোৱাত গাঁৱৰ লোকসকল অহা-যোৱাত সুচল হয়। সতী নামৰ লোকজনে বসবাস কৰা ওখ ভেটিৰ পৰাই ক্ৰমে সতী শব্দ আৰু ভেটি শব্দ সংযোগ ঘটাই গাঁওখনৰ নাম সতীভেটি ৰখা হয়।

— মণ্ঠিৰ শইকীয়া, নৰকান্ত শইকীয়া

**ঢেকীয়াবাৰী ঃ** এই গাঁওখন মায়ং পাহাৰৰ দক্ষিণ দিশৰ দাঁতিত অৱস্থিত। এই পাহাৰৰ দাঁতি-কাষৰীয়া অঞ্চলত ঢেকীয়া গছেৰে পৰিপূৰ্ণ আছিল। এই ঢেকীয়া গছৰ পৰাই কালক্ৰমত গাঁওখনৰ নাম ঢেকীয়াবাৰী নামেৰে জনাজাত।

— তিলক হাজৰিকা

মায়ং অঞ্চলৰ কিছুমান ঠাইৰ নাম উল্লেখ কৰি ৰাখিলো। কটহগুৰি, কৰৈতল, কাঞ্জুলী, কেঁকুতলী, খাটবস্তি, গা-সৰকা, গোবৰ্দ্ধন, চেংমাৰী, জলজলী, জীয়ামাৰী, ডুবৰিতলী, ঢপলীয়া, তৰপতাজান, তামুলীডোভা, তেতেলীগুৰি, দীঘলীজান, নলডোভা, পকালাগী, পথলীপোতা, পাগ্‌লাডোভা, পাৰজাহী, বনমূৰী, বাঘাপৰী, বৰজান, বালিজান, বেঙাজান, বেংডুবি, বসুডোভা, বহালীবাৰী, ভেকেনী, কেটেৰা পুখুৰী, মদনবৰী, মাটিখুন্দা, মাজুদল, মোৱামাৰী জান, ১নং মূৰকটা, ২নং মূৰকটা, লঠাজান, লেহপতী, শলভাগুৰি, সৰুহোলা, সাৰখোৱা হোলা ( বা বৰহোলা), সৰুদৈয়া আটি, হাতীভাঙ্গী, কমাৰপুৰ, ঠেংভাঙা, দিপৰাং, বৰপাক, বহা-বৰজাৰি, গৰুবন্ধা, ধানখুন্দা, মালোবস্তি, কৰদৈয়া, দীঘলআটি, খিপুজী, নলনী, শান্তিপুৰ, কুছিয়ানী, মৰিখুঁটি পাম, মৰিখুঁটি টুপ, কুকুৰাবাৰী, খোলাভুএগ ইত্যাদি।◆◆

# সাতো ৰজা আৰু পাঁচো ৰজাৰ এটি চমু আভাস

উমা কান্ত ডেকাৰজা
বিশিষ্ট লেখক

অবিভক্ত নগাঁও জিলাৰ আজিকালিৰ মধ্য অসমৰ ফুলগুৰিৰ পৰা মায়ং অঞ্চলৰ মধ্য ভাগত সাতো ৰাজ্যৰ ৰজা আৰু পাঁচো ৰাজ্যৰ ৰজাসকলে কিছুমান সৰু সৰু ৰাজ্যত নিজা নিয়ম-নীতিৰে একোখনকৈ ৰাজ্য শাসন কৰা দেখা গৈছিল। দঁতিয়লীয়া ৰাজ্যবিলাক আৰু ঐতিহাসিক প্ৰাচীন মায়ং ৰাজ্যও এই মধ্য অসমৰ অন্তৰ্গত। সকলোবোৰ ৰাজ্য স্বতন্ত্ৰভাৱে বসবাস কৰি এডাল মৰমৰ এনাজৰীৰে বান্ধ খাই থকা যেন আমাৰ অনুভূত হয়। কৃষ্টি, সংস্কৃতি, পালিবলগীয়া উৎসৱ-পাৰ্বন আদিৰ সমিলমিল স্বভাৱৰ বাবে এইদৰে ভাবিবলগা হৈছে। যি কি নহওক আমি এই চমু প্ৰবন্ধত সাতো ৰাজ্য আৰু ৰজা, পাঁচো ৰাজ্য আৰু ৰজাসকলৰ বিষয়ে আলোচনা কৰিম। সাতো ৰাজ্য বুলিলে কুমৈ ৰাজ্য, ঘগুৱা, কছাৰী গঞা, শুখনা গোগ, তেতেলীয়া, বঘৰা, তৰাণি ৰাজ্যক কোৱা হয়। সেইদৰে পাঁচো ৰাজ্য বুলি কোৱা হয়— টোপাকুছি, সৰাৰাজ্য, খাইগড়, বাৰপূজীয়া আৰু মিকিৰ গঞা ৰাজ্যক।

**কুমৈ ৰাজ্য ঃ** সাতো ৰাজ্যৰ ভিতৰত কুমৈ ৰাজ্যৰ গুৰুত্ব অপৰিসীম আৰু অতি প্ৰাচীন ৰাজ্য। ৰাজ্যৰ চাৰিসীমা এনেধৰণৰ— পূবে শুখনাগোগ ৰাজ্য আৰু খ্যমদং পাহাৰৰ একাংশ। পশ্চিমে কছাৰী গঞা ৰাজ্য খালপোতা পথাৰ, উত্তৰে কুমৈ পাহাৰ, দক্ষিণে কলং আৰু কপিলী নদীৰ সীমাত আছে আহোম স্বৰ্গদেউসকলৰ জাগীচকী (জাগীয়াল গোহাঁই বৰুৱা)। এই চাৰিসীমাৰে আগুৰা ঠাইখণ্ডকে কুমৈ ৰাজ্য বুলি কোৱা হয়। তিৱা সম্প্ৰদায়ৰ মানুহেৰে পৰিপূৰ্ণ এখন সৰ্বাংগসুন্দৰ পাহাৰৰ উপত্যকাত অৱস্থিত কোনোদিনে বানপানীৰ কবলত নপৰা ধনে-ধানে উভৈনদী ৰাজ্য। সুদূৰ অতীজৰে পৰা শাসন কৰি অহা প্ৰথম ৰজাজনৰ নামৰ পৰা ৰূপাংগদ, সন্তমতি, ধনুমতি, দেৱজন্য,দেৱদত্ত, সুকুমাৰ, ৰূপনাৰায়ণ, যক্ষ্যাতি, ৰুদ্ৰসিংহ, নীল সিংহ-পূৰ্ণ সিংহ, গদাসিংহ, দেৱানন্দ, অৰূপানন্দ, চন্দ্ৰাৱলী, শুক্ৰধ্বজ, সূৰ্যমতি, প্ৰতাপ চন্দ্ৰ ওৰফে মায়ামন্ত ওৰফে ৰামচন্দ্ৰ, আৰিমত্ত, মৃগাংক, জকাংক ইত্যাদি। স্বৰ্গীয় থানেশ্বৰ ডেকাৰ ঘৰত পোৱা পৈদমতে (পদ্য আকাৰে লিখা) মৃগাংক আৰু জকাংক দুয়োজন ভাই-ককাই। মৃগাংক কুমৈ ৰাজ্যৰ অধিপতি আৰু জকাংক বঘৰা ৰাজ্যৰ অধিপতি তথা ৰজা হ'ল। মাজতে কিছুসকলৰ নাম বাদ দি শেহতীয়া ৰজাকেইজনৰ নাম উল্লেখ কৰা হ'ল। ৰণসিংহ, শনিসিংহ, অনাদা, লয়নী (ৰাণী), আমল আৰু বৰ্তমান শ্ৰীহঁহিৰাম ৰজা। কুমৈ ৰাজ্যৰ মূল উৎসৱসমূহ হৈছে— মালপূজা, উষাবৰত আৰু ভদীয়া বৰত, গোসাঁই উলিওৱা মেলা। ইয়াৰ ভিতৰত মালপূজা আৰু বৰত (ব্ৰত) উৎসৱ পাতিবলৈ এৰি দিয়া পৰিলক্ষিত হৈছে। কেৱল গোসাঁই উলিওৱা মেলাখন পাতি থকাটোহে দেখা গৈছে। ইয়াৰোপৰি কালিকা পূজা কৰা হয়। পূজাত ছাগলী, কুকুৰা নাংকৈৰে (নাংকৈ) বলি দি পূজা কৰিব লাগে। চিকাৰ পদ্ধতিত খেদা চিকাৰ কৰি এফালে ডাঙৰ জাল পাতি আনফালৰ পৰা খেদি খেদি পহু, গাহৰি ইত্যাদি চিকাৰ কৰিছিল। গোসাঁই উলিওৱা মেলাত ঢালবাৰা লৈ যুদ্ধৰ নৃত্য কৰা হয়। কুমৈ, কুমই, কুমাই, কুময়, কু-ময় বুলি সংস্কাৰ লাভ কৰিছিল বুলি স্বৰ্গীয় হৰেন ডেকাদেৱে আমাক জানিবলৈ দিছিল।

**কছাৰী গঞা ৰাজ্য ঃ** কছাৰী গঞা ৰাজ্যৰ সীমা এনেদৰে পোৱা যায়। উত্তৰে খ্যমদং পাহাৰ, পূবে কুমৈ ৰাজ্য, দক্ষিণে কপিলী নদী আৰু পথাৰ, পশ্চিমে দৈপাৰক বিল, মায়ং আৰু ঘগুৱা ৰাজ্য। এই ৰাজ্যৰ ৰজা আৰু প্ৰজাসকল বিশেষকৈ ডিমাছা বড়ো মূলৰ। অতীজত এই লোকসকল মাইবাং, কাছাৰ আৰু ডিমাপুৰ অঞ্চলৰ বাসিন্দা আছিল। ডিমাছা ভাষাত 'ডিমা' মানে ডাঙৰ নৈৰ ফিছা। 'ছা' মানে সন্তান। ডিমাক্ৰ (ধনশিৰি)ৰ পৰাই ডিমাছা হৈছে। আহোমসকলৰ মুখত এই শব্দই তিমিছা হৈছিল। বৰ্তমান কাৰ্বি আংলং জিলাৰ উত্তৰ কাছাৰ জিলাৰ এই বৃহৎ অংশই আছিল পুৰণা কছাৰী ৰাজ্য। ৰাজধানী মাইবাং। মাই মানে

ধান, বাং মানে ঠাই বা পুৰ। অৰ্থাৎ বেছিকৈ ধান হোৱা ঠাই। খছাহাড়ী, খচাৰী, কছাৰী হৈছে। Kachari শব্দটো Khrohari শব্দৰ ৰূপ। Khro অৰ্থ মুৰ Hari ফৈদ। অৰ্থাৎ প্ৰতীপ ফৈদ। কছাৰীসকলৰ কাম অনুসৰি পুৰুষৰ চল্লিশটা ছেংফং (উপাধি) আৰু তিৰোতাসকলৰ বিয়াল্লিশটা জুলুৰ অধিকাৰী হৈছিল। এই চল্লিশটা ছেংফঙৰ পৰা চাৰিটা বংশ উৎপত্তি হৈছিল— বডছা, হাফ্লাংবাৰ, ঠাওসেন আৰু হাছেংদা (ৰজা হ'ব পৰা বংশ চাৰিটা)। কছাৰী ৰাজ্যখনৰ নাম হিড়িম্ব ৰাজ্য নামে বিখ্যাত হয়। হিড়িম্বাৰ প্ৰথম ৰজাজনৰ নাম বড্ড, বড়ছা, বড়ো হিচাপে চিহ্নিত হ'ল।

পাটমাদৈ চৰাই ধৰিবলৈ আহি ঐৰন সিংহই বাৰকুৰি প্ৰজা আৰু মৰমৰ ভগ্নী মালতীক লগত লৈ গভীৰ অৰণ্যত প্ৰৱেশ কৰিলে। পাটমাদৈ চৰাই ধৰিব নোৱাৰিয়েই হওক কিম্বা ককায়েক ৰজাৰ লগত কাজিয়া নাইবা মানৰ আক্ৰমণত ছেদেলি-ভেদেলি হৈ ঐৰন সিংহই নামবৰ হাবিৰ মাজেৰে আহি আহি স্বৰ্গদেউ গদাধৰ সিংহক লগ পোৱাৰ কথা কছাৰীগঞ্জ বুৰঞ্জীত পোৱা যায়। ঐৰন সিংহক তেৰেই মুখিয়াল পাতি দি ৰজা মানিবলৈ আজ্ঞা কৰে। পৰিশেষত সেই ঠাইৰ পৰাও পশ্চিমলৈ কছাৰীসকল গুচি আহে। তেওঁলোকৰ ভ্ৰমণকালত এখন ডাঙৰ নদীৰ পাৰ হোৱাৰ কথা সততে শুনিবলৈ পোৱা যায়। সেয়ে এই ডিমাছা বড়াসকলক ডাঙৰ নৈৰ সন্তান বুলি কোৱা হয়। তেওঁলোক আহি আহি কুমৈ ৰাজ্যৰ পুৰসিং ৰজাক লগ পায়। তেওঁৰ অনুমতি লৈ কছাৰীসকলে পাহাৰৰ পশ্চিমফালে মাটি দখল কৰি এখন ৰাজ্য প্ৰতিষ্ঠা কৰে। সেয়েই কছাৰী গঞ্জ ৰাজ্য। কছাৰীসকলৰ প্ৰধান উৎসৱ খেৰায়। আশু খেৰায় আৰু শালি খেৰায়। খেৰায় শব্দটো খেৰায়, খেৰাই, শৰাই শব্দলৈ ৰূপান্তৰিত হোৱা যেন অনুভৱ হয়। কিয়নো বড়োসকলে তেৰ ভাগ, কিছু কিছু ঠাইত ওঠৰ ভাগ পূজা-অৰ্চনা কৰে, বিভিন্ন দেৱ-দেৱতাৰ নামত। উৎসৱত ঐ আই আহিবা, পিতা আহিবা ইত্যাদি আৰু খেৰায় উৎসৱৰ মাদলত ঘূণ দিওতে পুৰণি দিনৰ কথা মনত পেলাই— তহৈ লতি লতি নাই ঐ কাহা পুত্ৰ কাহা ধন... হোৱা হোৱা কৰি কান্দে ঐ ইত্যাদি অতীত ৰোমন্থন কৰা দেখা যায়। কছাৰী গঞ্জ ৰজাসকলৰ নাম এনেদৰে পোৱা যায়- ঐৰণসিংহ, প্ৰতাপসিংহ, পৰ্বতসিংহ, জয়সিংহ, মুকুট সিং, লালসিংহ, ৰুদ্ৰসিংহ, মাধৱসিংহ প্ৰথম বংশৰ পৰা। দ্বিতীয় বংশ মানে মালতীৰ লগত বিয়া হৈ শাসন কৰা ফৈদৰ নাম এনেধৰণৰ—চন্দ্ৰসিংহ+(মালতী), ৰাখালসিংহ, বগাই মল, দেবেকাসিংহ, বোগৰাম, দধিসিংহ, তামসিংহ, বগাই মল, দেবেকাসিংহ, ভোগৰাম, দধিসিংহ, তামসিংহ, ৰামজয়সিংহ, দেওবৰসিংহ, পূৰ্ণসিংহ, শ্ৰীউমাকান্ত ডেকাৰজা বৰ্তমানলৈ। ওপৰত উল্লেখ কৰা চাৰিটা বংশৰ পৰাহে ৰজা হ'ব পাৰে। ই এটা উল্লেখযোগ্য কথা।

**তেতেলীয়া ৰাজ্য ঃ** এদিনাখন কুমৈ ৰাজ্যৰ ৰজা আৰু তৱানি ৰাজ্যৰ ৰজাই কথাবতৰা হৈ খেদা চিকাৰ কৰিবলৈ কলং সুঁতিৰ ওচৰত থকা তেতেলীয়া পাহাৰ আৰু দাঁতিকাষৰীয়া জাবনি অঞ্চলত যাঠি-জোং লৈ প্ৰৱেশ কৰিলে। চিকাৰ বিচাৰি ফুৰোতে দুয়োজন ৰজাই সুমধুৰ বাঁহীৰ সুৰ শুনিবলৈ পালে। সুৰ অনুসৰণ কৰি কৰি গৈ দুয়ো দেখা পালে যে এজন থুলন্তৰ পাহোৱাল ডেকাই যুৰীয়া শিমলু গছৰ বহু ওপৰত, ডালত বহি একান্তমনেৰে বাঁহী বজাই আছে। তেওঁক গছৰ পৰা নমাই আনি সুধিলত ক'লে যে তেওঁৰ নাম ৰণসিদ্ধ কোঁৱৰ। তিনিওজনে মিলিত হোৱা ঠাইখিনি চিনস্বৰূপে যোৰগাঁও ৰাখিলে। ৰণসিদ্ধই গছত উঠি থাকোতে অলপ আঁতৰত এখন সুন্দৰ নদী দেখাৰ কথা কৈছিল। সেইখনেই কলং সুঁতি। ইতিমধ্যে আহোম আৰু জয়ন্তীয়া ৰাজ্যৰ মাজত যুদ্ধ হৈছিল। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহ সিংহাসনত। তেওঁৰ তলতীয়া ৰজাসকলক সাতোৰজা, পাঁচোৰজাসকলৰ পৰা পাইক (সৈন্য) সংগ্ৰহ কৰি ১৭০৭ খ্ৰীষ্টাব্দত জয়ন্তীয়া আক্ৰমণ কৰিবলৈ পঠায়। এই সৈন্যসকলৰ সংখ্যা ৪০ হেজাৰ লৈ জয়ন্তীয়া ৰজাক পৰাস্ত কৰি যুদ্ধত জয়লাভ কৰে। যুদ্ধৰ সেনাপতি আছিল শুখনাগোগ ৰাজ্যৰ ৰামসিংহ, উপ-সেনাপতি ৰণসিদ্ধ কোঁৱৰ। যুদ্ধত জয়ৰ পাছত ৰুদ্ৰসিংহই জাগীচকীত দোপদৰ বহাই সাতোৰজা আৰু পাঁচোৰজাক বঁটা-বাহন দিয়ে।

পাহোৱাল ডেকাৰ যুদ্ধৰ কলা-কৌশল দেখি কুমৈ ৰজাই উষা নামে কন্যা আৰু তৱানি ৰজাই এজনী কন্যা বিয়া দিয়ে। নিজ নিজ ৰাজ্যৰ একো অংশকৈ কাটি দি তেতেলীয়া ৰাজ্য প্ৰতিষ্ঠা কৰি দিয়ে। উষাৰ লগত বছৰি পালিবলৈ বৰত (ব্ৰত) উৎসৱটিত যৌতুক হিচাপে দি দিয়ে। বনঘোষাৰ গীত— আজি যাং বৰতক, কালি যাং বৰতক, বড়ৰে ঢেপেলা পাত, (বৰতৰ ঢেপেলা চাট্‌?)। বৰতক যাংতে চৰতে দাকিলে ৰিহা নাইকিয়া গাত।

তেতেলীয়া ৰাজ্যৰ চাৰিসীমা এনেদৰে পোৱা যায়— উত্তৰে কুমৈ আৰু শুখনাগোগ ৰাজ্য। তেতেলীয়া পাহাৰৰ একাংশ। পুবে ডমাল ৰাজ্য। দক্ষিণে কলং সুঁতি। পশ্চিমে জাগীচকী আৰু পথাৰ। ৰণসিদ্ধ কোঁৱৰ মণিপুৰৰ বভ্ৰুবাহনৰ বংশ বুলি কথিত আছে। তেতেলীয়া ৰাজ্যৰ ৰজাসকলৰ নাম এনেদৰে পোৱা যায়। ৰণসিদ্ধ (ৰণজয় সিংহ), খৰ্গ সিংহ, দৰ্পসিংহ, লতিসিংহ, ৰাণী কেশতী, ধনুসিংহ, নৰসিংহ (নৰনাথ), ডম্বৰুধৰ ৰজা বৰ্তমানৰ তেতেলীয়াৰ ৰজা হিচাপে জনা গৈছে।

**শুখনাগোগ ৰাজ্য ঃ** শুখনাগোগ ৰাজ্যৰ প্ৰতিষ্ঠাতা ৰজাজনৰ নাম সুপ্ৰধ্বজ। এই দৰং ৰাজ্যৰ বিশ্বৰীৰ চিলাৰায়ৰ পৰিনাতি ধৰ্মনাৰায়ণ (বেলিনাৰায়ণ)ৰ বংশধৰ। তেওঁলোক আহোম ৰজাৰ দ্বাৰা থাপিত সাঙ্কিত আছিল। ধৰ্ম নাৰায়ণৰ পুত্ৰ কৃষ্ণপদ, ধৰ্মৰায়, ভাতৃ মামৌ কোঁৱৰ। মামৌ কোঁৱৰৰ পুত্ৰ মকৰধ্বজ আৰু সুপ্ৰধ্বজ। এইলোকৰ লগত চাৰি ঠাকুৰীয়া লগত দি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বিখ্যাত গোহাঁই কমল আলি তৈয়াৰ কৰা হৈছিল। দিন বাগৰাৰ

লগে লগে চাৰি ঠাকুৰীয়াই দৰঙৰ ৰজাৰ লগত কাজিয়া কৰি সুপ্ৰধ্বজ আৰু মকৰধ্বজক লগত লৈ ৭২ ঘৰ মানুহৰ সৈতে ব্ৰহ্মপুত্ৰ পাৰ হৈ দক্ষিণ পাৰে অটব্য অৰণ্যত প্ৰৱেশ কৰে। দৰঙৰ ৰজা ধৰ্ম্মৰাই, নদী পাৰ হৈ বিচাৰি আহিছিল যদিও তেওঁলোকক লগ ধৰিব নোৱাৰিলে। ৰজা ধৰ্ম্মৰাই পলীয়া কোঁৱৰহঁতক বিচাৰি খলা ৰাজ্যত প্ৰৱেশ কৰি পশ্চিম দিশলৈ গৈ ডিমৰুৱা ৰাজ্যৰ পিছত হাজো হৈ নিজ ৰাজ্যলৈ ফিৰি যায়।

দুয়োজন ককাই-ভাই মকৰধ্বজে দন্দুৱাৰ অটব্য অৰণ্যত গাঁও পাতি বাস কৰে। সুপ্ৰধ্বজক বঘৰাৰ ৰজা মঙ্গলসিংহই নিজৰ কন্যা এগৰাকী বিয়া দি বঘৰাৰ পশ্চিম অঞ্চলত শুখনাগোগ নামে ঠাইত এহেজাৰ পুৰা মাটি আৰু কেইঘৰমান পৰিয়াল দি এখন সৰু ৰাজ্য পাতি দিয়ে। এওঁলোকে মৰিগাঁও অঞ্চলৰ ৰজাগাঁও, মৰিবিলৰ পাৰ, মিকিৰ গাঁও, লাঠবৰি, বগৰীবাৰী, ঔগুৰি, কটহগুৰি আদি গাঁৱত কেইবাঘৰকৈ আহোম মানুহ বহাই দি আহোম ৰজাৰ বৰফুকনৰ আজ্ঞা লৈ ৰাজ্যৰ সীমা ঠিক কৰি লয়। উত্তৰে গণেশ থান, দক্ষিণে মৰাকলং, পূবে কতোহালি আৰু পশ্চিমে কেঁকুৰিবাৰী। আগতেই উনুকিয়াই অহা হৈছে যে ১৯০৭ খ্ৰীষ্টাব্দত আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত জয়ন্তাৰ লগত যুদ্ধ লগাত শুখনাগোগৰ ৰামসিংহ ৰজাক সেনাপতি পাতি ৰণত জিকিছিল। শুখনাগোগ এখন বৰ ভোগালী ঠাই আৰু চাৰিওফালে মনোৰম প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ। এযাৰ খণ্ডবাক্য আছে— শুখনাগোগ আজিহে দেখিলং তোক। শুখনাগোগ ৰাজ্যৰ ৰজাসকলৰ নাম এনেদৰে পোৱা হৈছে— সুপ্ৰধ্বজ, ৰামসিংহ, হৰিসিংহ, পোৱালসিংহ, বীৰসিংহ, অনুৰাম, ভঙৰা, কলীয়াসিংহ, ৰাতিৰাম, জগত (সাথৰাম) সিংহ। পিছৰ বংশৰ ৰজা ভদ্ৰৰাম, সেনাপতি, শ্ৰীভগীৰাম সিংহ বৰ্তমানৰ বংশধৰ ৰজা।

**বঘৰা ৰাজ্য ঃ** বঘৰাৰ ৰজাঘৰীয়া গৈদমতে দৰঙৰ প্ৰতাপপুৰীয়া ওৰফে ৰামচন্দ্ৰ বা ৰূপাঙ্গদৰ বংশধৰ পুত্ৰ আৰিমত্ত। ডাঙৰ হৈ আৰিমত্তই (১৩৬৫-১৩৮৫) পিতাকৰ ৰাজ্যত ৰজা হয়। এই আৰিমত্তৰে পুত্ৰ মৃগাঙ্ক (ৰত্নসিংহ) আৰু জকাঙ্ক (জোঙাল বলহ) নামেৰে পুত্ৰ হয়। আন একাংশ লোকৰ মতে কুমৈ ৰাজ্যৰ আদি ৰজা ৰূপাঙ্গদৰ পুত্ৰ বুলিও কোৱা দেখা যায়। মৃগাঙ্কই কুমৈ আৰু জকাঙ্কই বঘৰাত ৰজা হৈ ৰাজ্য শাসন কৰে। জকাঙ্গ (জোঙাল)ৰ পুত্ৰ সুতৰাংক বা শুভাংকৰ। জোঙালক কছাৰী ৰজাই বধ কৰাৰ পিছত সুতৰাংকই বঘৰাৰ ৰজা হয়। এইদৰে তেওঁলোকৰ ৰজাসকলৰ নাম এনেদৰে পোৱা যায় জকাঙ্গ (জকাঙ্ক বা জোঙাল), শুভঙ্কৰ, জয়ধ্বজ (জয়সিংহ), মঙ্গল সিংহ, ভোগসিংহ, কেঁচাশাল (দীঘলসিংহ) চন্দ্ৰসিংহ, বদনসিংহ, শ্ৰীদিলীপ ৰজা বৰ্তমানৰ বংশধৰ।

ভোগসিংহৰ ৰাজত্বকালত পঞ্চানন ঠাকুৰ ব্ৰাহ্মণৰ ঘৰক তামৰ ফলি দিয়াৰ তথ্য পোৱা যায়। (১৪১২ শ ১৫ মাঘ)। বৰ্তমান ভাগৱতী বামুণৰ ঘৰত লক্ষ্মী শৰ্মাৰ ঘৰত ১৮০৭ খ্ৰীষ্টাব্দত আহোম ৰজাই দিয়া তামৰ ফলি এখন আছে।

'শ্ৰীযুত পূৰ্ণনন্দ বৰগোহাঁইদেৱৰ নিৰাময় টেকেলা, শ্ৰীযুত বৰবৰুৱাৰ হৰিজয় টেকেলা, এই দুই টেকেলাই হাঁচতি চাবৰ লেখা আনি জাগীৰ দোপ্‌দৰত নৱনাথ জাগিয়াল গোহাঁইক কুনকুনি বৰুৱা, ঘগুৱাৰ সিদ্ধিচিং ৰজাক, সভাৰাম টেকলা বৰাক, কুমৈ পুৰসিং ৰজাক, তৰানিৰ মঙ্গসিং ৰজাক, শুখনাগোগৰ পোৱাল ৰজাক, বঘৰাৰ ভোগসিং ৰজাক, কছাৰীৰ বুঢ়া ৰজাক, জাগিয়ালৰ পৰা তামুলীক সকলোকে চপাই, বুঢ়াগোহাঁইদেৱৰ আজ্ঞা শুনাই বঘৰাৰ ভাগৱতী ব্ৰাহ্মণৰ ঘৰক পো-নাতি পৰ্যন্ত বিয়াই-সবাহে উঠি ফুৰিবলৈ বুলি দোলা দিয়ে।

**তাৰ সাক্ষী ঃ** জাগীৰ মিজিং ৰাজখোৱা, যদু বৰা, বিলাই দুলীয়া বৰা, শুকান ঢেকীবৰা, পুৰণ তামুলী, তেতেলীয়াৰ তামৰ সিং, খাটনিয়াৰ বৰডেকা, জয়ৰাম ডেকাৰজা, মহদল ডেকাৰজা, ভোগদল বৰদলৈ, যৱন দলৈ আৰু অনেক আছিল। ইতি শক ১৭২৯/১০ ব'হাগ, বৃহস্পতিবাৰ। এয়াই জাগীচকীৰ গোহাঁইৰ জাগিয়াল দোপদৰৰ সাক্ষী। বঘৰাৰ আৰাধ্য দেৱী অনন্ত থান। চাৰিসীমা— উত্তৰে গেৰুৱা, দক্ষিণে চাৰণবিল আৰু শিঙিমাৰী টুপ, পূবে বাহ্লাঘাট, মৰাকলং, পশ্চিমে বঘৰা পাহাৰ। কেঁচাশালৰ বংশই বঘৰা, বোকনি আৰু ঘগুৱা মৌজা পাইছিল।

**তৰানি ৰাজ্য ঃ** তৰানি ৰাজ্যৰ বিষয়ে কোনো গৈদ পুথি পোৱা নাযায়। কিংবদন্তি আৰু জনশ্ৰুতি মতে জয়ন্তীয়া ৰাজ্যৰ পৰা অহা এজন পাহোৱাল কোঁৱৰ, কোনো কোনোৰ মতে গাৰো পাহাৰৰ পৰা অহা লোক বুলি জনা যায়। প্ৰথমতে আহি জয়তা-খৈৰামত থাকি তাৰ পৰা দুজন কোঁৱৰৰ লগ হৈ গোভা ৰাজ্যত বাস কৰে। এজন ডেকা ডিমৰুৱাত আৰু আনজনে গোভাত থাকি যায় যদিও কোঁৱৰজন আহি আহি তেতেলীয়া পাহাৰৰ দাতিত চটাই পাহাৰৰ কাষত তৰানি জংঘল কাটি পৰিষ্কাৰ কৰি এখন সৰু ৰাজ্য প্ৰতিষ্ঠা কৰি চাৰিওফালে কলগছ ৰুই দিয়াৰ বাবে তৰানি কলবাৰী নামে বিখ্যাত হয়। জয়তাৰ পৰা অহা লোকজনৰ নাম গৰুড়ধ্বজ। গাৰো কুলৰ বুলি ভবা হৈছিল যদিও তেওঁলোক তিৱা লোক। তৰানি ৰজাৰ বিশেষকৈ কাণ বিন্ধনি (কৰ্ণবেধ) বিয়া, হেতাতলীয়া ভোজ (বৌ ভাত)। কালিকা, বামুণ গোসাঁই, শিলিখা তল গোসাঁই ইত্যাদি পূজা-পাতলৰ ব্যৱস্থা আছে। তৰানিৰ চাৰিসীমা এনেধৰণৰ— উত্তৰে মানুহ মৰা জান, মৰি-জীয়া কলং আৰু গড়কাপ্তানি পথ, পূবে মৰিগাঁও নগৰ, দলবাৰী, শ'লমাৰী, লোকাকুছি আৰু পাত্ৰবৰি, দক্ষিণে চেপেতাশিল আৰু তেতেলীয়া ৰাজ্য, পশ্চিমে তেতেলীয়া পাহাৰৰ দাঁতি অঞ্চল আৰু মেধি গাঁও পৰ্যন্ত। তৰানি ৰাজ্যৰ ৰজাসকলৰ নাম এনেদৰে পোৱা যায়। গৰুড়ধ্বজ, পিয়লি সিংহ, অথিতসিংহ, ভকত সিংহ, কৰ্ণ সিংহ, গভাসিংহ, পোৱালি সিংহ (ৰঙামুৱা), মধুসিং, ৰঞ্জিৎ সিং, ৰাজেন, নৰডেকা,

শ্যামধন, মহীধন, ভলৌৰজা, পূৰ্ণসিং, শ্ৰীফুলেশ্বৰ ৰজা।

**ঘগুৱা ৰাজ্য ঃ** ঘগুৱা ৰাজ্যখন পাহাৰেৰে ধেনুভিৰীয়াকৈ আগুৰা এখন মনোৰম ঠাই। ঘগুৱা ৰাজ্যৰ বিষয়ে কোনো গৈদ আদি পোৱা হোৱা নাই। সাতো ৰাজ্যৰ ভিতৰত এখন গুৰুত্বপূৰ্ণ ৰাজ্য হৈছে ঘগুৱা ৰাজ্য। খৈৰিম, খৈৰাম, জয়তা, জয়ন্তীয়া ৰাজ্যৰ পৰা এজন কোঁৱৰ সমন্বিতে কিছু লোক আহি ডিমৰুৱা, পাণবাৰী অঞ্চলত বসবাস কৰিবলৈ লয়। সেই ঠাইখন ভাল নলগাত তাৰ পৰা জগৌ-ঘগুৱা অঞ্চলত বসতি কৰিবলৈ লয়। মুখিয়ালজনৰ নাম আছিল পৰ্বতসিংহ (পীতসিংহ)। কিছুবছৰ থকাৰ পিছত সেই ঠাই পৰিত্যাগ কৰি কপিলী নদী পাৰ হৈ কুমৈ ৰাজ্যত প্ৰৱেশ কৰে। কুমৈ ৰজাই চা-চিনাকি হৈ কছাৰী গঞা ৰাজ্যৰ পশ্চিমৰ ঠাই দেখুৱাই দি থাপিত সাঞ্চিত কৰে। ভাবিবলৈ গ'লে কুমৈ ৰাজ্যৰ বদান্যতা কিমান মহৎ। কছাৰী গঞা আৰু ঘগুৱা, তেতেলীয়া আদি ৰাজ্যবোৰ কুমৈ ৰজাৰ নিৰ্দেশতে গঠন হ'ল। ঘগুৱা ৰাজ্যৰ পালনীয়া উৎসৱ আৰু থানসমূহ গোসাঁই উলিওৱা, কপিল মুনি থান, কেঁচাইখাইতি থান, বুঢ়ী আইৰ থান, ভগৱতী থান আদিত বলি-বিধান দিয়া হয় আৰু দৌদিনীয়ে বলিৰ তেজ পান কৰা দেখিবলৈ পোৱা যায়। ৰজাসকলৰ নাম এনেদৰে পোৱা যায়— পৰ্বতসিং (পীতসিংহ), অজ্ঞাত, অজ্ঞাত, অজ্ঞাত, হাজাৰ সিংহ, চুলিয়াসিংহ, কলিচকু কলিমন, পিটকণ, শ্ৰীমুকুল ৰজা। চাৰিসীমা— উত্তৰে ভলুকাগুৰি গড়মাৰি, বঙালপাৰা, গাগলমাৰি, দক্ষিণে ঘগুৱা পাহাৰ অঞ্চল, পূবে পানী বঘৰা আৰু পশ্চিমে ঘগুৱা কলবাৰী, হাৰিয়াবড়ি।

### পাঁচো ৰজাৰ পৰিচয়

**টোপাকুছি ৰাজ্য ঃ** আহোমৰ ৰজা ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত ৰজা দেৱ, ৰাজমন্ত্ৰী কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই ৰহাত বাহৰ পাতি থকাৰ সময়ত আৰু দুখন ৰাজ্য প্ৰতিষ্ঠা কৰি তিনি ৰাজ্যৰ লগত পাঁচোৰজীয়া ৰাজ্য প্ৰতিষ্ঠা কৰে। আৰু পূৰ্বে ৰহাত তিনি ৰজা (সৰা, খাহিগবীয়া, টপাকুছি)। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাদেৰে বোলে জাগীত সাতৰজা, ৰহাতো পাঞ্চৰজা পাতিছে। মৰা, খাহিগবীয়া ও টপাগোবীয়া ও বাৰেপূৰীয়া ও মিকিৰ এই ৫ ৰাজ।

টোপাকুছি ৰাজ্যৰ চাৰিসীমা সন্দৰ্ভত স্পষ্ট বিৱৰণ পাবলৈ নাই যদিও একোটা মহল বা অঞ্চল হিচাপে চিহ্নিত কৰিব পাৰি। উত্তৰে কলং সুঁতি, কপিলী নৈ, দক্ষিণে কাৰ্বি আংলং পাহাৰৰ নামনি অঞ্চল, পূবে খাইগড় আৰু সৰা ৰাজ্যৰ সীমা, পশ্চিমে গোভা, চহৰী মৌজাৰ সীমা।

মানসকলৰ উপৰ্যুপৰি আক্ৰমণত টোপকুছিয়া ৰাজ্য থান-বান হোৱা পৰিলক্ষিত হৈছিল। তথাপিও টোপাকুছিৰ বিভিন্নজন ৰজাই প্ৰথমতে কলিয়াবৰ, দ্বিতীয়বাৰত খাগৰিজান আদিৰ পৰাই মানক খেদিবলৈ সক্ষম হয়। ৰজাসকলৰ নাম এনেদৰে পোৱা হৈছে— ৰুদ্ৰসিং, কালিয়াসিং, বেঙাসিং, পোৱলিসিং, ভোগসিং, ৰঙামুৰা, সোণামুৰা, উপজন সিং, আৰ্জা সিং, বণ সিং, ঘনসিং, টিকেন্দ্ৰ সিংহ, শ্ৰীঅজিত সিংহ ৰজা। ১৮২৪ খ্ৰীষ্টাব্দত ডেভিদ স্কট চাহাবক ৰণসিঙে গুৱাহাটীৰ পৰা ৰহালৈ আদৰি আনিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত জয়ন্তীয়াৰ সৈতে যুদ্ধত জয়ী হৈ টোপাকুছিয়া ৰজালৈ (১৭১৪) নিজৰ নাম খোদিত কৰা তৰোৱাল এখন ৰজাক উপহাৰ দিয়ে। সেইখন আজিও টোপকুছি ৰজাগৃহত সংৰক্ষিত।

**বাৰপূজীয়া ৰাজ্য ঃ** বাৰপূজীয়াৰ ৰজা আৰু ৰাইজখন চহৰী, গোভা ৰাজ্য আদিৰ পৰা লালুং ১২ ঘৰ, মিকিৰ ১২ ঘৰ আহি বসতি কৰিবলৈ লৈছিল। মিকিৰৰ মাজৰ পৰা এজনক তিহুলীয়া বিলৰ পাৰত প্ৰতিষ্ঠা কৰি ৰহা চকীৰ বৰুৱাই থাপিত সাঞ্চিত কৰি ৰজা পাতিলে। আনহাতে লালুঙৰ মাজত উপযুক্ত লোক নথকাত পুনৰ গোভা, চহৰী, জয়তাৰ পৰা দুজন ডেকা সংগ্ৰহ কৰি ডাঙৰজনক টোপাকুছিত আৰু সৰুজনক বাৰপূজীয়াত প্ৰতিষ্ঠা কৰি ৰজা পাতিলে। এই যে বাৰ সংখ্যাটো এই অঞ্চলত ১২ খন থান ১২ টা পুখুৰী, ১২ টা পূজা, ১২ টা জনগোষ্ঠী থকাৰ বাবে বাৰপূজীয়া নাম পৰে বুলি জনশ্ৰুতি আছে। ১২ কুৰি সংখ্যাটো কছাৰী গঞাটো থকা দেখিবলৈ পোৱা যায়। গৱেষণাৰ থল আছে। ৰজাসকলৰ নাম এনেদৰে পোৱা যায়— দেবেৰ সিং, ভেবেৰ সিং, পূৰ্ণ সিং, ৰূপৰায়, যুৱধ্বজ, তাম্ৰধ্বজ, লঠৰা, শুভাসিং, কীৰ্ত্তন সিং, হৰেণ, শ্ৰীভগীৰথ ৰজা। নগঞা গোসাঁই উলিওৱা মেলা তেওঁলোকৰ প্ৰধান উৎসৱ।

**মিকিৰ গঞা ঃ** গোভা অঞ্চলৰ পৰা অহা ১২ ঘৰ মিকিৰৰ মাজৰ পৰাই উপযুক্ত বুলি ভবা ডেকাজনক বাৰপূজীয়াৰ দক্ষিণ পশ্চিমে তিহুলীয়া বিলৰ পাৰত ৰজা পাতি ৰহিয়াল বৰুৱাই প্ৰতিষ্ঠা কৰি দিয়া ৰাজ্যখনৰ নামেই মিকিৰ গঞা ৰাজ্য। আহোমৰ বিষয়াসকলক দাতিয়লীয়াসকলে জনাইছিল— 'আমাৰ দেশত ৰজাৰ পো ৰজা হ'ব নাপায়, জীয়াৰীৰ পোৱেহে ৰজা হ'ব পায়। ৰাজাৰ পো হ'লে চাকৰ খাটিব পাই (দেউধাই অসম বুৰঞ্জী)।' তেতিয়া বিষয়াসকলে কৈছিল— 'ৰজাৰ পুত্ৰ দুই লোকৰ থঙ্গা-ভাৰ বব, কি ভাল কথা? কুদেশ। আমাৰ দেশলৈ যাবি। তহঁতৰ ৰাজাৰ পো-কে স্বৰ্গদেৱলৈ জনাই ৰাজা পাতিম।' মিকিৰ গঞা ৰজাসকলৰ নাম এনেদৰে পোৱা হয়। কেলেংপো বুঢ়া ৰজা, চেতুৰা, আফুৰা, ৰণসিং, পাহোসিং, শিম্ভু (বাঙিখোৱা), বৰুৱা ডেকা, (পাচি বৰুৱা), শুভচিং। ৰজাসকল কাৰ্বিস তিৱা লোক আছিল যদিও ওচৰতে শ্ৰীশ্ৰীশংকৰদেৱৰ জন্মস্থান বৰদোৱা আৰু আউনীআটীয় সত্ৰাধিকাৰ প্ৰভাৱত বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি দেহাল, কোচ হয়। মিকিৰ গঞাৰ চাৰিসীমা এনেধৰণৰ— পূবে চামধৰা গড়, পশ্চিমে চৰাইবাহী, মিকিৰভেটো, লাহৰিঘাট, বোকানি চাপৰি, উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে বাৰপূজীয়া আৰু টোপাকুছি ৰাজ্য।

**সৰা ৰাজ্য ঃ** স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনতেই ৰহাৰচকী

ৰহিয়াল বৰুৱাই সৰা ৰাজ্যৰ ৰজা পাতি প্ৰতিষ্ঠা কৰিছিল। স্বৰ্গীয় গণেশ সেনাপতিয়ে তেখেতৰ ৰহাৰ ৰহিয়াল বৰুৱা আৰু পাঁচ ৰজাপোৱালি বস্তুত উল্লেখ কৰিছে যে A.J. Maffatt Mills ৰ Report on the Province of Assam, Page 447ত ৰহা মহলৰ কথা চাৰ্কোল বিষয়া বা মৌজাদাৰ হিচাপে 'Sorah' সৰা চাৰ্কোলৰ Damoo Rajah বুলি এজন বিষয়াৰ নাম উল্লেখ কৰিছে। এই 'ডামো ৰজা' নামৰ চাৰ্কোল বিষয়াজন সৰা ৰজা হ'ব পাৰে। পৰৱৰ্তী সময়ত তেওঁৰ উত্তৰাধিকাৰী নথকাত ৰজা পাতিব পৰা হোৱা নাছিল। বৰ্তমান স্বৰ্গীয় ভদ্ৰ ডেকাই ৰাজবংশৰ লোক। তেওঁৰ দুজন পুত্ৰ বিজয় আৰু শ্ৰীঅজয় সিংহ ৰজা বৰ্তমান সৰা ৰজা হিচাপে বিখ্যাত। ৰাজ্যৰ কেঁচাইখাইতী থান, কালিকা, বামন গোসাঁই আৰু জংকং দেৱতাৰ থান পৰিলক্ষিত হয়। বিখ্যাত 'ফুলগুৰি ধেৱা' এই সৰা ৰাজ্যত সংঘটিত হৈছিল।

**খাইগড় ৰাজ্য ঃ** এই ৰাজ্যখনো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত স্থাপিত হৈছিল। খাইগড় ৰাজ্যৰ প্ৰথম ৰজাজনৰ নাম খগৎসিং ওৰফে খৰ্গ সিং। তেওঁৰ নামেৰেই এই ৰাজ্য খাইগড় হিচাপে জানাজাত হ'ল বুলি কোৱা হয়। এই ৰাজ্যৰ সীমা এনেদৰে পোৱা হয়। উত্তৰে বাৰপূজীয়া ৰাজ্য, পূবে সৰা ৰাজ্য, দক্ষিণে কলং নদী, পশ্চিমে টোপাকুছি ৰাজ্য। খাইগড় ৰাজ্যৰ ৰজাসকলৰ নাম এনেদৰে পোৱা যায়। খৰ্গ সিঙৰ পাছত বহুকেইজনৰ নাম অজ্ঞাত। শেষৰকেইজনৰ নাম মথৌচিং, মোহন চিং, ভদাইচিং, ভদৰাম সিংহ, শ্ৰীশৰৎ সিংহ ৰজা হিচাপে জনা যায়।

খাইগড় ৰাজ্যৰ কমাৰজান গাঁও কমাৰজান খাল ইত্যাদি বিখ্যাত। এই কমাৰ জানতে ডি বি কমাৰৰ পৰিয়ালৰ দ্বাৰা লো তৈয়াৰ কৰি অস্ত্ৰ-শস্ত্ৰ আদি তৈয়াৰ কৰিছিল। এই গাঁৱত লো তৈয়াৰ কৰাৰ এটা বিশেষ পদ্ধতি আছিল। এইবিধ লো বোৰতী নদীৰ তলিৰ বোকা, সোণাৰু গছৰ ছাল আৰু কেইবাবিধ গছৰ ৰস মিশ্ৰিত কৰি বিশেষ প্ৰক্ৰিয়াৰে তৈয়াৰ কৰিছিল। শ্ৰীশৰৎ সিংহ ৰজাৰ গৃহত বহু তৰোৱাল, অস্ত্ৰ আদি পৌৰাণিক সামগ্ৰী মজুত আছে।

**উপসংহাৰ**

সাতো ৰজা আৰু পাঁচো ৰজাৰ বিষয়ে এটা সম্যক ধাৰণা দিবলৈ যত্ন কৰা হৈছে। অতীজতে সকলো ৰজা কোনোবাজন লালুং, কোনোবাজন কাৰ্বি, কোনোজন কছাৰী বংশৰ লোক আছিল। কালক্ৰমত ৰজাসকলে শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি দেহান-কোচ বুলি পৰিচয় দিয়ে। এই পৰিবৰ্তনৰ বাবে সত্ৰাধিকাৰসকলৰ অৰিহণা যথেষ্ট আছিল। এই পোৱালি ৰজাসকলৰ বংশধৰসকলক তদানীন্তন প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱে মাহিলী ৰাজভাট্টা হিচাপে ২০০৯ চনৰ ১ জুলাইৰ পৰা দিছিল। ১,৫০০/- (এহেজাৰ পাঁচশ) টকা, ২০১০ চনৰ পৰা ২,০০০/- (দুহেজাৰ টকা)কৈ আদায় দিছিল। উক্ত ৰাজভাট্টা মৰিগাঁও জিলাৰ তিৱা স্বায়ত্ত পৰিষদক আদায় দিবলৈ অনুমতি দিছিল। কিন্তু বৰ পৰিতাপৰ কথা যে সাতোৰজা, পাঁচোৰজাসকল কোচ সম্প্ৰদায়ৰ হোৱা বাবে, তিৱা স্বায়ত্ত পৰিষদে ৰাজভাট্টা বন্ধ কৰি দিলে। নিজৰ নিজৰ লালুং মানুহক নতুনকৈ ৰজা পাতি মাহিলী ৫,০০০/- (পাঁচ হাজাৰ) টকাকৈ আদায় দি আছে।

মধ্য অসমৰ ঐতিহাসিকভাৱে থকা ৰজাসকলৰ মুখ্য উৎসৱ গোসাঁই উলিওৱা মেলা। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো ৰাইজে এই মেলাত সহযোগ কৰে। এই নিবন্ধটি প্ৰস্তুত কৰোতে ভালেকেইখন গ্ৰন্থৰ সহায় লোৱা হৈছে। যিসকল গৱেষক ছাত্ৰই অধ্যয়ন কৰিব খোজে তেওঁলোকে নিম্নলিখিত কিতাপসমূহ চাব পাৰিব। এই সৰু প্ৰবন্ধত হাতী মাৰি চুঙাত ভৰোৱাৰ লেখীয়াহে হৈছে। খৰচি মাৰি লিখিবলৈ হ'লে ৫০০ পৃষ্ঠাৰ এখন কিতাপ লিখিব লাগিব। প্ৰতিদিনে ন ন তথ্য পোহৰলৈ ওলাই আছে। এখন অঘোষিত বুৰঞ্জী হৈ আজিও মধ্য অসমৰ পোৱালি ৰজাসকল অনাদৃত হৈ পৰি থকা দেখা গৈছে। সকলো আগুৱাই আহিলেহে প্ৰকৃত তথ্য আবিষ্কাৰ হ'ব। প্ৰবন্ধটিত তামৰ ফলিৰ নকলখন (বঘৰা) দিয়া নহ'ল। ইতিমধ্যে মায়ঙৰ পঞ্চ গোসাঁই উলিওৱা মেলাত সাতো ৰজাসকলক যোগদান দিয়া নিশ্চয় দেখা পাইছে। কিমাধিকমেতি। ◆◆

**সহায়ক পুথি ঃ**

১/ তিৱা সংস্কৃতিৰ ৰূপৰেখা (দ্বিতীয় খণ্ড), লোকেশ্বৰ গগৈ।

২/ তিৱা সংস্কৃতিৰ ৰেহ-ৰূপ, সম্পাদক কৃষ্ণৰাম মিলি।

৩/ মণিকোঁৱৰ আখ্যান, লক্ষীসিংহ ডেকা

৪/ ৰহাৰ ৰহিয়াল বৰুৱা আৰু পাঁচ ৰজা পোৱালী, গণেশ সেনাপতি।

৫/ তিৱা জাতিৰ সমাজ আৰু সংস্কৃতি, সম্পাদক ঃ মিলেশ্বৰ পাতৰ।

৬/ কুমৈ ৰাজবংশাৱলী, সংগ্ৰাহক ঃ হাঁহিৰাম ৰজা।

৭/ কছাৰী বুৰঞ্জী, সংগ্ৰাহক ঃ উমাকান্ত ডেকাৰজা (ৰাজবংশাৱলী)।

৮/ শুখনাগোগৰ ৰাজবংশাৱলী, সংগ্ৰাহক ঃ ভগীৰাম ৰজা।

৯/ চাৰণ বিলৰ ইপাৰে-সিপাৰে, নাৰায়ণ চন্দ্ৰ ৰজা।

১০/ মায়ঙৰ ইতিহাস, লোকেন্দ্ৰ হাজৰিকা।

১১/ বিভিন্ন বাতৰি-কাকতৰ প্ৰবন্ধ ইত্যাদি।

# মৰিগাঁও জিলাৰ গোসাঁই উলিওৱা মেলা পৰম্পৰা

ড° ধীৰাজ পাটৰ
লেখক-সাংবাদিক, মৰিগাঁও

মৰিগাঁও জিলা ২৬.৩১° - ২৬.৩৩° উত্তৰ অক্ষাংশ আৰু ৯১.৫৯° - ৯২.৩৫° পূব দ্ৰাঘিমাংশত অৱস্থিত। ইয়াৰ পূবে নগাঁও জিলা, উত্তৰেব্ৰহ্মপুত্ৰ নদ, পশ্চিমে কামৰূপ জিলা, দক্ষিণে মেঘালয় ৰাজ্য আৰু দক্ষিণ-পূবে কাৰ্বি আংলং জিলাই আগুৰি আছে। জিলাখনৰ মুঠ মাটিকালি ১,৫৫৯ বৰ্গকিলোমিটাৰ। ইয়াৰে ১,৫৫৩ বৰ্গকিলোমিটাৰেই হ'ল গাঁও অঞ্চলৰ।

জিলাখনৰ উল্লেখযোগ্য নৈ সমূহ হ'ল— কলং, কপিলী, কিলিং, পকৰীয়া আৰু সোণাই। এই নৈ কেইখন আৰু লগতে ব্ৰহ্মপুত্ৰৰ এৰা সুঁতিয়ে অসংখ্য খাল, বিল আৰু জলাহৰ সৃষ্টি কৰি অঞ্চলটোৰ জৈব বিচিত্ৰতা ৰক্ষা কৰাৰ ক্ষেত্ৰত বিশেষ সহায় কৰিছে। জিলাখনৰ অধিকাংশ অঞ্চল সমান যদিও দক্ষিণ আৰু পশ্চিম দিশত কেইটামান কম উচ্চতাৰ পাহাৰ, যেনে— সোণাইকুছি, কুমৈ, তেতেলীয়া, বঘৰা, মায়ং ইত্যাদি আছে। ইতিহাস প্ৰসিদ্ধ মায়ঙৰ ওচৰতে থকা পবিতৰা অভয়াৰণ্যইও মৰিগাঁও জিলাৰ প্ৰাকৃতিক ৰূপ-সৌন্দৰ্য বৃদ্ধি কৰিছে।

এই বৃহত্তৰ অঞ্চলটোত প্ৰাচীন কালৰ পৰাই বহুতো সৰু সৰু পোৱালি ৰজাই ৰাজ কাৰ্য চলাইছিল। এই ৰাজ্যবোৰ আহোমসকলে অধিকাৰ কৰাৰ আগলৈকে কিছুমান জয়ন্তীয়া ৰজাৰ অধীনত কৰ-কাতল দি নাইবা তেওঁলোকৰ সৈতে ঘনিষ্ঠতা ৰক্ষা কৰি শাসন চলাইছিল। এই পোৱালি ৰজাবোৰ আছিল বিভিন্ন সৰু সৰু জনজাতীয় ৰজা। এই ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় ৰজাৰ ৰাজ্যবোৰৰ নাম ক্ৰমে— চহৰী, খলা, নেলী, গোভা, মায়ং, তেতেলীয়া, কুমৈ, ঘগুৱা, তৰাণী কলবাৰী, কুমৈ কছাৰী, বঘৰা, শুখনাগোগ, দমাল, দন্দুৱা, মিকিৰগএগ্ৰা, বাৰপূজীয়া, টোপাকুছিয়া, খাইগড়ীয়া আৰু সৰাগাঁও। ইয়াৰে ক্ৰমে চহৰী, খলা, নেলী, গোভা হৈছে দাঁতিয়লীয়া ৰাজ্য; মায়ং আৰু দন্দুৱাক বাদ দি বাকী সাতখন—তেতেলীয়া, কুমৈ, ঘগুৱা, তৰাণী কলবাৰী, কুমৈ কছাৰী, বঘৰা, শুখনাগোগক সাতো ৰাজ্য আৰু দমালক বাদ দি বাকী পাঁচখন—মিকিৰগএগ্ৰা, বাৰপূজীয়া, টোপাকুছিয়া, খাইগড়ীয়া আৰু সৰাগাঁৱক পাঁচোৰাজ্য বোলে। দমাল ৰাজ্য দাঁতিয়লীয়া ৰাজ্য নেলীৰ পৰা ফালৰি কাটি অহা বাবে ইয়াক পাঁচোৰাজ্য আৰু সাতোৰাজ্যত ধৰা নহয়।

মৰিগাঁও জিলা গঠন কৰাৰ সময়ত ইতিমধ্যে উল্লিখিত পাঁচোৰাজ্যৰ সৰাগাঁও আৰু খাইগড় সম্পূৰ্ণৰূপে; টোপাকুছি ৰাজ্যৰ তিনি-চতুৰ্থাংশ আৰু বাৰপূজীয়া ৰাজ্যৰ অৰ্দ্ধাংশ নগাঁও জিলাৰ অন্তৰ্ভুক্ত হয়। বাকী সকলোখিনি ৰাজ্যই বৰ্তমানৰ মৰিগাঁও জিলাৰ অন্তৰ্ভুক্ত হৈছে।

মৰিগাঁও জিলাৰ উল্লেখযোগ্য উৎসৱ-অনুষ্ঠানৰ ভিতৰত মেলা বা গোসাঁই উলিওৱা মেলা অন্যতম। এই মেলা ব'হাগ বিহুৰ পাছৰ সপ্তাহৰ পৰা জেঠ মাহৰ শেষলৈ মৰিগাঁও অঞ্চলৰ বিভিন্ন ঠাইত অনুষ্ঠিত হয়। মৰিগএগ্ৰা অঞ্চলৰ পূৰ্বৰ পাঁচোৰজীয়া, সাতোৰজীয়া আৰু দাঁতিয়লীয়া পোৱালি ৰজাসকলে এই মেলাৰ আয়োজন কৰিছিল। বৰ্তমান সময়ত ৰজা নাই যদিও ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰা এই মেলাই সকলোবোৰ পোৱালি ৰাজ্যৰ অওহী-বওহীয়ে গোসাঁই উলিওৱা মেলা উৎসৱ পালন কৰি আহিছে। পূৰ্বতে যদিও এই মেলা নিৰ্দিষ্ট কেইখনমান ঠাইতহে সীমিত আছিল পিছলৈ ই বিভিন্ন কাৰণত একোখন গোসাঁইৰ খাটোলা তৈয়াৰ কৰি গাঁও বিশেষে এই উৎসৱ আয়োজন কৰিবলৈ লোৱাটো বিশেষ মনকৰিবলগীয়া। মেলা বা গোসাঁই উলিওৱা মেলা ৰ উৎপত্তিৰ ইতিহাস আৰু ঐতিহাসিক তথ্য সম্পৰ্কে বিভিন্নজনে মন্তব্য আগ বঢ়াইছে। কিছুমান যুক্তি কিছু পৰিমাণে সত্য যেন লাগিলেও গ্ৰহণযোগ্য নহয়। এই মেলাত প্ৰচলিত কিছুমান পৰম্পৰা আকৌ

শ্ৰীকৃষ্ণৰ ঘুনুচা যাত্ৰাৰ সৈতে সাদৃশ্য থকা। বহুতে আকৌ দৌল যাত্ৰাৰ সৈতে মেলা পৰম্পৰাৰ সম্পৰ্ক থকা বুলিও ক'ব খোজে। তথ্যমতে— কোচৰজা নৰনাৰায়ণৰ দিনৰ পৰাই এই মেলাৰ প্ৰচলন হৈ আহিছে এই সন্দৰ্ভত লোকেশ্বৰ গগৈয়ে উল্লেখ কৰিছে যে— কোচৰজা নৰনাৰায়ণ আৰু সেনাপতি চিলাৰায় (১৫৪০-১৫৮৪ খ্ৰী.) ৰ লগত সাতোৰজা আৰু পাঁচোৰজাই গৌড় আক্ৰমণৰ আয়োজন কৰোঁতে সহায় কৰিছিল। যাৰ বাবে তেওঁলোকক মিত্ৰ ৰজা হিচাপে কিছুমান বঁটা বাহন প্ৰদান কৰি সাতোৰজা আৰু পাঁচোৰজা সমন্বিতে এই উৎসৱৰ আয়োজন কৰিছিল। পৰৱৰ্তী সময়ত এই উৎসৱটি পোৱালি ৰজাসকলে বন্ধুত্বৰ চিনৰূপে বছৰৰ পাছত বছৰ ধৰি পালন কৰি আহিছে।[১] মেলা সন্দৰ্ভত মণিকোঁৱৰ আখ্যানত এনেদৰে পোৱা যায়—

বীৰ পূজা জয়যাত্ৰা দেশৰ কল্যাণ
যিহেতুকে জোবান সবে কৰয় পালন
বৰিষত মেলা উৎসৱ ইদৰে কৰিবা
ৰজা-প্ৰজা সবে মিলি আনন্দ কৰিবা।। [২]

মেলা উৎসৱৰ আন এটি তথ্যমতে স্বৰ্গদেও ৰুদ্ৰসিংহই গংগা উপত্যকা আহোমৰ অধীনলৈ আনিবৰ বাবে জয়ন্তা, খৈৰাম, গোভা, ডুমুৰা প্ৰভৃতি প্ৰান্তীয় ৰজাসকললৈ সহায়ৰ হাত আগ বঢ়াইছিল সেই মৰ্মে উক্ত ৰজাসকলে সৈন্য-সামন্তৰে সৈতে ৰুদ্ৰসিংহক সহায় কৰিবলৈ আহি যুদ্ধৰ আখৰাত মিলিত হয়। সেই সময়তে এদিনাখন যুদ্ধৰ আখৰা চাই সকলোকে বঁটা-বাহন আদি প্ৰদান কৰিছিল। এনে প্ৰীতিৰ স্মৃতি যুগমীয়া কৰাৰ স্বাৰ্থতেই নগাঞা এই পোৱালি ৰজাসকলে ব'হাগ বিহুৰ পাছতে মেলা উৎসৱৰ আয়োজন কৰে।[৩]

মেলা উৎসৱৰ লগত আকৌ প্ৰধানভাৱে কোচৰজা নৰনাৰায়ণহে পোনপটীয়াকৈ জড়িত হৈ থকা কথা জনা যায়। এই প্ৰসংগত মনেশ্বৰ দেউৰীয়ে মৰিগাঁও জিলাৰ লোকসংস্কৃতি গ্ৰন্থত বৰ্ণনা কৰিছে— গৌৰৰাজৰ হাতত বন্দী চিলাৰায়ক মুক্তিৰ বাবে নৰনাৰায়ণে ওচৰৰ পোৱালি ৰজাসকলৰ সাহায্য বিচৰাত তেওঁলোকে সহায় কৰিবলৈ আগ বাঢ়ি আহিছিল। তেনে সময়তে চিলাৰায়ক মুক্তি দিয়াত নৰনাৰায়ণে ওচৰ-চুবুৰীয়া ৰাজ্যৰ সৈতে সম্প্ৰীতিৰ ভাব বজাই ৰাখিবলৈ বিচাৰিছিল আৰু এনে পৰিপ্ৰেক্ষিততে নৰনাৰায়ণে খাটোলা মূৰ্ত্তি প্ৰদান কৰি প্ৰতি বছৰে ব'হাগৰ চাৰি তাৰিখৰ পৰাই এই মেলা উদ্‌যাপন কৰিবলৈ অনুৰোধ জনায়। তেতিয়াৰ পৰাই এই মেলা উৎসৱৰ আৰম্ভণি হৈ আহিছে বুলি কোৱা হৈছে।[৪]

উল্লেখযোগ্য যে, মেলা উৎসৱত ঢাল-তৰোৱাল লৈ গোসাঁইৰ খাটোলখন আগ বঢ়াই অনা পৰম্পৰাটো বোধহয় ৰজাৰ আনুগত্যতা প্ৰকাশক পৰম্পৰা হিচাপে পালিত হৈ আহিছে।

কিছুমানে আকৌ এই মেলা উৎসৱ ঘুনুচা যাত্ৰাৰ নামান্তৰ বুলি ক'ব বিচাৰে। দৌলযাত্ৰাত কৃষ্ণ ঘুনুচাবাৰীৰ পৰা লক্ষ্মীআইৰ গৃহলৈ উভতি আহোঁতে ঘৰত সোমোৱাৰ মুহূৰ্তত বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰে ঠিক তেনেদৰে হয়। অনুৰূপভাৱে গোসাঁই উলিওৱা মেলাতো খাটোলাখন নামঘৰৰ ভিতৰত সোমোৱাৰ সময়ত কিছুমান অঞ্চলৰ লোকে এনে ৰীতি পালন কৰা দেখা যায়। বোধহয় সেইবাবেই অন্য এচামে ইয়াক দৌল উৎসৱৰ অন্য এটি ৰূপ বুলি ক'ব খোজে। এই পৰম্পৰা প্ৰধানকৈ পাঁচোৰজা অঞ্চলৰ মিকিৰ ৰজা ফৈদৰ মাজত প্ৰচলিত। এওঁলোকৰ মাজত এটি জনশ্ৰুতিও শুনিবলৈ পোৱা যায়। লগতে বৰ্তমানেও বৰপেটাৰ কীৰ্তন ঘৰত মিকিৰ ৰজাৰ ফৈদৰ একোখন আসনৰ ব্যৱস্থা থকা তথ্যক সাৰোগত কৰি তেওঁলোকে এই মন্তব্য কৰা দেখা যায়। এতিয়া প্ৰশ্ন হয় যদি নৰনাৰায়ণে মেলাৰ গুৰিয়াল তেন্তে নিৰ্দিষ্ট এটা দিনত মেলা নাপাতি গোটেই ব'হাগ আৰু জেঠ মাহত মেলা পাতিবলগীয়া হ'ল কিয়, অন্যহাতে দৌল যাত্ৰাটো একে দিনতে বিভিন্ন স্থানত কৰে। এই ফালৰ পৰা দৌলযাত্ৰাৰ সৈতে সাদৃশ্য থকা কথাটো অবান্তৰ। পৰৱৰ্তী সময়তহে মেলাৰ সৈতে এই পৰম্পৰা সাঙোৰ খাই পৰা বুলি ধাৰণা কৰিব পাৰি। আনহাতে দৌল উৎসৱৰ দৰে মেলাত ফাকুগুৰি আদি ব্যৱহাৰ নকৰে। আনকি এই মেলা ফাগুন চ'ত মাহত অনুষ্ঠিত নহৈ ব'হাগ বিহুৰ পাছতহে অনুষ্ঠিত কৰা হয়। বিহু উৎসৱ নেহোৱালৈকে মেলা উৎসৱ অনুষ্ঠিত নহয়। কোনো কাৰণত যদি পাঁচোৰজীয়া ৰাজ্যৰ টোপাকুচি মেলা পিছুৱাই যায়, তেতিয়া সেই অঞ্চলৰ আন মেলাসমূহো পিছুৱাই পতা হয়। দৌল উৎসৱত জনজাতীয় লোকৰ অংশগ্ৰহণ কম, বহুতে ইয়াক পালন নকৰে কিন্তু মেলা উৎসৱত সকলোবোৰ জনজাতীয় লোকেই আগভাগ লোৱা দেখা যায়। পাঁচোৰজীয়া, সাতোৰজীয়া অঞ্চলৰ ৰজা পোৱালিসকল বৈষ্ণৱ ধৰ্মত দীক্ষা গ্ৰহণ কৰা দেখা যায়। অৱশ্যে যিসকলে এতিয়াও বৈষ্ণৱ ধৰ্মৰ এই নীতি-নিয়মসমূহ গ্ৰহণ কৰা নাই তেওঁলোকৰ পাত্ৰ মন্ত্ৰী, দলৈ, পাটৰ, ডেকাৰজা, হাতাৰী, সোণামতী, লৰ', হৰুমা, চাংদলৈ, চাংমাজি, মাদলবাদক, বাৰুবতি আদি সকলোবোৰ তিৱা, কাৰ্বি আৰু কছাৰী

জনগোষ্ঠীৰ লোক।[৫] এওঁলোকে সকলোবোৰ যাৱতীয় কাৰ্যত সক্ৰিয় অংশগ্ৰহণ কৰে। বৰ্তমান সময়ত দেখিবলৈ পোৱা নামঘৰত ভেটা দিয়া পৰম্পৰা পৰৱৰ্তী সময়তহে সংযোজন হোৱা বুলি ধাৰণা কৰিব পাৰি। মায়ং অঞ্চলৰ গড়ভাঙাতো এনেদৰে গড়ভাঙি গোসাঁইক সত্ৰত প্ৰতিষ্ঠা কৰা দেখিবলৈ পোৱা যায়।

ইতিহাস বিজড়িত উক্ত কথাবোৰৰ পৰা এইটো জনা জায় যে, মেলা পৰম্পৰা হৈছে পোৱালি ৰজাসকলৰ এটা কৰ-কাটল সংগ্ৰহ কৰা ব্যৱস্থা। প্ৰাচীন কালৰ পৰা সমগ্ৰ নগাঁও, মৰিগাঁও জিলাত সৰু সৰু পোৱালি ৰজাই ৰাজত্ব কৰিছিল যাক পূৰ্বতে সাতোৰজা আৰু পাঁচোৰজা বুলি উল্লেখ কৰা হৈছে। এইসকল ৰজাই আকৌ এটা সময়ত আহোমৰ তলতীয়া কৰকাটলীয়া ৰজা হিচাপেহে কাৰ্য সম্পাদন কৰিবলগীয়া হৈছিল। পূৰ্বতে মেলা উৎসৱে নিৰ্দিষ্ট পোৱালি ৰজা কেইজনৰ মাজতে সীমাবদ্ধ আছিল। পৰৱৰ্তী সময়ত আহোম ৰজাৰ সংস্পৰ্শত ই ক্ৰমাৎ বিস্তৃতি লাভ কৰে। সামন্তযুগীয় ৰজা নথকা ঠাইতো বৰ্তমানে সেই ৰজাৰ অঙহী-বঙহীসকলে মেলা উৎসৱৰ আয়োজন কৰা দেখা গৈছে। প্ৰধানকৈ চৰাইবাহী, কাকমাৰী, দলংঘাট ইত্যাদি অঞ্চলৰ মেলাসমূহ এই ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য মেলা।

পাঁচোৰজীয়া অঞ্চলত প্ৰচলিত এষাৰ কথা আছে যে — 'পাঁচোৰজীয়া মাহ চাউল ৰহিয়াল বৰুৱাৰ সবাহ' অৰ্থাৎ মেলা উৎসৱতে পাঁচোৰজীয়াসকলৰ লগত ঘনিষ্ঠ সম্বন্ধ ৰখা ৰহিয়াল বৰুৱাই সিবিলাকৰ পৰা কৰ-কাটল তোলে। শাল মাছৰ পোনা, বাঁহৰ গাজ, খৰিচা আৰু অন্যান্য দ্ৰব্যাদি ৰজালৈ শোধোৱা নিয়ম।[৬]

গোসাঁই উলিওৱা মেলাৰ ভিতৰত টোপাকুচি মেলাই প্ৰথমে উলিয়ায়। পৰৱৰ্তী সময়তহে ক্ৰমে বাৰপূজীয়া, মিকিৰ গঞা, কাক মাৰি, ফুলগুৰি, সৰাগাঁও আৰু খাইগড়ীয়া ৰাইজে মেলা উলিয়ায়। মৰিগাঁও জিলাৰ দন্দুৱা মেলাই হৈছে শেষৰখন মেলা। এই মেলা জেঠ মাহৰ চৈধ্য (১৪) তাৰিখৰ দিনা অনুষ্ঠিত হয়। আনহাতে পাঁচোৰজীয়া অঞ্চলৰ যিহেতুকে তিৱাসকলে সংক্ৰান্তিত বিহু নাপাতি মঙলে-বুধে বিহু পালন কৰে; তেনেদৰে আকৌ গোভা, নেলীৰ লোকসকলে শনি-ৰবিয়ে বিহু পাতে; সেয়ে এই সকল লোকে বিহুৰ পাছতহে থানপূজা কৰি মেলা উলিওৱা নিয়ম।[৭]

বিহুৰ দিনাই বা মেলাৰ আগদিনাই ৰজাৰ বিষয়ববীয়াসকলে মেলাৰ বিষয়ে আলোচনাত মিলিত হয়। সেই দিনাই বিষয় বাব অনুযায়ী সকলো বিষয়া, পালি-পহৰিয়া নিজৰ দায়িত্ব পালন কৰাত লাগে। এই দায়িত্বসমূহৰ ভিতৰ প্ৰধানকৈ মেলাৰ স্থানত ৰভা দিয়া, গোসাঁইক পিন্ধাবৰ বাে মালা প্ৰস্তুত কৰা, ৰজা ঘৰত থকা ঢাল-তৰোৱাল আদিবো পৰিষ্কাৰ কৰা ইত্যাদি কাম ৰাজ পাৰিষদবৰ্গৰ নিৰ্দেশত সকলোে পালন কৰে। সেইদিনা মেলালৈ বস্তুবোৰ নিয়াৰ পূৰ্বে তুলসী আৰু গাখীৰ পানীৰে শুচি কৰি লোৱা হয়। জানিব পৰা মতে মেলাৰ আগদিনা ৰজা উপবাসে থাকে।

মেলাৰ দিনা ৰজাক বিষয়ববীয়াসকলে সাজপাৰ আৰু দেউৰীয়ে বনমলা পাতেৰে সজা মালা এডাল পৰিধান কৰায়। মেলালৈ গোসাঁই খাটোলাখন নিয়াৰ পূৰ্বে হৰিধ্বনি দিয়ে আৰু নামঘৰ বা মন্দিৰৰ চাৰিওফালে সাতপাক ঘূৰাইহে বাটলৈ অনা হয়। এই খাটোলাখনৰ আগে আগে বৰঢুলীয়াই বৰঢোল বজায় যায়। তাৰ ওচৰতে আকৌ বাদ্ধৰতিসকলে নাচি নাচি যায়। খাটোলাখনৰ পিছত মন্ত্ৰী, পাৰিষদবৰ্গই ৰজাক মাজতলৈ আগ বাঢ়ি যায়। তেওঁলোকৰ সৈতে অন্য নামতী, আয়তীসকলে ডবা, কাহ, নাগাৰা, খোল, বৰকাঁহৰ চেওে চেওে নাম গাই যায়। এইদৰে গোটেই বাটটোতে হৰিধ্বনি তুলি গৈ থাকে। বাটত ভকতসকলে ধূপ-ধূনা জলাই গোসাঁইক সেৱা কৰে। বাটত গামোচা পাৰি তাৰ ওপৰেৰে গোসাঁই পাৰহে যাবলৈ দিয়ে। আনফালে দেউৰীয়ে সেৱা কৰা লোকসকলক বনমলা পাতেৰে গাঁথা মালা একোডাল দি যায়। গোসাঁইক সেৱা কৰা তামোল-পাণ, অৰিহণা আদিবোৰ দেউৰীয়ে সংগ্ৰহ কৰি নিয়ে। অৱশ্যে কিছুমান অঞ্চলত বনমলা পাতৰ মালাৰ পৰিবৰ্তে ফুলৰ থোপা দলিয়াই দিয়া দেখা যায়। মেলাস্থলীত এনেদৰে সকলোৱে উপস্থিত হোৱাৰ পাছত য'ত গোসাঁই খাটোলাখনৰ বাবে বেদী প্ৰস্তুত কৰা হৈছিল তাতে খাটোলাখন স্থাপন কৰে। তাৰ কাষতে ৰজা তথা পাৰিষদবৰ্গৰ বাবে সংৰক্ষিত নিৰ্দিষ্ট আসনত বহে। খাটোলাখনৰ ঠিক তলতে গোসাঁইলৈ বুলি তামোল-পাণ, ধূপ-ধূনা, বন্তি আদি প্ৰজ্বলন কৰা হয়। নামতী, গায়ন-বায়ন আদি কৰি সভাত উপস্থিত থকা লোকসকলে নাম-কীৰ্তন কৰে। ইয়াৰ পাছত গোটেই ৰভাস্থলীতে চাৰিওফালে ঘূৰি ঘূৰি নাম গায়।

এনে এফাকি নাম হৈছে—

হৰে কৃষ্ণ হৰে কৃষ্ণ<br>
কৃষ্ণ কৃষ্ণ হৰে হৰে<br>
হৰে ৰাম হৰে ৰাম<br>
ৰাম ৰাম হৰে হৰে।

আনফালে ৰজাৰ সন্মুখতে এডোখৰ ঠাইত বাৰুৱতিসকলে খ্ৰামবাৰ বা মাদলৰ সুৰে সুৰে তেওঁলোকৰ সমৰ কলা তথা ৰণনৃত্য প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে, এই ৰণ নৃত্য জনজাতীয় লোকসকলেহে প্ৰদৰ্শন কৰে। অন্য অজনজাতীয়সকলে নাম-কীৰ্ত্তন কৰে। এই নাম-কীৰ্তন সাত বা ন অধ্যায় গোৱাৰ অন্ততহে নাম সামৰিবলৈ বিষয়ববীয়াসকলে অনুৰোধ জনায়। ইয়াৰ পাছত ক্ৰমে খাটোলা কেইখন পুনৰ কান্ধত কৰি একে ধৰণৰ সমদল কৰি পূৰ্বৰ স্থানত ৰাখে। এনেদৰে উভতি যাওঁতেও তেওঁলোকে নাম-কীৰ্তন কৰি যায়। ৰজা ঘৰত গৈ পোৱাৰ পাছত যিসকল বিষয়ববীয়াৰ সহযোগত মেলাখন সম্পূৰ্ণ হ'ল তেওঁলোকক সেৱা-শুশ্ৰূষা কৰি বিদায় জনোৱা হয়। জনজাতীয় লোকসকলে বাংঠাইৰ ঘৰত নতুবা ডেকাৰজাৰ ঘৰত আহি মদ্যপান কৰে। ৰণ নৃত্যত ব্যৱহৃত ঢাল-তৰোৱালবোৰ ৰজাদিনীয়া আছিল। এইবোৰৰ ব্যৱহাৰ বৰ্তমানে দেখিবলৈ পোৱা নাযায় যদিও কেতিয়াবা দুই-এঠাইত পৰম্পৰাৰ ৰক্ষাৰ্থে প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়। এতিয়া কেৱল হাতত ঢাল আৰু ৰঙীন মাৰি নাইবা এছাৰিহে ব্যৱহাৰ কৰি ৰণ নৃত্য কৰা দেখা যায়।

উল্লেখযোগ্য যে এই মেলাক কেন্দ্ৰ কৰি বৰ্তমানে আকৌ অন্য এখন মেলা আৰম্ভ হোৱা দেখা যায়। এইখন হৈছে বয়-বস্তুৰ মেলা। খুব কম সময়ৰ কাৰণে চেনি-মিঠাইৰ, পুতলা, বেলুন, পেঁপাৰ লগতে অন্য সৰু সুৰা দুই এপদ লাগতিয়াল বস্তুৰ পয়োভৰ দেখা যায়। মূল গোসাঁই উলিওৱা মেলা শেষ হোৱাৰ লগে লগে এই মেলাৰো সামৰণি পৰে। এই মেলা পিছৰ পৰ্যায়ত মানুহৰ প্ৰয়োজন সাপেক্ষে উদ্ভৱ হোৱা বুলি ক'ব পাৰি। ◆◆

**প্ৰসংগ টোকা ঃ**

১. *লোকেশ্বৰ গগৈ ঃ তিৱা সংস্কৃতিৰ ৰূপৰেখা, (প্ৰথম) পৃ.১৬৭*
২. *লক্ষ্মী সিংহ ডেকা ঃ মণি কোঁৱৰ আখ্যান, দ্বিতীয় খণ্ড, পৃ. ২৬*
৩. *মনেশ্বৰ দেউৰী ঃ মৰিগাঁও জিলাৰ লোক-সংস্কৃতি, পৃ.১৬৮*
৪. *উক্ত গ্ৰন্থ, পৃ.১৬৮-১৬৯*
৫. *গণেশ সেনাপতি (সম্পা.) ঃ বিংচাং, পৃ. ৩৬৫*
৬. *মনেশ্বৰ দেউৰী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৬৮*
৭. *গণেশ সেনাপতি ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৩৬৬*